www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

ব্যক্তিত্ব আৰু ব্যক্তিস্বাৰ্থ চৰিতাৰ্থৰ বাবে দল সৃষ্টি কৰোঁতাজন সমাজ আৰু দেশৰ জঘন্য শত্ৰু।
— মৌলনা আবুল কালাম আজাদ

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- 'অসম বাৰ্তা' গোষ্ঠী -

❒ প্ৰথম বছৰ ❒ সংখ্যা- ১৪৫ ❒ শুকুৰবাৰ ❒ ১৩ মাৰ্চ, ২০২৬ চন ❒ Volume/Year- I ❒ Issue- 145 ❒ Thursday ❒ 13rd March, 2026 ❒ Asom Barta, Majuli ❒ PRGI Reg. No.- ASASS/25/A2361 ❒ Price- Rs. 10 ❒ Total Page- 8

■ উদ্বোধন কৰিব পাণ্ডু বন্দৰ চৌহদৰ পৰা ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী এলিভেটেড ৰোড ■

# তিনি মাহত তৃতীয়বাৰলৈ অসমলৈ প্ৰধানমন্ত্ৰী মোদী

## প্ৰধানমন্ত্ৰীয়ে উদ্বোধন, শিলান্যাস কৰিব কেইবাটাও অভিলাষী প্ৰকল্পৰ

**নিউজ ডেস্ক, অসম বাৰ্তা, ১২ মাৰ্চ ঃ** আসন্ন অসম বিধানসভা নিৰ্বাচনৰ প্ৰাক্কালত ৰাজনৈতিক দলসমূহে নিৰ্বাচনী প্ৰচাৰ তীব্ৰতৰ কৰি তুলিছে। এই পৰিৱেশৰ মাজতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পুনৰ অসমলৈ দুদিনীয়া ভ্ৰমণৰ বাবে আহিব। ১৩ আৰু ১৪ মাৰ্চত তেওঁ অসমত থাকি কেইবাটাও ডাঙৰ উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন, শিলান্যাস, ভূমি পূজন আৰু জনসভাৰ জৰিয়তে ৰাজ্যখনৰ বাবে বৃহৎ পৰিমাণৰ প্ৰকল্প ঘোষণা কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই কথা স্পষ্ট কৰি জনাইছে যে প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণে ৰাজ্যত ৪৭, ৬০০ কোটি টকাৰো অধিক মূল্যৰ প্ৰকল্পৰ সূচনা কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১৩ মাৰ্চত অপৰাহ্নত ❒ ৬ পৃষ্ঠাত

❒ নিৰ্বাচনৰ পূৰ্বে বিৰোধী শিবিৰত নতুন সমীকৰণৰ সম্ভাৱনা ❒

## লক্ষ্য চাহ জনগোষ্ঠীয় ভোটাৰ; ঝাৰখণ্ডত হেমন্ত চোৰেণক পৃথকে-পৃথকে সাক্ষাৎ গৌৰৱ-লুৰিণৰ




**নিউজ ডেস্ক, অসম বাৰ্তা, ১২ মাৰ্চ ঃ** অসমৰ বিৰোধী নেতৃত্বই ঝাৰখণ্ডত এক অভূতপূৰ্ব ৰাজনৈতিক তৎপৰতা প্ৰদৰ্শন কৰিছে। বৃহস্পতিবাৰে ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী তথা ঝাৰখণ্ড মুক্তি মৰ্চা (জেএমএম)ৰ সভাপতি হেমন্ত চোৰেণৰ আৱাসত পৃথকে পৃথকে সাক্ষাৎ কৰে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ আৰু অসম জাতীয় পৰিষদৰ সভাপতি ❒ ৬ পৃষ্ঠাত

■ প্ৰাৰ্থী তালিকা ১৬-১৭ মাৰ্চৰ ভিতৰত প্ৰকাশৰ আশা ■

## যুৱ প্ৰাৰ্থীক প্ৰাধান্য দিব বিজেপিয়ে



### চৰ্তসাপেক্ষে টিকেট প্ৰদানৰ সম্ভাৱনা

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১২ মাৰ্চ ঃ** অসম বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি তীব্ৰতৰ হৈ পৰাৰ মাজতে ৰাজ্যিক বিজেপিৰ সভাপতি তথা লোকসভা সাংসদ দিলীপ শইকীয়াই যুৱ প্ৰাৰ্থীসকলক অগ্ৰাধিকাৰ দিয়াৰ কথা স্পষ্ট কৰি কয় যে দলৰ টিকেট বিতৰণত ❒ ৬ পৃষ্ঠাত

## উৰা বাতৰি বিয়পোৱাৰ বিৰুদ্ধে কঠোৰ আৰক্ষী ৰন্ধন গেছৰ নাটনিৰ ভুৱা খবৰ নিবিয়পাবলৈ সকিয়নি আৰক্ষীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১২ মাৰ্চ ঃ** অসমত ৰন্ধন গেছ (এলপিজি চিলিণ্ডাৰ), পেট্ৰ'ল, ডিজেল আৰু অন্যান্য পেট্ৰ'লিয়ামজাত সামগ্ৰীৰ নাটনি হোৱা বুলি সামাজিক মাধ্যমত বিয়পি ❒ ৬ পৃষ্ঠাত

প্ৰথমবাৰৰ বাবে সংসদত দাখিল হ'ব অভিযোগপত্ৰ

## মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰক অপসাৰণৰ দাবীত অনাস্থা প্ৰস্তাৱৰ যো-জা

❒ লোকসভাত ১৩০ আৰু ৰাজ্যসভাত ৬৩ জন স্বাক্ষৰকাৰী ❒




**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১২ মাৰ্চ ঃ** বিৰোধী INDIA মিত্ৰজোঁটৰ মুঠ ১৯৩গৰাকী সাংসদে মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰক পদৰ পৰা অপসাৰণৰ বাবে দুটা জাননীত স্বাক্ষৰ কৰিছে। ইয়াৰ ভিতৰত ১৩০জন লোকসভাৰ সাংসদ আৰু ৬৩জন ৰাজ্যসভাৰ সাংসদ। শুক্ৰবাৰে সংসদৰ কমেও এটা সদনত এই জাননী দাখিল কৰা ❒ ৬ পৃষ্ঠাত

সত্ৰ ৰক্ষাৰ স্বাৰ্থত বৰপেটাবাসীক বাংলাদেশী মিঞা খেদা অভিযান চলোৱাৰ আহ্বান জয়ন্ত মল্লবৰুৱাৰ

## বৰপেটাৰ পৰাই আৰম্ভ হ'ব 'মিঞা হাটাও অভিযান'



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১২ মাৰ্চ ঃ** আসন্ন বিধানসভা নিৰ্বাচনৰ প্ৰাক্কালত ৰাজনৈতিক উত্তাপ বাঢ়ি অহাৰ মাজতে অসমৰ আবাসন আৰু নগৰ ❒ ৬ পৃষ্ঠাত

৫,৭৫৪গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ বিতৰণ কৰি কংগ্ৰেছক আক্ৰমণৰ লক্ষ্য

## খানাপাৰাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ শেষৰটো নিযুক্তি পত্ৰ বিতৰণ অনুষ্ঠান

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১২ মাৰ্চ ঃ** নিৰ্বাচনৰ প্ৰাক্কালত অসম চৰকাৰে যুৱক-যুৱতীসকলক চাকৰি প্ৰদানৰ ক্ষেত্ৰত এক নতুন অধ্যায়ৰ সূচনা কৰিলে। বৃহস্পতিবাৰে গুৱাহাটীৰ খানাপাৰাত অনুষ্ঠিত এক বিশেষ অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৫,৬৯০ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ হস্তান্তৰ কৰে। এই নিযুক্তিসমূহ মূলতঃ শিক্ষা আৰু ❒ ৬ পৃষ্ঠাত



## বিৰোধীৰ লক্ষ্য ২০২৬ৰ নিৰ্বাচন নহয়, ২০৩১ৰহে




মোডীৰ ঢৌৰ পিছত এইবাৰ আহি আছে মোডীৰ ছুনামি !

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১২ মাৰ্চ ঃ** আগন্তুক ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ প্ৰেক্ষাপটত বিৰোধী শিবিৰৰ অৱস্থাৰ ওপৰত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই তীব্ৰ মন্তব্য কৰিছে। বৃহস্পতিবাৰে গুৱাহাটীত সাংবাদিকৰ সৈতে হোৱা ❒ ৬ পৃষ্ঠাত

## ৰাষ্ট্ৰীয় উলামা কাউন্সিলৰ প্ৰথমখন প্ৰাৰ্থী তালিকা প্ৰকাশ

অসম বিধানসভা নিৰ্বাচনত ৩৫-৪০টা সমষ্টিত প্ৰতিদ্বন্দ্বিতাৰ ঘোষণা

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১২ মাৰ্চ ঃ** আগন্তুক ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ ৰাষ্ট্ৰীয় উলামা কাউন্সিলে প্ৰথমখন ❒ ৬ পৃষ্ঠাত

## বিশিষ্ট ক্ৰীড়া সাংবাদিক তথা সংগঠক প্ৰেমধৰ শৰ্মাৰ দেহাৱসান

অসমৰ ক্ৰীড়া জগতত শোকৰ ছাঁ

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৩ মাৰ্চ ঃ** ৰাজ্যৰ প্ৰবীণ ক্ৰীড়া সাংবাদিক, বিশিষ্ট ক্ৰীড়া সংগঠক আৰু জনপ্ৰিয় ধাৰাভাষ্যকাৰ প্ৰেমধৰ শৰ্মাৰ দেহাৱসান হৈছে। দীৰ্ঘদিনীয়া বাৰ্ধক্য- ❒ ৬ পৃষ্ঠাত


■ আজি আনুষ্ঠানিকভাৱে এবছু এৰিব বড়োৱে ■

## এবছু এৰি সংসদীয় ৰাজনীতিত প্ৰৱেশ কৰিব দ্বীপেন বড়োৱে

দুই-এদিনতে UPPLত যোগদানৰ সম্ভাৱনা




**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১২ মাৰ্চ ঃ** আসন্ন অসম বিধানসভা নিৰ্বাচনৰ প্ৰাক্কালত নিখিল বড়ো ছাত্ৰ সন্থা (এবছু)ৰ সভাপতি দ্বীপেন বড়োৱে সংগঠনটোৰ পৰা চিৰদিনৰ বাবে অৱসৰ গ্ৰহণ কৰাৰ সিদ্ধান্ত লৈছে। বিগত ফেব্ৰুৱাৰী মাহতে তেওঁ কেন্দ্ৰীয় ❒ ৬ পৃষ্ঠাত



## 'বিজেপিয়ে জুবিন গাৰ্গৰ অন্তিমখন চিনেমা নোচোৱাটো দুৰ্ভাগ্যজনক'

**ষ্টাফ ৰিপ'ৰ্টাৰ, সোণাপুৰ, ১২ মাৰ্চ ঃ** আগন্তুক ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ আৰু পৰ্যবেক্ষণৰ উদ্দেশ্যে অসমত উপস্থিত হোৱা ভাৰতীয় জাতীয় কংগ্ৰেছৰ মিডিয়া আৰু প্ৰচাৰ বিভাগৰ ৰাষ্ট্ৰীয় অধ্যক্ষ পৱন খেড়াই বৃহস্পতিবাৰে সোণাপুৰস্থিত জুবিন ক্ষেত্ৰত শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। ❒ ৬ পৃষ্ঠাত

## সোণাপুৰৰ জুবিন ক্ষেত্ৰত AICCৰ সাধাৰণ সম্পাদক পৱন খেড়া




# শিৱসাগৰত নিৰ্দলীয় প্ৰাৰ্থী ৰূপক ভূঞাৰ প্ৰচাৰ তুংগত

**অসম বাৰ্তা, গেলেকী, ১২ মাৰ্চ ঃ** ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ দিন যিমানেই চমু চাপি আহিছে, সিমানেই শিৱসাগৰ সমষ্টিত নিৰ্বাচনী বতাহ গৰম হৈ আহিছে বিভিন্ন ৰাজনৈতিক দল সমূহত প্ৰাৰ্থীত্ব কেন্দ্ৰীক সংঘাতো তীব্ৰতৰ হোৱা পৰিলক্ষিত হৈছে। অসমৰ ১২৬টা সমষ্টিৰ ভিতৰতে শিৱসাগৰ সমষ্টিত মিত্ৰদলৰ সংঘাতে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে। এফালে বিজেপি অগপৰ প্ৰাৰ্থীত্বক লৈ তৃণমূল কৰ্মীৰ মাজত বিদ্ৰোহৰ উকমুকনি দেখা গৈছে অন্যহাতে কংগ্ৰেছ আৰু ৰাইজৰ দলৰ মিত্ৰতা ভঙ্গ হৈছে বুলি ৰাইজৰ দলে মুকলিকৈ ঘোষণা কৰিছে। শিৱসাগৰত বিজেপিৰ ১২ গৰাকীকৈ প্ৰাৰ্থীত্ব প্ৰত্যাশী আছিল। কংগ্ৰেছ দলৰ ৬জন আৰু অগপ দলৰ ৩জন প্ৰাৰ্থীত্ব প্ৰত্যাশী আছিল। শেহতীয়াকৈ বিজেপি অগপ মিত্ৰজোঁটে অগপৰ প্ৰদীপ হাজৰীকাক শিৱসাগৰত প্ৰাৰ্থীত্ব প্ৰদান কৰিব বুলি বাতৰি ওলোৱাৰ লগে লগে বিজেপি কৰ্মীসকল ক্ষুণ্ণ হৈ মুকলি বিদ্ৰোহ আৰম্ভ কৰিছে। ইফালে ৰাইজৰ দলৰে মিত্ৰতাৰ কথা চলি থকাৰ বাবে কংগ্ৰেছ দলে কোনো ধৰণৰ নিৰ্বাচনী তৎপৰতা গ্ৰহণ নকৰিলে। ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈ এইবাৰ শিৱসাগৰ সমষ্টিৰ পৰা পুনৰ বিজয়ী হোৱাটো প্ৰায় কঠিন হৈ পৰিছে। উল্লেখযোগ্য যে সমষ্টি পুনৰ গঠনৰ ফলত পূৰ্বৰ আমগুৰি সমষ্টি বিলুপ্ত হল। এই বিলুপ্তহোৱা আমগুৰি সমষ্টিৰ ১৩ খনকৈ পঞ্চায়ত শিৱসাগৰ সমষ্টিত সংযুক্ত হ'ল। এই ১৩খন পঞ্চায়তৰ অধিকাংশই প্ৰদীপ হাজৰীকাক পুনৰ বিধায়ক হিচাবে বিচৰা নাই। নাজিৰা সমষ্টিৰ পৰা সংযুক্ত হোৱা ১খন পঞ্চায়ত আৰু শিৱসাগৰৰ ১৩খন পঞ্চায়তত প্ৰদীপ হাজৰীকাৰ স্থিতি শূন্যপ্ৰায়। সমষ্টি পুনৰ গঠনে শিৱসাগৰ সমষ্টিৰ পূৰ্বৰ "আহোম"ৰ সংখ্যা গৰিষ্ঠতাক তচনচ কৰি সাধাৰণ শ্ৰেনীৰ ভোটাৰৰ সংখ্যা ৪২ শতাংশলৈ বৃদ্ধি কৰিলে। এইবাৰ শিৱসাগৰৰ ভোটাৰ ৰাইজে শাষকীয় বিজেপি, বিৰোধী কংগ্ৰেছ, ৰাইজৰ দল, এজিপি অথবা অন্য যি কোনো দল নতুবা নিৰ্দলীয় প্ৰাৰ্থীয়ে হওক এইবাৰ সমষ্টিটোৰ ভোটাৰ ৰাইজে উন্নয়নৰ স্বাৰ্থত এগৰাকী স্থানীয় প্ৰাৰ্থীকহে বিজয়ী কৰাৰ পোষকতা কৰিছে। বৰ্তমান সমষ্টিটোৰ বিভিন্ন ৰাজনৈতিক দলৰ মাজৰ অনিশ্চিত ৰাজনৈতিক পৰিবেশ পৰিস্থিতিৰ সুযোগ গ্ৰহণ কৰি ৰাজনৈতিক তৎপৰতা আৰম্ভ কৰিছে "গণকণ্ঠ অসম"ৰ সমৰ্থিত নিৰ্দলীয় প্ৰাৰ্থী ৰূপক ভূঞাই। অসম তথা শিৱসাগৰৰ সুপ্ৰতিস্থিত সাংস্কৃতিক কৰ্মী "শিৱসাগৰ গৌৰৱ" সন্মানেৰে সন্মানিত ৰূপক ভূঞাই বিগত সময়ত ৰাইজৰ হকে কৰি অহা কৰ্মৰাজিৰ সুবাদতে এগৰাকী শক্তিশালী প্ৰাৰ্থী হিচাবে নিৰ্বাচনত অৱতীৰ্ন হব বুলি আশা কৰিব পাৰি। ইতিমধ্যে শিৱসাগৰ সমষ্টিৰ বিভিন্ন পঞ্চায়তত ঘৰে ঘৰে গৈ নিজৰ প্ৰচাৰ আৰম্ভ কৰিছে। শাষকীয় বিজেপি আৰু মিত্ৰদল অগপৰ খামখেয়ালী, কংগ্ৰেছ দলৰ নিস্ক্ৰীয়তা, ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈৰ শেহতীয়া কৰ্মকাণ্ড আৰু অস্থানীয় ধাৰণাৰ লগতে প্ৰতিষ্ঠান বিৰোধী ঢৌৱে নিশ্চিতভাৱে এইবাৰ শিৱসাগৰৰ নিৰ্বাচনী ফলাফলত প্ৰভাৱ পেলাব। ইপিনে নিৰ্দলীয় প্ৰাৰ্থী ৰূপক ভূঞাই "ভিচন শিৱসাগৰ-২০২৬" প্ৰকাশ কৰি উন্নয়নৰ এক সুস্পষ্ট ধাৰণা জনগনৰ মাজত ব্যাপকভাৱে প্ৰচাৰ কৰিছে। এনে এক পেক্ষাপটত ৰূপক ভূঞাৰ দৰে এজন ধৰ্মনিৰপেক্ষ, সংস্কৃতিবান, জনদৰদী, ভৱিষ্যৎদৰ্শী নেতাক শিৱসাগৰীয়া ভোটাৰ ৰাইজে কিদৰে আদৰি লব সেয়া লক্ষণীয় হব।

দুবছৰে শদিয়াত ৰাইজৰ দলৰ সাংগঠনিক ভেঁটি শক্তিশালী কৰাত লৈছিল বিশেষ ভূমিকা

# অখিলৰ সংগ এৰিব শদিয়াৰ প্ৰাৰ্থিত্ব প্ৰত্যাশী যুধিষ্ঠিৰ গগৈয়ে

**অসম বাৰ্তা, শদিয়া, ১২ মাৰ্চ ঃ** অচিৰেই ৰাইজৰ দল এৰিব পাৰে উপ-সভাপতি যুধিষ্ঠিৰ গগৈয়ে। বিজেপিৰ পৰা আহি প্ৰায় দুবছৰৰ পূৰ্বে ৰাইজৰ দলত যোগদান কৰা যুধিষ্ঠিৰ গগৈয়ে প্ৰাৰ্থিত্বৰ পৰা বঞ্চিত হোৱাৰ আশংকা কৰিয়েই দলত্যাগ কৰিবলৈ সাজু হোৱা বুলি এক নিৰ্ভৰযোগ্য সূত্ৰ যোগে জানিব পৰা গৈছে। জানিব পৰা মতে, কেইদিনমানৰ ভিতৰতে ৰাইজৰ দল ত্যাগ কৰিব উপ-সভাপতি যুধিষ্ঠিৰ গগৈয়ে। উল্লেখযোগ্য যে, সভাপতি অখিল গগৈয়ে '২৬ৰ বিধানসভা নিৰ্বাচনত শদিয়া সমষ্টিত দলীয় প্ৰাৰ্থিত্ব প্ৰদানৰ প্ৰতিশ্ৰুতিৰে ৰাইজৰ দলত যোগদান কৰাইছিল জ্যেষ্ঠ বিজেপি নেতা তথা উজনি অসমৰ অন্যতম প্ৰভাৱশালী ৰাজনীতিবিদ যুধিষ্ঠিৰ গগৈক। শদিয়াৰ বহু পুৰণি বিজেপি তথা আৰএছএছ নেতা যুধিষ্ঠিৰ গগৈয়ে বিজেপিৰ শীৰ্ষ নেতৃত্বৰ কাম-কাজ আৰু সিদ্ধান্তত অসন্তুষ্ট হৈয়ে ২০২৪ বৰ্ষৰ ১১ জুলাইত বিজেপি দল ত্যাগ কৰিছিল। ২০০৩ চনৰ পৰাই আৰএছএছৰ সৈতে জড়িত



যুধিষ্ঠিৰ গগৈ বিজেপি দলৰ এগৰাকী অত্যন্ত প্ৰভাৱশালী নেতা হিচাপে পৰিচিত আছিল। ৰাজ্যৰ এগৰাকী বিশিষ্ট সমাজকৰ্মী আৰু সাংস্কৃতিক কৰ্মী যুধিষ্ঠিৰ গগৈয়ে ২০০৩ চনৰ পৰাই বিজেপিত সক্ৰিয়তাৰে কাম-কাজ চলাই নিছিল। অসমত প্ৰথমবাৰলৈ বিজেপি চৰকাৰ শাসনলৈ অহাৰ পিছত ৰাজ্যিক বিজেপিৰ অন্যতম সাংগঠনিক জিলা সমিতি তথা বৰ্তমান বিলুপ্ত হোৱা শদিয়া জিলা সমিতিক দুবাৰকৈ সবল ৰূপত নেতৃত্ব দিয়া যুধিষ্ঠিৰ গগৈয়ে ধেমাজি জিলাৰ প্ৰভাৰীৰ দায়িত্বতো কাৰ্যনিৰ্বাহ কৰিছিল। ২০১৬ চনৰ পাছত শদিয়া জিলা সমিতিৰ দুটা কাৰ্যকালৰ সভাপতি যুধিষ্ঠিৰ গগৈ এসময়ত তিনিচুকীয়া জিলা যুৱ মৰ্চাৰ সাধাৰণ সম্পাদক, বুথ তথা সমষ্টি প্ৰভাৰী, জিলাৰ উপ-সভাপতি, দলৰ সংস্কৃতি কোষৰ জিলা আহ্বায়কৰ লগতে ২০২১ৰ বিধানসভা নিৰ্বাচনত সমষ্টি পৰ্যবেক্ষক পদতো কাৰ্যনিৰ্বাহ কৰিছিল। ২০১৬ আৰু ২০২১ৰ বিধানসভা নিৰ্বাচনত শদিয়া সমষ্টিত দলীয় টিকটৰ প্ৰবল দাবীদাৰ হৈও মূৰকত টিকটৰ পৰা বঞ্চিত হোৱা যুধিষ্ঠিৰ গগৈ ২০২৪ৰ লোকসভা নিৰ্বাচনত লখিমপুৰ লোকসভা সমষ্টিৰ এগৰাকী শক্তিশালী দাবীদাৰ আছিল। 'অসম জনসংঘ' নামৰ সংগঠনৰ অন্যতম প্ৰতিষ্ঠাতা যুধিষ্ঠিৰ গগৈয়ে মূলত বিজেপিৰ শীৰ্ষ নেতৃত্বৰ কাম-কাজত অসন্তুষ্ট হৈ বিজেপি দল ত্যাগ কৰি ৰাইজৰ দলত যোগদান কৰিয়েই উপ-সভাপতিৰ দৰে গুৰুত্বপূৰ্ণ দায়িত্ব লাভ কৰিছিল। যোৱা প্ৰায় দুটা বছৰে শদিয়া সমষ্টিত ৰাইজৰ দলৰ সাংগঠনিক ভেঁটি শক্তিশালী কৰাত যৎপৰোনাস্তি চেষ্টা চলোৱা যুধিষ্ঠিৰ গগৈয়ে '২৬ৰ বিধানসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ লক্ষ্যৰে ৰাইজৰ দলত যোগদান কৰিছিল যদিও সমাগত নিৰ্বাচনত প্ৰাৰ্থিত্বৰ পৰা বঞ্চিত হোৱাৰ আশংকা কৰিয়েই ৰাইজৰ দল ত্যাগ কৰিবলৈ সাজু হোৱা বুলিব পাৰি। বিজেপিৰ পিছত পুনৰ ৰাইজৰ দল ত্যাগ কৰিবলৈ সাজু হোৱা যুধিষ্ঠিৰ গগৈয়ে ৰাজনৈতিক জীৱনৰ তৃতীয় ইনিংছ কোনটো দলৰ জৰিয়তে চলাই নিব, সেয়া অদ্যাপি জানিব পৰা হোৱা নাই যদিও যুধিষ্ঠিৰ গগৈয়ে যিকোনো পৰিস্থিতিত এইবাৰ শদিয়াত নিৰ্বাচন খেলাটো নিশ্চিত হোৱাক লৈ চাই যুধিষ্ঠিৰ গগৈয়ে অতি কম সময়ৰ ভিতৰতে ৰাইজৰ দল ত্যাগ কৰি এক নতুন আঞ্চলিক ৰাজনৈতিক দল খুলি দলটোক নেতৃত্ব দিয়াৰ সম্ভাৱনাই অধিক। যুধিষ্ঠিৰ গগৈয়ে ৰাইজৰ দল ত্যাগ কৰিবলৈ সাজু হোৱাটোৱে এক বিশেষ ইংগিত বহন কৰা লগতে যুধিষ্ঠিৰ গগৈৰ দৰে এগৰাকী অতি প্ৰভাৱশালী আৰু শক্তিশালী নেতাই এইদৰে নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত দল ত্যাগ কৰিবলৈ প্ৰস্তুত হোৱাটোৱে উজনি অসমৰ ৰাজনীতিত এক বিশেষ প্ৰভাৱ পেলোৱাৰ সম্ভাৱনা আছে। সভাপতি অখিল গগৈয়ে এই সন্দৰ্ভত কি স্থিতি গ্ৰহণ কৰে, সেয়া লক্ষণীয় হ'ব।

# সংগীতৰ সাধক তাপস প্ৰতিম বৰাৰ এটি জীৱনজোৰা শিল্পীৰ যাত্ৰা আৰু বৰ্তমানৰ সংগ্ৰাম

**অসম বাৰ্তা, সৰুপথাৰ, ১২ মাৰ্চ ঃ** অসমৰ সাংস্কৃতিক জগতখন কেৱল মঞ্চৰ তাৰকাসকলেইনহয়, বৰঞ্চ গাঁৱে-ভূঞে সিঁচৰতি হৈ থকা নিৰালস্য সাধকসকলেও চহকী কৰি ৰাখিছে। তেনে এগৰাকী নিষ্ঠাবান শিল্পী হ'ল গোলাঘাট জিলাৰ সৰুপথাৰ সমজিলাৰ অন্তৰ্গত বৰপথাৰৰ বাসিন্দা তাপস প্ৰতিম বৰা। আশীৰ দশকৰ পৰাই সংগীতক জীৱনৰ একমাত্ৰ ব্ৰত হিচাপে গ্ৰহণ কৰা এইগৰাকী শিল্পীৰ কাহিনী অনুপ্ৰেৰণা আৰু কৰুণতাৰে ভৰা। উল্লেখযোগ্য যে প্ৰায় চাৰি দশক ধৰি সংগীত-বাদ্যযন্ত্ৰৰ জগতখনত সেৱা কৰি অহা এইগৰাকী প্ৰবীণ শিল্পী শেহতীয়াকৈ জটিলভাৱে শাৰীৰিক সমস্যাৰ সন্মুখীন হৈছিল। তেখেত একেলগে কেইবাটাও ৰোগত আক্ৰান্ত হ'বলগীয়া হৈছিল। উচ্চ ৰক্তচাপ আৰু মধুমেহ (Diabetes), প্ৰস্থেটৰ সমস্যা, হৃদৰোগ (Heart Disease), হাওঁফাওঁৰ গুৰুতৰ সংক্ৰমণ। এই কঠিন সময়ছোৱাত তেখেতে যমৰ সৈতে যুঁজ দিবলগীয়া হৈছিল যদিও বৰ্তমান তেখেত চিকিৎসাধীন হৈ বহু পৰিমাণে সুস্থ হৈ উঠিছে। তেখেতৰ অদম্য ইচ্ছাশক্তিৰ বাবেই তেখেতে পুনৰ সংগীতৰ পৃথিৱীখনলৈ উভতি আহিবলৈ সক্ষম হৈছে। সেই সময়ত জটিল ৰোগৰ চিকিৎসাৰ বাবে বহু পৰিমাণৰ ধনৰ প্ৰয়োজন হৈছিল। সেই কথা গম পাই সৰুপথাৰৰ HELPING HAND সামাজিক গোটৰ হৈ ডঃ প্ৰণৱ ঢেকিয়াল ফুকন, ডঃ প্ৰেমকান্ত বৰাৰ লগতে কেইবাজনো সদস্যই আহি কিছু পৰিমাণে আৰ্থিক সাহায্য আগবঢ়াইছিল। লগতে অঞ্চলটোৰ বহুকেইগৰাকী ব্যক্তিৰ লগতে শুভাকাংক্ষীসকলেও তেখেতক সহায়ৰ হাত আগবঢ়াইছিল। ১৯৮৩ চনৰ পৰাই তাপস প্ৰতিম বৰাদেৱে সংগীতৰ সাধনাত নিজকে ওতপ্ৰোতভাৱে জড়িত কৰিছিল। সেই সময়ত অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰ আৰু স্থানীয় মঞ্চসমূহৰ বিশেষ গুৰুত্ব আছিল। বৰাদেৱে প্ৰথমে বিভিন্ন থিয়েটাৰৰ দলত গীটাৰ বাদক হিচাপে নিজৰ যাত্ৰা আৰম্ভ কৰিছিল। হাতত গীটাৰ লৈ মঞ্চৰ আঁৰৰ পৰা সুৰৰ মায়া সৃষ্টি কৰা এইগৰাকী শিল্পীয়ে অতি কম সময়ৰ ভিতৰতে এজন দক্ষ বাদক হিচাপে পৰিচিতি লাভ কৰে। কেৱল বাদ্যযন্ত্ৰ বাদনতে সীমাবদ্ধ নাথাকি তেখেতে পাছলৈ সংগীত পৰিচালনা আৰু গীত ৰচনাতো মনোনিৱেশ কৰে। তেখেতৰ সংগীতত থকা স্বকীয়তা আৰু গভীৰতাই অঞ্চলটোৰ সাংস্কৃতিক পৰিৱেশটো এক নতুন মাত্ৰা প্ৰদান কৰিছিল। তাপস প্ৰতিম বৰা কেৱল এজন শিল্পীয়েই নহয়, তেখেত এজন সফল সংগীতৰ লগতে বাদ্যযন্ত্ৰৰ প্ৰশিক্ষকো। তেখেতে বিভিন্ন বাদ্যযন্ত্ৰ যেনে—গীটাৰ, তবলা, মেণ্ডোলিন, কী-বৰ্ড ইত্যাদিও বজায়। সৰুপথাৰ সমজিলাত বহু শিক্ষাৰ্থীক বৰাই প্ৰশিক্ষণ অঞ্চলটোৰ বহুতো উদীয়মান প্ৰতিভাক সংগীতৰ বাটত খোজ দিবলৈ শিকাইছে। আজি অঞ্চলটোৰ বহুতো নবীন শিল্পীয়ে তেখেতৰ ওচৰতে সংগীতৰ আদিপাঠ গ্ৰহণ কৰি অসমৰ সংগীত ক্ষেত্ৰখনত নিজক প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। সুদীৰ্ঘ ৪০ বছৰ ধৰি নীৰৱে সংগীত-বাদ্যযন্ত্ৰৰ সাধনা কৰা এইগৰাকী শিল্পীয়ে বৰ্তমান এক আৰ্থিক অনিশ্চয়তাৰ মাজত দিন কটাইছে। তেখেতে বিগত বৰ্ষত চৰকাৰী শিল্পী পেন্সনৰ বাবে আবেদন জনাইছিল। কিন্তু দুৰ্ভাগ্যবশতঃ সেই সময়ত তেখেতৰ বয়স ৬০ বছৰ নোহোৱাৰ বাবে চৰকাৰে তেখেতক এই সাহায্যৰ পৰা বঞ্চিত কৰিছিল। বৰ্তমান বৰাদেৱৰ বয়স ৬১ বছৰ। যিহেতু তেখেত এতিয়া পেন্সনৰ বাবে নিৰ্ধাৰিত বয়সৰ সীমা অতিক্ৰম কৰিছে, সেয়েহে তেখেতে সংবাদ মাধ্যমৰ জৰিয়তে অসম চৰকাৰক বিনম্ৰ অনুৰোধ জনাইছে যাতে তেখেতৰ সাংস্কৃতিক সাধনাৰ প্ৰতি সন্মান জনাই পেন্সনৰ ব্যৱস্থা কৰা হয়। এই চৰকাৰী সাহায্যই তেখেতৰ ঔষধ-পাতি আৰু দৈনন্দিন জীৱন নিৰ্বাহৰ ক্ষেত্ৰত এক বৃহৎ সকাহ দিব।

# চামগুৰিৰ আমনিত পথ দুৰ্ঘটনাত এজন নিহত

**অসম বাৰ্তা, পুৰণিগুদাম, ১২ মাৰ্চ ঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত আমনি গৃহৰক্ষী বাহিনীৰ কেম্পৰ সন্মুখত আজি দুপৰীয়াৰ সময়ত সংঘটিত হোৱা এক পথ দুৰ্ঘটনাত এজন লোক থিতাতে নিহত হয়। প্ৰাপ্ত খবৰ মতে, চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত আমনিৰ ১২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ বাইলেনত আজি দুপৰীয়াৰ সময়ত আব্দুল ফালান নামৰ বৃদ্ধ লোকজনে খোজকাঢ়ি গৈ থকা অৱস্থাত এ-এছ-০১-পি-চি-৯৫৮১ নম্বৰৰ ট্ৰাকখনে পিছুৱাই থকা অৱস্থাত লোকজনক মহটিয়াই নিয়ে আৰু মূৰৰ ওপৰেদি ট্ৰাকখনৰ চকা উঠি যোৱাৰ ফলত লোকজন থিতাতে নিহত হয়। আনহাতে, দুৰ্ঘটনাটো সংঘটিত কৰি ট্ৰাকখন পলায়ন কৰিবলৈ চেষ্টা কৰে যদিও স্থানীয় ৰাইজৰ লগতে আৰক্ষীয়ে উক্ত ট্ৰাকখন জব্দ কৰে। দুৰ্ঘটনাটোত নিহত হোৱা লোকজনৰ মৃতদেহটো পৰৱৰ্তী সময়ত আৰক্ষীয়ে উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও মেডিকেল কলেজ আৰু হাস্পতাললৈ প্ৰেৰণ কৰে বুলি জানিব পৰা গৈছে।

# বিজনীৰ উলুবাৰীত পাঁচ কোটি টকা ব্যয় সাপেক্ষে বীৰ চিলাগাং বসুমতাৰী মিনি ষ্টেডিয়াম উদ্বোধন

**অসম বাৰ্তা, বিজনী, ১২ মাৰ্চ ঃ** চিৰাং জিলাৰ বিজনীৰ উলুবাৰী ৰাজহুৱা খেলপথাৰত স্থাপন হ'ব বীৰ চিলাগাং বসুমতাৰী স্মৰণীয় মিনি ষ্টেডিয়াম। তদুপলক্ষে আজি বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীয়ে আনুষ্ঠানিকভাৱে মিনি ষ্টেডিয়ামখনৰ আধাৰশিলা স্থাপন কৰে। আধাৰশিলা স্থাপন কৰিয়ে নিজৰ ভাষণত ষ্টেডিয়ামখনৰ চৌপাশে পকী বেৰ দিয়াৰ কথাও ঘোষণা কৰে মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীয়ে। ইফালে আজি অনুষ্ঠিত হ'বলগীয়া নীতি নিৰ্ধাৰণ কমিটিৰ বৈঠকৰ পাছতে বিপিএফৰ প্ৰাৰ্থী তালিকা প্ৰকাশ কৰা হ'ব বুলি সংবাদ মাধ্যমৰ আগত ঘোষণা কৰে বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীয়ে। চিণ্ডিকেটৰ টকাৰে হাগ্ৰামা মহিলাৰীয়ে চৰকাৰ চলাব বুলি প্ৰমোদ বড়োই কৰা মন্তব্যৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় পালেতো লম, নাপায় যে, প্ৰমোদ বড়োই আগত চিণ্ডিকেটৰ টকা লৈ আছিল সেই কাৰণে জানে। তেওঁ কয় যে প্ৰমোদ বড়ো ৰাজ্য সভালৈ গ'ল। দলৰ উপ সভাপতি, দলৰ নেতাৰ কথা পাহৰি গ'ল। নিজে সুবিধা পালে হ'ল বুলি মন্তব্য কৰি প্ৰমোদ বড়োক সুবিধাবাদী আখ্যা দিয়ে হাগ্ৰামা মহিলাৰীয়ে। উলুবাৰী ৰাজহুৱা খেলপথাৰত অনুষ্ঠিত বীৰ চিলাগাং বসুমতাৰী স্মৰণীয় মিনি ষ্টেডিয়ামৰ আধাৰশিলা স্থাপন কাৰ্যসূচীত কাৰ্যবাহী সদস্য দেৰহাছাং বসুমতাৰী, ধীৰাজ বৰগয়াৰী, স্থানীয় পাৰিষদ খলিলুৰ ৰহমানসহ বিপিএফৰ কেবাগৰাকীও নেতা উপস্থিত থাকে।


# ঈদৰ আগমুহূৰ্তত গোসাঁইগাঁৱত এটিএমত ধনৰ সংকট; গ্ৰাহকৰ ক্ষোভ

**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ১২ মাৰ্চ ঃ** ঈদ উৎসৱৰ আগমুহূৰ্ততে কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও চহৰত এটিএম মেচিনত ধনৰ তীব্ৰ সংকট দেখা পোৱা গৈছে। এই সমস্যাৰ ফলত চহৰখনৰ সাধাৰণ গ্ৰাহকসকল যথেষ্ট অসুবিধাৰ সন্মুখীন হ'ব লগা হৈছে। নিজৰ বেংক একাউণ্টত জমা থকা ধন উলিয়াবলৈ গ্ৰাহকসকলে চহৰখনৰ বিভিন্ন স্থানত থকা এটিএম মেচিনসমূহত দৌৰিব লগা হৈছে, কিন্তু অধিকাংশ এটিএম মেচিনত ধন নথকাৰ বাবে খালী হাতে উভতিব লগা হৈছে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি, গোসাঁইগাঁও চহৰৰ কেইবাটাও এটিএম মেচিনত দীৰ্ঘ সময় ধৰি ধন নথকাৰ লগতে কিছুমান এটিএম মেচিন সম্পূৰ্ণৰূপে বন্ধ হৈ আছে। ফলত গ্ৰাহকসকলে প্ৰয়োজনীয় সময়ত নিজৰ ধন উলিয়াব নোৱাৰি যথেষ্ট সমস্যাৰ সন্মুখীন হৈছে। বিশেষকৈ ঈদ উৎসৱৰ আগমুহূৰ্তত বজাৰত পৰিয়ালৰ খৰচ পূৰণ কৰা আৰু বিভিন্ন প্ৰয়োজনীয় কাম সম্পন্ন কৰাৰ বাবে নগদ ধনৰ প্ৰয়োজন বেছি হয়। কিন্তু এই সময়তেই এটিএম মেচিনসমূহত ধনৰ সংকট দেখা দিয়াত ৰাইজৰ মাজত অসন্তুষ্টি বৃদ্ধি পাইছে। কিছুমান গ্ৰাহকে জনোৱা মতে, তেওঁলোকে এটিএম মেচিনৰ পৰা ধন উলিয়াবলৈ এটা এটিএমৰ পৰা আন এটা এটিএমলৈ যাব লগা হৈছে। কিন্তু অধিকাংশ ক্ষেত্ৰতে এটিএমত ধন নথকাৰ বাবে তেওঁলোক বিফল হৈছে। ইয়াৰ ফলত সময় নষ্ট হোৱাৰ লগতে সাধাৰণ মানুহে মানসিক চাপো অনুভৱ কৰিব লগা হৈছে। গ্ৰাহকসকলে অভিযোগ কৰিছে যে বেংক কৰ্তৃপক্ষই উৎসৱৰ আগত এটিএম মেচিনসমূহত পৰ্যাপ্ত ধনৰ যোগান নিশ্চিত কৰিব লাগিছিল। কিন্তু সঠিক ব্যৱস্থা নোহোৱাৰ ফলত সাধাৰণ ৰাইজে নিজৰ জমা ধন সহজে লাভ কৰিব পৰা নাই। ইয়াৰ বাবে বেংক কৰ্তৃপক্ষৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে ভুক্তভোগী গ্ৰাহকসকলে। এই সমস্যাৰ শীঘ্ৰেই সমাধান কৰি গোসাঁইগাঁও চহৰৰ সকলো এটিএম মেচিনত নিয়মীয়াকৈ ধনৰ ব্যৱস্থা নিশ্চিত কৰিবলৈ বেংক কৰ্তৃপক্ষক আহ্বান জনাইছে স্থানীয় ৰাইজে। উৎসৱৰ সময়ত যাতে সাধাৰণ মানুহে এনে সমস্যাৰ সন্মুখীন নহয় তাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈও দাবী জনোৱা হৈছে।

# মাকুম বাইপাছৰ সমীপত বিধ্বংসী অগ্নিকাণ্ডৰ ঘটনা

**অসম বাৰ্তা, মাকুম, ১২ মাৰ্চ ঃ** আজি দিনৰ ভাগত মাকুম বাই পাছৰ সমীপত শিৱানী হোটেল নামৰ এখন হোটেলত এক অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। মাকুম বাৰেকুৰি গাঁৱৰ নিবাসী শিৱানী দুৱৰা নামৰ এগৰাকী বিধৱা মহিলা গৰাকীৰ হোটেলখনত অগ্নিকাণ্ডটো সংঘটিত হয়। বিদ্যুৎ বিজুটি ঘটি ছিলিণ্ডাৰ বিস্ফোৰণ হৈ অগ্নিকাণ্ডটো সংঘটিত হোৱা বুলি জানিবলৈ যায়। অগ্নিকাণ্ডৰ ফলত হোটেল খনৰ বয়বস্তু যেনে ফ্ৰীজ ইত্যাদিৰ লগতে মহিলা গৰাকীৰ কন্যাৰ তুলনী বিয়ালৈ জমা কৰি ৰখা প্ৰায় ৪০, ০০০ নগদ ধন সহ যাৱতীয় নথি-পত্ৰ সমূহ জুইত জাহ যায়। ঘটনাস্থলীত মাকুম আৰক্ষী, স্থানীয় ৰাইজ আৰু পলমকৈ উপস্থিত হোৱা দুখনকৈ অগ্নি নিৰ্বাপক বাহিনীৰ বাহনৰ সহযোগত জুই নুমোৱাবলৈ সক্ষম হয়। পলমকৈ উপস্থিত হোৱা অগ্নি নিৰ্বাপক বাহিনীৰ বাহনে মাকুম সমজিলাত অগ্নি নিৰ্বাপক বাহিনীৰ কেন্দ্ৰ স্থাপন নোহোৱাৰ স্বৰূপ পুনৰ উদঙাই দিলে। এক মাত্ৰ হোটেল খনকলৈ জীৱিকা হিচাপেলৈ জীৱন নিৰ্বাহ কৰা শিৱানী দুৱৰা বৰ্তমান দিশহাৰা হৈ পৰিছে।

# অনন্ত বৈভৱ উন্মোচন




**অসম বাৰ্তা, দেৰগাঁও, ১২ মাৰ্চ ঃ** দেৰগাঁও চৰাই গাঁৱৰ এগৰাকী সমাজসেৱী ব্যক্তি, ভূমি সংৰক্ষণ বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী অনন্ত দত্তৰ প্ৰথম মৃত্যু বাৰ্ষিকী উপলক্ষে আজি এক বিশেষ অনুষ্ঠানত অনন্ত বৈভৱ নামেৰে এখনি স্মৃতিগ্ৰন্থ উন্মোচন কৰা হয়। এই গ্ৰন্থখন সম্পাদনা কৰিছে ড° ক্ষীৰেশ্বৰ লইংয়ে। আজি অৱসৰপ্ৰাপ্ত অধ্যক্ষ বিশ্বেশ্বৰ দত্তৰ সভাপতিত্বত অনুষ্ঠিত সভাত গ্ৰন্থখন উন্মোচন কৰে অসম সাহিত্য সভাৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত উপ সভাপতি ড° পৰাগ ঠাকুৰে। দেৰগাঁও সাহিত্য সভাৰ সম্পাদক বিচিত্ৰ ভুষণ কলিতাই আঁতধৰা আৰু কনিষ্ঠ ভাতৃ অজিত চন্দ্ৰ দত্ত ই উদেশ্য ব্যাখ্যা কৰা সভাত সাহিত্যিক অতুল চন্দ্ৰ মহন্ত, অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ প্ৰভাত কুমাৰ ফুকন, অৱসৰপ্ৰাপ্ত প্ৰশাসনীক বিষয়া অনন্ত দত্ত, গোলাঘাট জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তফজ্জুল হকবৰবৰা প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলে প্ৰয়াত অনন্ত দত্তৰ স্মৃতিচাৰণ কৰে। সভাত শিক্ষাব্ৰতী প্ৰতাপ কন্দলী, অৰুণী বৰঠাকুৰ মুকুল কন্দলী, অপুল বৰা, পৰাগ ঠাকুৰ, দ্বীপেন বৰঠাকুৰ, আবেদুল চুলতান, ক্ষীৰেশ্বৰ লুইং প্ৰমুখ্যে বহুকেইজন ব্যক্তি তথা পৰিয়ালৰ লোকসকল উপস্থিত থাকে।

ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হেমন্ত চুৰেনৰ অংশগ্ৰহণ

# বিশ্বনাথৰ মিজিকাত নতুনকৈ জন্ম লাভ কৰা জয় ভাৰত দলৰ বিশাল ৰাজনৈতিক সজাগতা সভা সম্পন্ন

**অসম বাৰ্তা, জিনজিয়া, ১২ মাৰ্চ ঃ** বিশ্বনাথত উপস্থিত ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হেমন্ত চুৰেন। ৰাজ্যৰ ৰাজনীতিত ঝাৰখণ্ডৰ JMM দলৰ প্ৰৱেশ। বিশ্বনাথৰ মিজিকাত অনুষ্ঠিত নতুনকৈ জন্ম লাভ কৰা জয় ভাৰত দলৰ বিশাল ৰাজনৈতিক সজাগতা সভা। এই সভাতে ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী ৰমেশ চুৰেইনৰ অংশ গ্ৰহণ কৰে। ৰাজ্যত নতুনকৈ জন্ম লাভ কৰা জয় ভাৰত পাৰ্টি আৰু ঝাৰখণ্ডৰ JMM দলৰ মাজত আজি আনুষ্ঠানিক ভাবে এলায়েঞ্চ কৰা হ'ব বুলি জানিব দিয়ে জয় ভাৰত দলৰ কেন্দ্ৰীয় সভাপতি তেহাৰু গৌৰে। জয় ভাৰত পাৰ্টিৰ সভাপতি গৰাকীয়ে জানিব দিয়া মতে সমাগত বিধান সভা নিৰ্বাচনত চল্লিশটা বিধানসভা সমষ্টিত এই বাৰ প্ৰাৰ্থীত্ব প্ৰদান কৰি জয় লাভ কৰিব বুলিও দাবী কৰে।

### জাতি আৰু সনাতনী সংস্কৃতিৰ প্ৰতি প্ৰেম থকা ব্যক্তিয়ে কংগ্ৰেছ কৰিব নোৱাৰে ঃ নাৰায়ণ ডেকা

# দৌলাশালত বিজেপিৰ যোগদান কাৰ্যসূচীত কংগ্ৰেছ- অজাপৰ ৩৫ গৰাকীৰ যোগদান

**অসম বাৰ্তা, দৌলাশাল, ১২ মাৰ্চ ঃ** '২৬ৰ বিধানসভা নিৰ্বাচনক লৈ তৎপৰ হৈ পৰিছে ৰাজ্যৰ প্ৰতিটো ৰাজনৈতিক দল। ভাৰতীয় জনতা পাৰ্টীয়ে ৰাজ্যখনৰ ঠায়ে ঠায়ে যোগদান সভা অনুষ্ঠিত কৰি নিৰ্বাচনী তৎপৰতা বৃদ্ধি কৰিছে। নলবাৰী জিলাৰ ৩৮ নং বৰক্ষেত্ৰী বিধানসভা সমষ্টিত ভাৰতীয় জনতা পাৰ্টীয়ে প্ৰতিদিনাই যোগদান সভা অনুষ্ঠিত কৰি সাংগঠনিক ভোটি শক্তিশালী কৰি তুলিছে। সমষ্টিটোৰ দৌলাশালত আজি সন্ধিয়া ভাৰতীয় জনতা পাৰ্টী পশ্চিম বৰক্ষেত্ৰী ধৰ্মপুৰ মণ্ডলৰ উদ্যোগত যোগদান কাৰ্যসূচী অনুষ্ঠিত হয়। দৌলাশাল এলট চুবুৰীত থকা ত্ৰিদেৱী (চিএলএফ) মণ্ডল পৰ্য্যায়ৰ সংগঠনৰ কাৰ্যালয়ত অনুষ্ঠিত যোগদান সভাত ভাৰতীয় জাতীয় কংগ্ৰেছ আৰু অসম জাতীয় পৰিষদৰ ৩৫ গৰাকী নেতা-কৰ্মীয়ে ভাৰতীয় জনতা পাৰ্টীত যোগদান কৰে। গাঁওখনৰ জ্যেষ্ঠ কংগ্ৰেছী অৰ্জুন বৰুৱা, বিপদ বৈশ্য, খগেন বৰুৱা, কুলেন বৰ্মন, টিকেন নাথ, ভৃগু ডেকা, ৰূপজ্যোতি বৰ্মন, হিমানজিৎ নাথ, মৰমী বৈশ্য, মঞ্জু নাথ, মুনাৰাণী পাঠক, অসম জাতীয় পৰিষদৰ ভাতৃ সংগঠন যুৱ শক্তিৰ ৰাজ্যিক প্ৰাক্তন সাধাৰণ সম্পাদক হিমাংশু বৰ্মন, জাতীয় পৰিষদৰ প্ৰাক্তন নেতা হৰিদেৱ বৈশ্যকে ধৰি ৩৫ গৰাকীয়ে ভাৰতীয় জনতা পাৰ্টীত যোগদান কৰে। স্থানীয় পঞ্চায়তৰ নিৰ্বাচনী সমিতিৰ সাধাৰণ সম্পাদক ৰবেন বৈশ্যই আঁত ধৰা যোগদান সভাত বৰক্ষেত্ৰী সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা অসম বিজেপিৰ সহকাৰী কোষাধ্যক্ষ নাৰায়ন ডেকা উপস্থিত থাকি কংগ্ৰেছ আৰু অজাপৰ নেতা-কৰ্মীসকলক গলবস্ত্ৰ আৰু টুপী পিন্ধাই দললৈ আদৰণি জনায়। সভাত নাৰায়ন ডেকাই ভাষণ প্ৰদান কৰি কয় যে "জাতি আৰু সনাতনী সংস্কৃতিৰ প্ৰতি প্ৰেম থকা ব্যক্তিয়ে কংগ্ৰেছ কৰিব নোৱাৰে। বিকাশ আৰু উন্নয়নৰ স্বাৰ্থত বিজেপিক ভোট দিয়াৰ বাহিৰে বিকল্প নাই বুলি মন্তব্য কৰি" হিমন্ত বিশ্ব শৰ্মা অবিহনে অসমীয়া জাতি সুৰক্ষিত নহয় বুলিও কয় নাৰায়ন ডেকাই। যোগদান সভাত বৰক্ষেত্ৰী সমষ্টিৰ প্ৰভাৰী দিলজিৎ বৰ্মন, পশ্চিম বৰক্ষেত্ৰী ধৰ্মপুৰ মণ্ডল বিজেপিৰ সভাপতি ৰাজু ডেকা, মণ্ডল বিজেপিৰ উপ সভাপতি ববিতা বৈশ্য, মণ্ডল বিজেপিৰ সাধাৰণ সম্পাদক ক্ৰমে মিণ্টু দত্ত, বুদ্ধদেৱ দাস, ৫৭নং দৌলাশাল-ৰামপুৰ গাঁও পঞ্চায়তৰ সভানেত্ৰী নিশামনি মেধি, স্থানীয় পঞ্চায়তৰ আঞ্চলিক সদস্য কামেশ্বৰ নাথকে প্ৰমুখ্য কৰি ভাৰতীয় জনতা পাৰ্টীৰ শতাধিক কৰ্মকৰ্তা উপস্থিত থাকে। নিশা ৫৮নং মুগদি গাঁও পঞ্চায়তৰ অন্তৰ্গত দমদমা গাঁৱত অনুষ্ঠিত যোগদান সভা কংগ্ৰেছৰ কেইবাগৰাকী কৰ্মীয়ে নাৰায়ন ডেকাৰ উপস্থিতিত বিজেপিত যোগদান কৰে।

# এক লাখ গামোচা বনাই অভিলেখ সাতসৰী উন্নয়ন সন্থাৰ

**অসম বাৰ্তা, মঙলদৈ, ১২ মাৰ্চ ঃ** অসমীয়া সমাজত নাৰীৰ সামাজিক, মানসিক আৰু আৰ্থিক দিশ সবলীকৰণৰ বাবে সাতসৰী সামাজিক সাংস্কৃতিক উন্নয়ন সন্থাই যোৱা ২৫ বছৰে কাম কৰি আহিছে। এই বেলী সদস্য মহিলাসকলৰ জৰিয়তে এক লাখ বনোৱা হৈছে। এইদৰে কয় সন্থাৰ প্ৰতিষ্ঠাপক সভানেত্ৰী তথা মুখ্য আহ্বায়ক ড° মন্দিৰা বৰুৱাই। আজি মঙলদৈ প্ৰেছক্লাবত অনুষ্ঠিত সন্থাৰ মঙলদৈ শাখাৰ এখন সাধাৰণ সভাত অংশগ্ৰহণ কৰি ড° বৰুৱাই কয় যে এই এক লাখ গামোচা মাজুলী শাখাই বনাইছে। আমি বহিৰাগত গামোচা বন্ধ কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰি আহিছোঁ আৰু আমাৰ অসমীয়া মহিলাসকলৰ জৰিয়তে এই গামোচা বোৱাৰ পদক্ষেপ গ্ৰহণ কৰিছোঁ। তেওঁ কয়, ভাৰতীয় নাৰীৰ সংস্কাৰ আছে আৰু সংস্কাৰৰ মাজেৰেই আমি সমাজখন আগুৱাই নিব লাগিব। এই বছৰ ১৫ বিঘা ভূমিত ব্ৰকলীৰ খেতি কৰি যথেষ্ট উপকৃত হোৱা বুলিও সভাত বক্তব্য আগবঢ়ায়। সুলেখিকা মহাশ্বেতা দেৱীয়ে আঁত ধৰা সভাত সন্থাৰ কাৰ্যবাহী সদস্য অৱসৰী অধ্যক্ষ ৰীতা হাজৰিকাই মহিলা সবলীকৰণ সম্পৰ্কে বক্তব্য আগবঢ়ায়। উক্ত সভাত জ্যেষ্ঠ সাংবাদিক তথা অসম বাৰ্তাজীৱী সংঘৰ নৱ-নিৰ্বাচিত উপদেষ্টা মুকুট ৰাজ শৰ্মা, মঙলদৈ প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক লক্ষ্মীনন্দন কলিতা, প্ৰাক্তন আছু নেতা অৰূপ কলিতাই অতিথি হিচাপে বক্তব্য আগবঢ়ায়। আজিৰ সভাতে মঙলদৈ শাখা গঠন কৰা হয়। মহাশ্বেতা দেৱীক সভানেত্ৰী আৰু পিংকুমণি হাজৰিকাক সম্পাদিকা হিচাপে লৈ ২০জনীয়া সমিতি গঠন কৰা হয়।

# ১৪ আৰু ১৫ মাৰ্চত অসম-অৰুণাচল প্ৰদেশ সীমান্তত অনুষ্ঠিত হ'ব 'মৰাণ সাহিত্য সন্মিলন, ২০২৬'

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ১২ মাৰ্চ ঃ** অহা ১৪ আৰু ১৫ মাৰ্চ তাৰিখে তিনিচুকীয়া জিলাৰ অসম-অৰুণাচল প্ৰদেশ সীমান্তৱৰ্তী সোণজান গাঁৱৰ ৰাজহুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব 'মৰাণ সাহিত্য সন্মিলন, ২০২৬'। উল্লেখ্য যে, ঐতিহাসিক কালৰে পৰা অসমৰ সৌমাৰখণ্ডত বসবাস কৰি অহা অসমৰ খিলঞ্জীয়া জাতি-জনগোষ্ঠীসমূহৰ ভিতৰত অন্যতম মৰাণসকল সাংস্কৃতিকভাৱে অতি চহকী। স্বকীয় কলা-সংস্কৃতি আৰু লোক সাহিত্যৰ বিপুল সম্ভাৰেৰে সমৃদ্ধ মৰাণ জনগোষ্ঠীৰ মাজত এসময়ত এক স্বকীয় লোকভাষাৰো প্ৰচলন আছিল। বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত প্ৰত্যক্ষ বৰঙনি আগবঢ়োৱা মৰাণসকলে নিজৰ সুৱদী সুৰীয়া ভাষাটোক পৰিহাৰ কৰি ভাষাটোক সৰ্বজনীনতা প্ৰদান কৰিবলৈও কুণ্ঠাবোধ কৰা নাছিল। এক কথাত অসমীয়া ভাষা গঠন প্ৰক্ৰিয়াতো মৰাণ ভাষাই আটাইতকৈ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিলে। লোক সাহিত্যৰ মেটমৰা সম্ভাৰেৰে সমৃদ্ধ মৰাণ ভাষা-সাহিত্যক পুনৰ প্ৰতিষ্ঠা তথা সংৰক্ষণ আৰু সংবৰ্দ্ধনৰ উদ্দেশ্যে ২০১২ চনত প্ৰতিষ্ঠা লাভ কৰা 'মৰাণ সাহিত্য সভা'ই জনগোষ্ঠীৰ লোকভাষা আৰু লোক সাহিত্যৰ সমৃদ্ধি আৰু সংবৰ্দ্ধনৰ উদ্দেশ্যে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। এনে কাৰ্যসূচীসমূহৰ অংশ হিচাপে জনগোষ্ঠীটোৰ লেখক, সাংবাদিক তথা শিল্পীসকলক সংগঠিত কৰি এক সুস্থিৰ সাহিত্যিক বাতাবৰণ সৃষ্টি কৰাৰ উদ্দেশ্যে মৰাণ সাহিত্য সভাৰ কেন্দ্ৰীয় সমিতিৰ উদ্যোগত, মৰাণ সাহিত্য সভাৰ পূৰ্বাঞ্চল শাখা সমিতিৰ আতিথ্যত তথা সোণজান যুৱক সংঘ, সোণজান মহিলা সমিতি আৰু সোণজান গাঁও পৰিচালনা সমিতি তথা সোণজানবাসীৰ সহযোগত অহা ১৪ আৰু ১৫ মাৰ্চ তাৰিখে 'মৰাণ সাহিত্য সন্মিলন, ২০২৬' ৰ আয়োজন কৰিছে। অনুষ্ঠানটো সুচাৰুৰূপে পৰিচালনা কৰিবলৈ নৰেশ্বৰ শইকীয়াক সভাপতি, কান্তেশ্বৰ মৰাণক কাৰ্যকৰী সভাপতি আৰু জিতু কুমাৰ মৰাণক সাধাৰণ সম্পাদক হিচাপে লৈ গঠন কৰি দিয়া আদৰণি সমিতিয়ে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। কাৰ্যসূচী অনুসৰি, প্ৰথম দিনা পুৱা ক্ষেত্ৰ উদ্বোধন কৰিব বৰডিৰাক মায়ামৰা টিপুক সত্ৰৰ সত্ৰাধিকাৰ কেশীনাথ মহন্তই। তাৰ পাছতেই পতাকা উত্তোলন আৰু স্মৃতি তৰ্পণ কাৰ্যসূচীদুটি সম্পন্ন কৰিব মৰাণ সাহিত্য সভাৰ সভাপতি আৰু মুখ্য সম্পাদক ক্ৰমে ৰবীন মৰাণ আৰু মৃদুল দহোটীয়াই। তাৰ পাছতেই আৰম্ভ হ'ব বিভিন্ন প্ৰতিযোগিতা। প্ৰতিযোগিতা উদ্বোধন কৰিব কাকপথাৰৰ জ্যেষ্ঠ চিকিৎসক ডাঃ প্ৰণৱ দত্তই। প্ৰতিযোগিতাসমূহৰ ভিতৰত ৰচনা, চিত্ৰাংকন, মৰাণ ভাষাৰ কবিতা আবৃত্তি, মৰাণ ভাষাৰ বক্তৃতা, প্ৰাচীৰ পত্ৰিকা, ১০০ মিটাৰ দৌৰ, ৪০০ মিটাৰ দৌৰ, মিউজিকেল চেয়াৰ, ৰচী টনা আদি অন্যতম। গ্ৰন্থমেলাৰ দ্বাৰ উন্মোচন কৰিব বৰডিৰাক মায়ামৰা সোণালী সত্ৰৰ সত্ৰাধিকাৰ শিৱনাথ মহন্তই। বিয়লি দুই বজাত অনুষ্ঠিত হ'ব মৰাণ লেখক আৰু সাংবাদিক সমাৰোহ আৰু গ্ৰন্থ উন্মোচনী সভা। মৰাণ সাহিত্য সভাৰ সভাপতি তথা বিশিষ্ট সাংবাদিক ৰবীন মৰাণৰ সঞ্চালনাত অনুষ্ঠিত হ'ব লগা সভাখন উদ্বোধন কৰিব অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক মোহন মৰাণে। অনুষ্ঠানত নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰিব মৰাণ সাহিত্য সভাৰ উপদেষ্টা তৰুণ বৰুৱা মৰাণে। আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকিব বিশিষ্ট বুৰঞ্জীবিদ তথা সাহিত্যিক পেঞ্চনাৰ শ্ৰীকুমাৰ দহোটীয়া, সাহিত্যিক পেঞ্চনাৰ যতীন মৰাণ, নগাঁৱৰ আনন্দৰাম ঢেকীয়াল ফুকন মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° জলীন প্ৰকাশ চেতিয়া। সন্মানীয় অতিথি হিচাপে থাকিব অসম মৰাণ সভাৰ সাধাৰণ সম্পাদক বিতুপন মৰাণ, সদৌ মৰাণ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক জয়কান্ত মৰাণ, মৰাণ জাতীয় মহিলা পৰিষদৰ সম্পাদিকা ৰুণজুন মৰাণ, মৰাণ কলা-সংস্কৃতিক বিকাশ কেন্দ্ৰৰ সম্পাদিকা ৰুণু মৰাণ চাউৰক আৰু মৰাণ কৰ্মচাৰী শৈক্ষিক বিকাশ মঞ্চৰ সম্পাদক জ্ঞান বৰুৱা। পিছদিনা তৰ্ক, মৰাণ লগ বিহু, ভেশচন আদি প্ৰতিযোগিতা সম্পন্ন হোৱাৰ পাছতেই বিয়লি ২-৩০ বজাত অনুষ্ঠিত হ'ব মুকলি সভা। মৰাণ সাহিত্য সভাৰ সভাপতি ৰবীন মৰাণৰ পৌৰোহিত্যত অনুষ্ঠিতব্য মুকলি সভাত গ্ৰন্থ উন্মোচন, শিল্পী সম্বৰ্ধনা আৰু বঁটা বিতৰণ কৰা হ'ব। নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰিব মৰাণ সাহিত্য সভাৰ উপদেষ্টা তথা ফিল'বাৰীৰ শ্ৰীশ্ৰী মায়ামৰা দ্বাৰকা সত্ৰৰ সত্ৰাধিকাৰ হৰকান্ত মহন্তই। আমন্ত্ৰিত অতিথি হিচাপে থাকিব লোক সংস্কৃতিবিদ তথা মৰাণ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° অনিল শইকীয়া, বিশিষ্ট সাহিত্যিক জুৰি বুঢ়াগোহাঁই, ৰুমী লস্কৰ বৰা, দিপ্তী দত্ত কলিতা, তিনিচুকীয়াৰ সহকাৰী আয়ুক্ত ৰুণজুন বড়া। সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব মটক সাহিত্য পৰিষদৰ সভাপতি তৰুণ গগৈ, সোণোৱাল-কছাৰী সাহিত্য সভাৰ সভাপতি মোহন সোণোৱাল, দেউৰী সাহিত্য সভাৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি উমাকান্ত দেউৰী, অসম মৰাণ সভাৰ সভাপতি ৰাজীৱ বড়া, সদৌ মৰাণ ছাত্ৰ সন্থাৰ সভাপতি পলীন্দ্ৰ বড়া, মৰাণ জাতীয় মহিলা পৰিষদৰ সভানেত্ৰী দীপা শইকীয়া বড়া, মৰাণ কলা-সংস্কৃতি বিকাশ কেন্দ্ৰৰ সভাপতি লম্বেশ্বৰ মৰাণ, মৰাণ কৰ্মচাৰী শৈক্ষিক বিকাশ মঞ্চৰ সভাপতি ভাৰ্গৱ মৰাণ আদি। বিশেষ সম্বৰ্ধনাৰ বাবে আমন্ত্ৰিত বিশিষ্ট শিল্পীসকল হ'ল - প্ৰদীপ দহোটীয়া, বীৰেন বড়া, দ্ৰোণকান্ত মৰাণ, ভোগেন বড়া, নীলাক্ষী নেওগ, ৰাকেশ ৰিয়ান, ৰুণু মৰাণ চাউৰক, প্ৰিয়ংকা মৰাণ, বিক্ৰম চাউৰক, ইন্দ্ৰজিৎ দুলীয়া আদি। মৰাণ সাহিত্য সভা আৰু আদৰণি সমিতিয়ে সকলো শ্ৰেণীৰ ৰাইজৰে উপস্থিতি কামনা কৰিছে।

**২ বছৰ কাৰাদণ্ড আৰু ৬০ হাজাৰ টকা জৰিমনা অনাদায়ে আৰু এমাহৰ অতিৰিক্ত কাৰাদণ্ডৰ ৰায়দান**

# মাজুলীত অবৈধ সুৰা ব্যৱসায়ীৰ বিৰুদ্ধে মুখ্য ন্যায়িক দণ্ডাধীশ আদালতৰ ঐতিহাসিক ৰায়দান

**অসম বাৰ্তা, উজনী মাজুলী, ১২ মাৰ্চ ঃ** সত্ৰভূমি হিচাপে পৰিচিত মাজুলীত অবৈধ সুৰাৰ বেহা চলোৱা এজন ব্যক্তিৰ বিৰুদ্ধে মাজুলী জিলা মুখ্য ন্যায়িক দণ্ডাধীশ সিদ্ধাৰ্থ শংকৰ শৰ্মা, অসম ন্যায়িক সেৱা, আদালতে আজি এক ঐতিহাসিক ৰায়দান প্ৰদান কৰে। উল্লেখযোগ্য যে ২০২৪ চনৰ চেপ্তেম্বৰ মাহত ধাপাক গাঁৱত মাজুলী আৰক্ষী থানাৰ আৰক্ষী বিষয়া ঋতুপৰ্ণ গগৈৰ নেতৃত্বত যোৱা আৰক্ষীৰ এটা দলে অবৈধ সুৰাৰ বিৰুদ্ধে অভিযান চলাই অনন্ত ৰেগন ওৰফে ভীম ৰেগনক আটক কৰিছিল। ইয়াৰ পাছতে মাজুলী আৰক্ষী থানাই ২০২৪ চনৰ ২৫ চেপ্তেম্বৰত ৩৭/২৪ নম্বৰৰ এক গোচৰ ৰুজু কৰে। গোচৰটো ভাৰতীয় ন্যায় সংহিতা (BNS)ৰ ধাৰা ১১২(২) আৰু অসম আবকাৰী আইন ২০১৮ৰ অধীনত ৰুজু কৰা হৈছিল। গোচৰটোৰ সেই সময়ৰ তদন্তকাৰী বিষয়া আছিল মহিলা আৰক্ষী বিষয়া মুন শইকীয়া। দীৰ্ঘ তদন্ত আৰু শুনানিৰ অন্তত আদালতে গোচৰটোত মুঠ ৯ গৰাকী সাক্ষীৰ সাক্ষ্য গ্ৰহণ কৰে। চৰকাৰী পক্ষৰ অধিবক্তা ফিৰোজ পেগুৱে সকলো দিশ সামৰি আদালতত শক্তিশালী যুক্তি দাঙি ধৰাৰ পাছতে মাজুলী জিলা মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতে আজি চূড়ান্ত ৰায়দান প্ৰদান কৰে। আদালতে অসম আবকাৰী (সংশোধনী) আইন ২০১৮ৰ ধাৰা ৫৩(১)(ক) আৰু ৫৪ অনুসৰি অনন্ত ৰেগন ওৰফে ভীম ৰেগনক দোষী সাব্যস্ত কৰি ২ বছৰ সাধাৰণ কাৰাদণ্ড আৰু ১০ হাজাৰ টকা জৰিমনা বিহে। ইয়াৰ লগতে আবকাৰী (সংশোধনী) আইন অনুসৰি আৰু ৫০ হাজাৰ টকাৰ জৰিমনা বিহা হয়। আদালতে লগতে উল্লেখ কৰে যে জৰিমনা অনাদায়ে দোষীয়ে পুনৰ এমাহৰ অতিৰিক্ত কাৰাদণ্ড ভোগ কৰিব লাগিব। আনহাতে চৰকাৰী পক্ষৰ অধিবক্তা ফিৰোজ পেগুৱে মন্তব্য কৰি কয় যে আমাৰ নব প্ৰজন্মক সুৰাৰ কৰাল গ্ৰাসৰ পৰা ৰক্ষা কৰাটো সকলোৰে দায়িত্ব। নব প্ৰজন্মক সুৰাৰ অন্ধকাৰ জগতখনলৈ যোৱাৰ পৰা ৰক্ষা কৰিবলৈ আমি প্ৰতিমুহূৰ্ততে সজাগ আৰু সচেতন হৈ থাকিব লাগিব। সত্ৰভূমি হিচাপে পৰিচিত মাজুলীৰ বিভিন্ন স্থানত চলি থকা অবৈধ সুৰাৰ ব্যৱসায়ৰ সৈতে জড়িত ব্যক্তিসকলে এই ব্যৱসায় ত্যাগ কৰি সঠিক পথলৈ ঘূৰি আহিব লাগে বুলি মন্তব্য কৰে।

# নিষিদ্ধ ড্ৰাগছসহ এগৰাকী অৰুণাচলী মহিলা আটক

**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ১২ মাৰ্চ ঃ** মাৰ্ঘেৰিটা সমজিলাৰ জাগুনত কালি সন্ধিয়া ভাগত নিষিদ্ধ ড্ৰাগছ সহ এগৰাকী অৰুণাচলী মহিলাক আটক কৰে আৰক্ষীয়ে। স্থানীয় ৰাইজৰ তপৰতাত মহিলা গৰাকীক ৭ গ্ৰাম নিষিদ্ধ ড্ৰাগছ সহ অসম অৰুণাচল সীমান্তৰ তিনিচুকীয়া জিলাৰ জাগুন ঘাটত জাগুন আৰক্ষীয়ে আটক কৰে। ধৃত মহিলা গৰাকীয়ে নিজকে অৰুণাচল প্ৰদেশৰ লোহিত জিলাৰ ইম্ফুমৰ বুলি জানিব দিয়ে। নিষিদ্ধ ড্ৰাগছ সহ আৰক্ষীৰ হাতত আটক হোৱা মহিলা গৰাকীৰ নাম আনুলিম। উল্লেখ্য যে ধৃত মহিলা গৰাকীয়ে প্ৰায়ে জাগুন ঘাটেৰে সন্দেহজনক অৱস্থাত অহা যোৱা কৰা স্থানীয় ৰাইজে প্ৰত্যক্ষ কৰি আহিছিল। যাৰ বাবে স্থানীয় লোকে মহিলা গৰাকীৰ গতিবিধিৰ ওপৰত অনুসন্ধান মূলক দৃষ্টি ৰাখে। এনে পৰিপ্ৰেক্ষিততে ৰাইজে বুধবাৰে সন্ধিয়া জাগুন পাৰঘাটত মহিলা গৰাকীক সন্দেহ জনক অৱস্থাত প্ৰত্যক্ষ কৰাত মহিলা গৰাকীৰ সন্দৰ্ভত জাগুন আৰক্ষীক খবৰ দিয়ে। তৎমুহূৰ্ততে ঘটনা স্থলীত জাগুন আৰক্ষী উপস্থিত হৈ মহিলা গৰাকীক নিষিদ্ধ ড্ৰাগছ সহ আটক কৰে। নিষিদ্ধ ড্ৰাগছ সহ আৰক্ষীৰ হাতত হাতে লোটে কৰায়ত্ত হোৱা মহিলা গৰাকীয়ে নিষিদ্ধ ড্ৰাগছখিনি লিডুৰ অনিল মূড়াৰ পৰা বিছা খেৰেমলৈ নিব লৈছিল বুলি স্বীকাৰোক্তি প্ৰদান কৰে।

**উদুলি-মুদুলি সমগ্ৰ কৰতিপাৰ অঞ্চল; সাংস্কৃতিক শোভাযাত্ৰাৰে আদৰিলে ৰজাঘৰীয়া বিষয়ববীয়াসকলক**

# ঐতিহ্য আৰু পৰম্পৰা ৰক্ষা কৰি নামনি মাজুলীৰ চিৰামপুৰীয়াত পঃৰাগ উৎসৱ আৰম্ভ

**অসম বাৰ্তা, উজনী মাজুলী, ১২ মাৰ্চ ঃ** মিচিং জনগোষ্ঠীৰ পৰম্পৰাগত সমন্বয় আৰু ধৰ্মীয় লোক উৎসৱ মাজুলী জিলাৰ নামনি মাজুলীৰ কৰতিপাৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত চিৰাম পুৰীয়া গাঁৱত আজিৰ পৰা আৰম্ভ হৈছে। বিস্তৃত কাৰ্যসূচীৰে আজিৰে পৰা পাঁচ দিনীয়াকৈ মিচিং জনগোষ্ঠীৰ পৰম্পৰাগত উক্ত লোক উৎসৱ পঃৰাগ আজি ধৰ্মীয় ৰীতি-নীতি আৰু পৰম্পৰাৰে আৰম্ভ হৈছে। সমন্বয় আৰু সম্প্ৰীতিৰ বাৰ্তা লৈ আৰম্ভ হোৱা উক্ত পঃৰাগ উৎসৱত সম্বন্ধীয় লোকসকলে ভিৰ কৰিছে। চিৰামপৰীয়া পঃৰাগ উৎসৱ থলী আজি গুমৰাগ নৃত্যৰে মুখৰিত হৈ পৰিছে। আজিৰ পৰা ১৫ মাৰ্চলৈ চিৰামপুৰীয়া মুৰংঘৰ লত্তাত উক্ত পঃৰাগ উৎসৱ পাঁচ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। উক্ত, পঃৰাগ উৎসৱত আজি পুৱা পৰিৱেশ নিকাকৰণ, গছপুলি ৰোপণৰ পাছত পতাকা উত্তোলন কৰে উদযাপন সমিতিৰ সভাপতি বীনকান্ত দলেয়ে। তাৰপিছত অন্তৰংগ আলাপ অনুষ্ঠান অনুষ্ঠিত হ'ব। দুপৰীয়া পঃৰাগ উৎসৱৰ মূল বিষয় ববীয়া সকলক আনুষ্ঠানিকভাৱে মুৰংঘৰলৈ শোভাযাত্ৰা কৰি আদৰি অনা হয়। মিচিং জনগোষ্ঠীৰ পৰম্পৰাগত উপাস্য দেৱতা চন্দ্ৰ সূৰ্যক পূজা কৰি ৰজাঘৰীয়া বিষয়ববীয়াসকলক আদৰণী জনায়। উক্ত, আদৰণী অনুষ্ঠানত কেইবাশতাধিক লোকে অংশগ্ৰহণ কৰি সাংস্কৃতিক শোভাযাত্ৰাৰে মিগম বৰাকে মুখ্য কৰি সকলো ৰজাঘৰীয়া বিষয়ববীয়াসকলক আনুষ্ঠানিকভাৱে আদৰণী জনায়। মুৰংঘৰত ৰজাঘৰীয়া বিষয়ববীয়াসকলক বহুৱাই সকলো ৰাইজে সমূহীয়াকৈ নৃত্য প্ৰদৰ্শন কৰে। বিয়লি আহাৰ গ্ৰহণৰ পিছত কুলি চাপৰি গাঁৱৰ সাংস্কৃতিক মিনম দলক আদৰণী জনোৱা হয় আৰু উক্ত, সাংস্কৃতিক দলে বহু সময় কৃষ্টি প্ৰদৰ্শন কৰে। আজি সন্ধিয়া বন্তি প্ৰজ্বলনৰ পাছতে স্থানীয় শিল্পীসকলে সাংস্কৃতিক অনুষ্ঠান ৰূপায়ণ কৰে। পঃৰাগ উৎসৱৰ দ্বিতীয় দিনা কাইলৈ -১২ মাৰ্চত পৰিৱেশ নিকাকৰণৰ পাছত এগ মান্নাম আৰু গুমৰাগ নৃত্য প্ৰদৰ্শন কৰা হ'ব। তাৰপিছত গাঁৱৰ জী-জোঁৱাই সকলৰ সেৱা গ্ৰহণৰ পিছত পঃৰাগ উৎসৱৰ স্মৃতি গ্ৰন্থ উন্মোচন কৰিব ৰঙাচাহী মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড° দুৰ্লভ পেগুয়ে। তাৰপিছত আমন্ত্ৰণ জনোৱা কৃষ্টি দল ওখল চুক আৰু মহৰিচুক কৃষ্টি দলে সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰিব। দুপৰীয়া বৃহৎ মুকলি সভা অনুষ্ঠিত হ'ব। সেইদিনা আমন্ত্ৰিত কৃষ্টি দলক বিদায় জনোৱাৰ পিছত সন্ধিয়া বৰ্ণাঢ্য সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত হ'ব। উক্ত সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব পূৱ ডিব্ৰুং মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক কমল মিলিয়ে। উক্ত, সাংস্কৃতিক সন্ধিয়াত শিল্পী ৰিয়ান ৰাজ আৰু অৱনী মিলিয়ে গীত পৰিৱেশন কৰিব। ১৩ মাৰ্চত পুৱা এগ মান্নাম আৰু গাঁৱৰ জীয়ৰী আৰু জোঁৱাই-সকলৰ অনুষ্ঠান, কৃষ্টি দলৰ সাংস্কৃতিক অনুষ্ঠান, মিনম অঃপেক বিদায় অনুষ্ঠান আৰু সন্ধিয়ালৈ স্থানীয় শিল্পীসকলে সাংস্কৃতিক অনুষ্ঠান ৰূপায়ণ কৰিব। ১৪ মাৰ্চত পুৱা এগ মান্নাম আৰু গাঁৱৰ বোৱাৰীসকলৰ অনুষ্ঠান, গাঁৱৰ বয়োজ্যেষ্ঠসকলৰ লগত প্ৰীতি ভোজ আৰু সন্ধিয়া স্থানীয় শিল্পীসকলে সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰিব। ১৫ মাৰ্চত এগ মান্নাম আৰু ৰজাঘৰীয়া বিষয়ববীয়াসকলৰ প্ৰীতি ভোজ আৰু ৰজাঘৰীয়া বিষয়ববীয়াসকলৰ বিদায় পৰ্ব অনুষ্ঠিত হ'ব। সেইদিনা সন্ধিয়া সামূহিক বন্তি প্ৰজ্বলনেৰে পাঁচ দিনীয়া পঃ াগ উৎসৱৰ সামৰণী পৰিব। উক্ত, পঃৰাগ উৎসৱৰ সুদৃশ্য মূল আদৰণী তোৰণ, মুৰং ঘৰ আদিয়ে সকলোকে মুগ্ধ কৰিছে। সমগ্ৰ কৰিতিপাৰ অঞ্চলটো উক্ত পঃৰাগ উৎসৱৰ বাবে উৎসৱ মুখৰ হৈ পৰিছে।

# শিমলুগুৰি লোনপুৰীয়া বিষ্ণুপুৰ নামঘৰৰ শতবৰ্ষ অনুষ্ঠান

**অসম বাৰ্তা, নাজিৰা, ১২ মাৰ্চ ঃ** অসমীয়া জাতিৰ প্ৰাণ প্ৰতিষ্ঠাতা, এক শৰণ নাম ধৰ্মৰ প্ৰৱৰ্তক, জগত গুৰু শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাই অনৈক্যৰ মাজত ঐক্যৰ ভেটি স্থাপন কৰি অসমৰ প্ৰান্তে প্ৰান্তে নামঘৰ প্ৰতিষ্ঠা কৰি জাতি, ধৰ্ম নিৰ্বিশেষে অসমীয়া জাতি গঠনত যি অহোপুৰুষাৰ্থ কৰিছিল সেয়া অপৰিসীম। নামঘৰে আধ্যাত্মিক চিন্তা-চৰ্চা, ৰীতি-নীতি, কৃষ্টি-সংস্কৃতি, ধৰ্মীয় পৰম্পৰা ৰক্ষা কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। গুৰুজনাৰ এই অনুপম সৃষ্টিৰ আধ্যাত্মিক দিক দৰ্শনৰ তত্ত্ব হৃদয়ঙ্গম কৰি কেইগৰাকীমান স্বনামধন্য ব্যক্তিৰ আশাশুধীয়া প্ৰচেষ্টাত নাজিৰা সম জিলাৰ শিমলুগুৰিৰৰ শিলাকুটি মৌজাৰ লোনপুৰীয়া বিষুওপুৰ নামঘৰভাগি প্ৰতিষ্ঠা কৰিছিল। এই লোণপুৰীয়া বিষুওপুৰ নামঘৰভাগীয়ে শতবৰ্ষ অতিক্ৰম কৰাত অহা ২৬ মাৰ্চৰ পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে লোনপুৰীয়া বিষুওপুৰ নামঘৰৰ শতবৰ্ষ উদযাপনৰ প্ৰস্তুতি চলোৱা হৈছে। এই উদ্যশ্যে ভৈৰৱ দত্তক সভাপতি, মহেন্দ্ৰ নাথক কাৰ্যকৰী সভাপতি আৰু মনোজ দত্তক সম্পাদক হিচাপে লৈ এখনি উদযাপন সমিতি গঠন কৰা হৈছে। লোনপুৰীয়া বিষুওপুৰ নামঘৰ প্ৰাংগনত আয়োজন কৰিবলৈ লোৱা নামঘৰভাগিৰ শতবৰ্ষ অনুষ্ঠানৰ প্ৰথম দিনা ২৬ মাৰ্চত ধৰ্মধ্ৱজা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব নামঘৰ পৰিচালনা সমিতিৰ সভাপতি পৰমানন্দ শইকীয়া আৰু শতবৰ্ষ উদ্‌যাপন সমিতিৰ সভাপতি ভৈৰৱ দত্তই। ইয়াৰ পিছতে স্মৃতি তৰ্পন কাৰ্যসূচী ৰূপায়ন কৰিব কাৰ্যকৰী সভাপতি মহেন্দ্ৰ নাথ আৰু মনোজ দত্তই। একেদিনাই গছপুলি ৰোপণ, নামপ্ৰসংগ ৰ পাছতে এক বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। শোভাযাত্ৰা ডিমৌ সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁইয়ে উদ্বোধন কৰিব। সন্ধিয়া দিহানাম পৰিবেশন আৰু সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব সমাজকৰ্মী অজয় গগৈয়ে। অনুষ্ঠানত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ সভাপতি পলাশ চাংমাই বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব। দিহাসম্ৰাট কমলা গগৈয়ে অনুষ্ঠান পৰিৱেশন কৰিব। কাৰ্যসূচীৰ দ্বিতীয় দিনা নামপ্ৰসংগ ৰ পাছতে ধৰ্মালোচনী সভা অনুষ্ঠিত হ'ব। অসম নামঘৰ মহাসভাৰ মুখ্য সাংস্কৃতিক সম্পাদক অজয় বৰুৱাই উদ্বোধন কৰিবলগীয়া ধৰ্মালোচনী সভাখনি সঞ্চালনা কৰিব প্ৰাক্তন অধ্যাপক তুলসী শেনচোৱাই। অনুষ্ঠানত আধ্যাত্মিক যুৱ সন্মিলনৰ কাৰ্যকৰী সভাপতি মন ৰাজগুৰু আৰু একশৰণ ভাগৱতী সমাজৰ প্ৰাক্তন প্ৰচাৰক দেৱ কুমাৰ দাস আলোচক হিচাপে উপস্থিত থাকিব। সন্ধ্যা অনুষ্ঠানৰ লগত সংগতি ৰাখি প্ৰকাশ পাবলগীয়া স্মৃতিগ্ৰন্থ উন্মোচন কৰিব সোণাৰী সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে। স্থানীয় শিল্পী সকলৰ দ্বাৰা পৰিৱেশিত হ'বলগীয়া "একলব্য গুৰু দক্ষিণা" ভাওনাভাগিৰ খলা উদ্বোধন কৰিব কেবিনেট মন্ত্ৰী যোগেন মহনে। অনুষ্ঠানত সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সমীৰণ ফুকন বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব। কাৰ্যসূচীৰ অন্তিম দিনা ভাগৱত ব্যাখ্যা অনুষ্ঠান আৰম্ভ হ'ব। সমাজকৰ্মী ভৱানন্দ বড়াই উদ্বোধন কৰিবলগীয়া ভাগৱত ব্যাখ্যা অনুষ্ঠানত ব্যাখ্যাকৰক মাধুৰ্য বৰা আৰু অৰূপ শইকীয়া উপস্থিত থাকিব। পাঠেকী হিচাপে উপস্থিত থাকিব অশ্বিনী শইকীয়া। অনুষ্ঠানভাগি সঞ্চালনা কৰিব আউনীআটি সত্ৰৰ ডেকা সত্ৰাধিকাৰ দেৱানন্দ গোস্বামীই। সন্ধ্যা বেতবাৰী শিল্পীসকলৰ দ্বাৰা 'হৰিচন্দ্ৰ উপাখ্যান' ভাওনা প্ৰদৰ্শন কৰা হ'ব। টাইআহোম উন্নয়ন পৰিষদৰ অধ্যক্ষ ময়ূৰ বৰগোহাঁইয়ে উদ্বোধনা কৰিবলগীয়া ভাওনাৰ খলা উদ্বোধনী অনুষ্ঠানত সদৌ তাই আহোম ছাত্ৰ সন্থাৰ সভাপতি বসন্ত গগৈ বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব। কেওটা দিনত ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতি একান্তই কামনা কৰিছে উদযাপন সমিতিয়ে।

# লক্ষাধিক লোকৰ উপস্থিতিত আধ্যাত্মিক গুৰু পীৰে কামিল মৌলানা শ্বেখ গোলাম ৰব্বাণীৰ জানাজা সম্পন্ন



**অসম বাৰ্তা, মোৰাঝাৰ, ১২ মাৰ্চ ঃ** লাখ-লাখ গুণমুগ্ধৰ উপস্থিতিত 'চপুৰ্দে খাক' কৰা হল আধ্যাত্মিক গুৰু শ্বেখ গোলাম ৰব্বাণী চাহাবক। ১০ মাৰ্চত অগণন গুণমুগ্ধক কন্দুৱাই ইহ সংসাৰ ত্যাগ কৰা পীৰে কামিল শ্বেখ গোলাম ৰব্বাণী চাহাবক আজি দিনৰ দুই বজাত তেওঁৰ নিজ গাওঁ যমুনা গাঁৱৰ পথাৰত অন্তিম জানাজাৰ নামাজ সম্পন্ন কৰি তেওঁৰ নামতে স্থাপিত শ্বেখ গোলাম ৰব্বাণী জামে মছজিদ চৌহদৰ কবৰস্থানত সমাধিস্থ কৰা হয়। ১১৬ বছৰ বয়সত পীৰে কামিল, বিশিষ্ট ইছলামিক পণ্ডিত আৰু আধ্যাত্মিক গুৰু হজৰত মৌলানা শ্বেখ গোলাম ৰব্বাণীয়ে যোৱা ১০ মাৰ্চত যমুনা গাঁৱৰ নিজ বাসগৃহত শেষ নিশ্বাস ত্যাগ কৰিছিল। আজি দিনৰ দুই বজাত লক্ষাধিত লোকৰ উপস্থিতিত তেওঁৰ জানাজাৰ নামাজ সম্পন্ন কৰা হয়। ১৯১০ চনত জন্ম গ্ৰহণ কৰা গোলাম ৰব্বাণী চাহাবে প্ৰাথমিক শিক্ষা নিজ ঘৰতে সম্পন্ন কৰি উচ্চ শিক্ষাৰ বাবে তেওঁ সেই সময়ৰ এছিয়াৰ বিখ্যাত উত্তৰপ্ৰদেশৰ দাৰুল উলুম দেওবন্দ মাদ্ৰাছাত নাম ভৰ্তি কৰে। তাৰ পৰা হাদীছ, ফেকাহ শাস্ত্ৰকে ধৰি অন্যান্য ইছলামী বিষয়ত জ্ঞান অৰ্জন কৰি মাতৃভূমি অসমলৈ ঢাপলি মেলে। অসমত উভতি আহি তেওঁ ১৯৫০ চনত এশ্বাতুল ইছলাম বৌৱাৰপাৰ মাদ্ৰাছা স্থাপন কৰি অঞ্চলটোত শিক্ষাৰ ভেটি স্থাপন কৰে। পৰৱৰ্তী কিছু কাল তেওঁ কাছিমুল উলুম মৌডঙ্গা মাদ্ৰাছাতো অধ্যাপনা কৰে। জীৱনৰ শেষ সময়ত তেওঁ যমুনা গাঁৱতে ছোৱালী শিক্ষাৰ এখন প্ৰতিষ্ঠান স্থাপন কৰি সেইখনৰ আজীৱন শিক্ষক হৈ থাকে। লগতে তেওঁ প্ৰায় কুৰিটা বছৰ পূৱ জাৰুগী গনিপুৰস্থিত খানকাহে আহমদীয়াত থাকি ৰমজান মাহত মানুহক ইছলামী আধ্যাত্মিক বিষয়ত দীক্ষা দিছিল। প্ৰয়াত গোলাম ৰব্বাণী চাহাবে শ্বেখুল ইছলাম হুছাইন আহমদ মদনী (ৰঃ)ৰ পৰা আধ্যাত্মিক শিক্ষাৰ পাঠ আৰু বয়ত গ্ৰহণ কৰি অসমৰ বিভিন্ন প্ৰান্তত আধ্যাত্মিক শিক্ষা প্ৰদানত গুৰুত্ব দিয়ে। যিকোনো সংকটৰ সময়ত মানুহে তেওঁৰ পৰা আশিষ বিচাৰি কাষ চাপিছিল। জাতি-ধৰ্ম নিৰ্বিশেষে সকলো সমাজত তেওঁৰ আছিল অভূতপূৰ্ব জনপ্ৰিয়তা। মৃত্যুৰ পিছত মানুহৰ জনসমাগমে সেই কথা স্পষ্ট কৰিলে। এনে এগৰাকী মহান ব্যক্তিৰ বিয়োগত সমগ্ৰ অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে। তেওঁৰ মৃত্যুত শোক প্ৰকাশ কৰে উত্তৰ পূৱ ভাৰতৰ আমীৰে শ্বৰিয়ত মৌলানা ইয়াহইয়া চাহাব, এআইইউডিএফৰ সভাপতি মৌলানা বদৰুদ্দিন আজমল, জমিয়ত উলামাৰ সভাপতি মৌলানা মস্তাক আনফৰ, সাধাৰণ সম্পাদক মৌলানা আব্দুৰ ৰশীদ কাছিমী চাহাব, অতিৰিক্ত সাধাৰণ সম্পাদক মৌলানা কলিম উদ্দিন, এশ্বাতুল ইছলাম বৌৱাৰপাৰ মাদ্ৰাছাৰ পৰিচালনা সমিতি আৰু শিক্ষক সমাজকে ধৰি অসংখ্য ব্যক্তি, অনুষ্ঠান-প্ৰতিষ্ঠানে। তেওঁৰ অন্তিম জানাজাৰ নামাজৰ ইমামতি কৰে তেওঁৰ নাতি মৌলানা শিব্বিৰ আহমেদ ৰব্বাণীয়ে। মৃত্যুৰ সময়ত তেওঁ অগণন গুণমুগ্ধক ইহ সংসাৰত এৰি থৈ যায়।

**আধ্যাত্মিক দিশত আজিৰ প্ৰজন্মই অধ্যয়ন কৰা উচিত ঃ গিৰিজা দেৱ শৰ্মা**

# চেঙা আঞ্চলিক ভাগৱতী বৈষ্ণৱ সমাজৰ দ্বাদশ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**অসম বাৰ্তা, চেঙা, ১২ মাৰ্চ ঃ** বৰপেটা জিলাৰ চেঙা কৃষ্ণ মন্দিৰত আজি দিনজোৰা কাৰ্যসূচীৰে চেঙা আঞ্চলিক ভাগৱতী বৈষ্ণৱ সমাজৰ দ্বাদশ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস অনুষ্ঠিত হৈ যায়। মুখ্য পাঠক হিচাপে উপস্থিত থকা কামেশ্বৰ পাঠকে কৃষ্ণ মন্দিৰত অখণ্ড বন্তি প্ৰজ্বলন কৰি দ্বাদশ বাৰ্ষিক প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। ইয়াৰ পাছতেই পতাকা উত্তোলন কৰে চেঙা আঞ্চলিক ভাগৱতী বৈষ্ণৱ সমাজৰ সভাপতি দ্বিজেন্দ্ৰনাথ গোস্বামীয়ে। পতাকাস্থলীত বন্তি প্ৰজ্বলন কৰে সমৰ পাঠকে। স্মৃতি তৰ্পণ কাৰ্যসূচীত মুখ্য তৰ্পক হিচাপে উপস্থিত থাকে ভগীৰথ ডেকাই। ইয়াৰ পাছতেই অনুষ্ঠিত হয় ভাগৱত অনুষ্ঠান। ভাগৱত পাঠ অনুষ্ঠানত মুখ্য পাঠক হিচাপে কামেশ্বৰ পাঠকে ভাগৱত পাঠ কৰাৰ লগতে ভাগৱতৰ ভাষ্যকাৰ হিচাপে বাউসী ভাগৱত অধ্যয়ন চক্ৰৰ মনোহৰি পাঠকে ভাগৱতৰ ব্যাখ্যা আগবঢ়ায়। ভাগৱত পাঠ অনুষ্ঠানত বাউসী ভাগৱত অধ্যয়ন চক্ৰৰ সভাপতি সৰজিৎ পাঠক, বাউসী ভাগৱত অধ্যয়ন চক্ৰৰ সম্পাদক অনিল কুমাৰ পাঠক, চেঙা আঞ্চলিক ভাগৱতী বৈষ্ণৱ সমাজৰ সম্পাদক মানৱ বায়ন, অসম শক্তি বিভাগৰ অৱসৰপ্ৰাপ্ত বিষয়া গিৰিজা দেৱশৰ্মাৰ উপৰিও কেইবাগৰাকীও বিশিষ্ট লোক উপস্থিত থাকে। গিৰিজা দেৱ শৰ্মাই ভাগৱত সম্পৰ্কত গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰে। গিৰিজা দেৱ শৰ্মাই ভাষণ প্ৰসংগত কয়- "বৰ্তমান যুৱসমাজৰ মাজত নৈতিকতাৰ স্খলন দেখা গৈছে। আধ্যাত্মিক দিশত আজিৰ প্ৰজন্মই অধ্যয়ন কৰা উচিত। আধ্যাত্মিক চিন্তা-চেতনাই হে যুৱসমাজক সঠিক দিশত আগবঢ়াই নিব পাৰিব। চেঙা আঞ্চলিক ভাগৱতী বৈষ্ণৱ সমাজে বৃহত্তৰ অঞ্চলটোত এক আধ্যাত্মিক পৰিৱেশ সৃষ্টি কৰিবলৈ সক্ষম হৈছে।" দ্বাদশ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উপলক্ষ্যত প্ৰতিবেদন পাঠ কৰে চেঙা আঞ্চলিক ভাগৱতী বৈষ্ণৱ সমাজৰ উপ সভাপতি সাগৰ চন্দ্ৰ বায়নে। আজিৰ অনুষ্ঠানটোতেই চেঙা ঐক্য সন্মিলনৰ সভাপতি-সম্পাদক ক্ৰমে গৌতম পাঠক আৰু চিন্ময় ডেকা, নিজ চেঙা গাঁও পঞ্চায়তৰ সভানেত্ৰী ববিতা দাস তালুকদাৰ, স্থানীয় সাংবাদিক তফিকুৰ ৰহমান, লাচিত বায়নকে ধৰি কেইবাগৰাকীও বিশিষ্ট লোকক চেঙা আঞ্চলিক ভাগৱতী বৈষ্ণৱ সমাজৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। দ্বাদশ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উপলক্ষে মন্দিৰ চৌহদত এক আধ্যাত্মিক আৰু ধৰ্মীয় পৰিৱেশৰ সৃষ্টি হয় আৰু বহু ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতিত অনুষ্ঠানটো জীপাল হৈ পৰে। উল্লেখযোগ্য যে চেঙা আঞ্চলিক ভাগৱতী বৈষ্ণৱ সমাজে দীৰ্ঘদিন ধৰি অঞ্চলটোত ধৰ্মীয় আৰু সাংস্কৃতিক মূল্যবোধ জীয়াই ৰাখিবলৈ বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰি আহিছে।

**অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী কিৰণ শইকীয়া বৰাক আদৰ্শ মাতৃ সন্মান**

# মঙলদৈ শাখা লেখিকা সংস্থাৰ নাৰী দিৱস উদাপন

**অসম বাৰ্তা, মঙলদৈ, ১২ মাৰ্চ ঃ** মঙলদৈ লেখিকা সংস্থাৰ উদ্যোগত দেওবাৰে আন্তৰ্জাতিক নাৰী দিৱস উদ্‌যাপন কৰা হয়। শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ দৰং জিলা শাখাৰ মঙলদৈস্থিত কেন্দ্ৰীয় নামঘৰৰ সভাগৃহত হোৱা এই অনুষ্ঠানত মঙলদৈ জ্যোতিনগৰৰ সাংবাদিক প্ৰয়াত প্ৰসন্ন কুমাৰ বৰাৰ সহধৰ্মিণী, মঙলদৈ শাখা লেখিকা সংস্থাৰ প্ৰতিষ্ঠাপক সভাপতি, মঙলদৈ নগৰ বালক নিম্ন বুনিয়াদী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী, বিশিষ্ট লেখিকা, সমাজকৰ্মী, মানৱ দৰদী, শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ সেবিকা কিৰণ শইকীয়া বৰাক সমাজৰ 'আদৰ্শ মাতৃ' হিচাপে সম্বৰ্ধনা জ্ঞাপন কৰে। সম্পাদিকা দীপ্তি চহৰীয়াই আঁত ধৰা আৰু সভানেত্ৰী বৰদা শইকীয়াৰ সভাপতিত্বত হোৱা মুকলি সভাত অসম সাহিত্য সভাৰ প্ৰাক্তন উপ সভাপতি ইদ্ৰিছ আলীয়ে নাৰী সকলেই ঘৰখনৰ চালিকা শক্তি বুলি উল্লেখ কৰি কয় যে, বৰ্তমান নাৰী সকল সকলো দিশতে আগুৱাই গৈ আছে। অসম শিশু কল্যাণ পৰিষদ, দৰং জিলা শাখাৰ সচিব উপাসনা ডেকাই বন্তি প্ৰজ্বলন, দৰং জিলা মহিলা সমিতিৰ সভানেত্ৰী বিণু নাৰায়ণে পুষ্পাঞ্জলি অৰ্পণ কৰা এই সভা উদ্বোধন কৰে কৌপাটীৰ বল্লভভাই পেটেল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিশিষ্ট সাহিত্যিক ডাঃ ৰমাকান্ত বৰা, অভিনেত্ৰী ৰূপশিখা শালৈ, দৰং জিলা সাহিত্য সভাৰ উপসভাপতি কুঞ্জ দেবীয়ে। শ্ৰীমন্তশঙ্কৰদেৱ সংঘৰ প্ৰচাৰক নীলিমা ৰাভা, দীঘিৰপাৰ শাখা লেখিকা সংস্থাৰ সভানেত্ৰী নীলিমা বৰুৱাসহ শতাধিক লোক উপস্থিত থকা সভাত সাংবাদিক ময়ুখ গোস্বামী, গণেশ দত্ত, সমাজসেৱক জিতুমণি চহৰীয়া আৰু শেখৰ মজুমদাৰে কিৰণ শইকীয়া বৰাৰ চমু জীৱনী উন্মোচন কৰে।

## সম্পাদকীয়

# উৰাবাতৰি সৈতে মোকাবিলা

ৰাজ্যত ৰন্ধন গেছ আৰু পেট্ৰ'লিয়াম সামগ্ৰীৰ যোগানক লৈ সৃষ্টি হোৱা উদ্বেগৰ মাজতে অসম আৰক্ষীয়ে জাৰি কৰা সকীয়নি বাৰ্তাটো অতি সময়োপযোগী আৰু গুৰুত্বপূৰ্ণ। ছ'চিয়েল মিডিয়াকে ধৰি বিভিন্ন মাধ্যমত কিছুমান অসাধু মহলে ইন্ধনৰ নাটনি হোৱা বুলি মিছা উৰাবাতৰি বিয়পাই জনসাধাৰণৰ মাজত ত্ৰাস আৰু হাহাকাৰ সৃষ্টিৰ অপপ্ৰচাৰ চলাই আছে। ৰাজ্যৰ আইন-শৃংখলা ৰক্ষাকাৰী সংস্থাটোৱে স্পষ্ট কৰি দিছে যে এনে বিভ্ৰান্তিকৰ তথ্য প্ৰচাৰকাৰীসকলৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব। ৰাইজক অনুৰোধ জনোৱা হৈছে যে তেওঁলোকে যাতে কোনো ধৰণৰ অপ্ৰমাণিত বাতৰি বিশ্বাস নকৰে আৰু আনলৈ প্ৰেৰণ নকৰে।

ৰাজ্যৰ মুখ্য সচিব ৰবি কোটাই অসমৰ শোধনাগাৰসমূহে বৰ্তমান ৰাজ্যৰ প্ৰয়োজনীয় ৰন্ধন গেছৰ মাত্ৰ ৩০ শতাংশহে উৎপাদন কৰিবলৈ সক্ষম হোৱা বুলি মন্তব্য কৰাৰ পিছতে ৰাইজৰ মাজত শংকাৰ সৃষ্টি হৈছিল। এই মন্তব্যৰ আঁত ধৰি অপপ্ৰচাৰকাৰী চক্ৰই সম্ভৱতঃ পৰিস্থিতি অধিক জটিল কৰি তোলাৰ চেষ্টা কৰিছে। কিন্তু চৰকাৰী পক্ষই লগে লগে সশস্ত্ৰ হৈ পৰে। কেন্দ্ৰীয় গৃহ সচিব গোবিন্দ মোহনৰ সৈতে অনুষ্ঠিত ভিডিঅ' কনফাৰেন্সত অসমৰ ইন্ধন মজুতৰ স্থিতি পৰ্যালোচনা কৰি ৰাইজক আশ্বস্ত কৰা হয় যে বৰ্তমান অসমত ৰন্ধন গেছৰ মজুত পৰ্যাপ্ত পৰিমাণে আছে আৰু পৰিস্থিতি সম্পূৰ্ণ নিয়ন্ত্ৰণত।

তথ্যই কয় যে উত্তৰ-পূব ভাৰতত দৈনিক প্ৰায় ১.৯১ লাখ ঘৰুৱা গেছ চিলিণ্ডাৰৰ প্ৰয়োজন হয়, যাৰ ভিতৰত অসমতেই প্ৰয়োজন হয় ১.৩৪ লাখ। ডিগবৈ, গুৱাহাটী, বঙাইগাঁও আৰু নুমলীগড়ত থকা চাৰিখন শোধনাগাৰে এই যোগান সঠিকভাৱে চলাই ৰাখিবলৈ সক্ষম বুলি কৰ্তৃপক্ষই দাবী কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মায়ে স্পষ্টভাৱে কৈছে যে সমগ্ৰ বিশ্বতে ৰন্ধন গেছৰ নাটনি হৈছে আৰু তাৰ প্ৰতিৰোধমূলক ব্যৱস্থা হিচাপে বুকিঙৰ সময়সীমা ২২ৰ পৰা ২৫ দিনলৈ বৃদ্ধি কৰা হৈছে। ক'লা বজাৰৰ বিৰুদ্ধেও তীক্ষ্ণ নজৰ ৰখা হৈছে।

এই সকলোখিনিৰ মাজতে এটা সাধাৰণ নাগৰিকৰ মনত কিছুমান প্ৰশ্ন স্বাভাৱিকভাৱে উদয় হয়। প্ৰথমতে, যদি মজুত পৰ্যাপ্ত, তেন্তে বুকিঙৰ সময়সীমা বৃদ্ধি কৰাৰ কিয় আৱশ্যক হ'ল? দ্বিতীয়তে, মুখ্য সচিবৰ মন্তব্য আৰু প্ৰশাসনৰ আশ্বাসৰ মাজত থকা এই বৈপৰীত্যই ৰাইজক বিভ্ৰান্ত কৰা নাইনে? তৃতীয়তে, যেতিয়া বিশ্ব বজাৰত সংকটে দেখা দিছে, তেতিয়া ৰাজ্যৰ শোধনাগাৰসমূহে উৎপাদন কিয় বৃদ্ধি কৰিব নোৱাৰে?

এই প্ৰশ্নবোৰৰ সৰল আৰু স্বচ্ছভাৱে সমাধান কৰাটো প্ৰশাসনৰ বাবে অতি জৰুৰী। ৰাইজে জানিব বিচাৰে যে তেওঁলোকৰ ৰন্ধন ঘৰৰ বাবে পোহৰ যোগোৱা এই চিলিণ্ডাৰটো সময়ত আহি পাবনে নাই। এনে পৰিস্থিতিত মিছা উৰাবাতৰিয়ে আতংকৰ সৃষ্টি কৰাটো অস্বাভাৱিক নহয়। যিহেতু আমাৰ ৰাজ্যৰ শোধনাগাৰবোৰ কাৰ্যক্ষম হৈ আছে, সেয়েহে যোগান ব্যৱস্থা সম্পূৰ্ণৰূপে বন্ধ হৈ যোৱাৰ সম্ভাৱনা নাই। কিন্তু বিশ্ববজাৰৰ পৰিস্থিতি আৰু উৎপাদন সীমিত থকাৰ বাবে যোগানত কিছু অসুবিধা হ'ব পাৰে, সেইবাবেই হয়তো চৰকাৰে প্ৰতিৰোধমূলক ব্যৱস্থা হিচাপে সময়সীমা বৃদ্ধি কৰিছে।

এনে পৰিস্থিতিত ৰাইজ হিচাপে আমাৰ কৰ্তব্য হৈছে কেৱল চৰকাৰী তথ্যৰ ওপৰতে আস্থা ৰখা। অসম আৰক্ষীয়ে গঠন কৰা সংবাদ নিৰীক্ষণ সমিতিখনে ছচিয়েল মিডিয়াত নজৰ ৰাখি মিছা বাতৰি চিনাক্ত কৰি তৎক্ষণাত ব্যৱস্থা গ্ৰহণ কৰাটো অতি প্ৰশংসনীয় পদক্ষেপ। একাংশ অসাধু মহলে ৰাইজৰ মাজত হাহাকাৰ সৃষ্টি কৰি ক'লা বজাৰী বা অন্য কোনো অৰ্থনৈতিক লাভবান হ'বলৈ এনে অপপ্ৰচাৰ চলাইছে। তেনে অপশক্তিৰ কবলৰ পৰা ৰাইজক ৰক্ষা কৰাটো প্ৰশাসনৰ লগতে সমাজৰ দায়িত্বশীল অংশৰো কৰ্তব্য।

সামৰণিত ক'ব পাৰি যে জ্বালানী নাটনিয়ে উদ্বেগৰ সৃষ্টি কৰাটো স্বাভাৱিক যদিও, মিছা উৰাবাতৰিয়ে কেৱল পৰিস্থিতিৰ অৱনতি ঘটায়। অসম আৰক্ষী আৰু প্ৰশাসনৰ আশ্বাস আৰু কঠোৰ নিৰ্দেশনাই ৰাইজক এক নিৰাপদ বাতাৱৰণ প্ৰদান কৰিছে। এতিয়া প্ৰয়োজন ৰাইজৰ সচেতনতা আৰু প্ৰশাসনৰ ব্যৱস্থা দুয়োটাৰে সঠিক সমন্বয়। চৰকাৰে যোগান স্বাভাৱিক ৰখাৰ ব্যৱস্থা চলাই থকাৰ লগতে অপপ্ৰচাৰকাৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা উচিত। আৰু ৰাইজেও কেৱল প্ৰমাণিত তথ্যত ভিত্তি কৰি পৰিস্থিতি বুজি লোৱা উচিত, যাতে অসৎ উদ্দেশ্যৰ মানুহবোৰে সুযোগ ল'ব নোৱাৰে।

> "শিশুৰ অধিকাৰৰ সৈতে জড়িত আন এটা গুৰুত্বপূৰ্ণ দিশ হ'ল সামাজিক বৈষম্য। দৰিদ্ৰতা, জাতিগত ভেদভাৱ, লিংগ বৈষম্য আৰু অঞ্চলভিত্তিক অসমতাই শিশুৰ অধিকাৰৰ প্ৰতি প্ৰত্যাহ্বানৰ সৃষ্টি কৰে। গ্ৰাম্য অঞ্চলৰ তুলনাত চহৰাঞ্চলৰ শিশুৱে অধিক সুবিধা লাভ কৰে। একেদৰে, কন্যা শিশুৰ প্ৰতি বৈষম্যৰ ফলত তেওঁলোকৰ শিক্ষা, স্বাস্থ্য আৰু সুৰক্ষাৰ অধিকাৰত প্ৰভাৱ পৰে। উদাহৰণস্বৰূপে, ভাৰতৰ কিছু অঞ্চলত এতিয়াও কন্যা শিশুক স্কুললৈ পঠোৱাৰ পৰিৱৰ্তে ঘৰুৱা কামত নিয়োজিত কৰা হয়। সমাজৰ দায়িত্ব হ'ল এই বৈষম্য দূৰ কৰি সকলো শিশুৰ বাবে সমান সুযোগ সৃষ্টি কৰা। স্থানীয় নেতা, ধৰ্মীয় গুৰু আৰু প্ৰভাৱশালী ব্যক্তিয়ে সমাজত ইতিবাচক পৰিৱৰ্তন আনিবলৈ সজাগতা কাৰ্যসূচীৰ আয়োজন কৰিব পাৰে। লিংগ সংবেদনশীলতাৰ শিক্ষাৰ জৰিয়তে নতুন প্ৰজন্মক এই বৈষম্যৰ বিৰুদ্ধে সচেতন কৰিব পাৰি।"

# শিশুৰ অধিকাৰ আৰু সমাজৰ দায়বদ্ধতা

শিশুসকল শিশুসকল সমাজৰ ভৱিষ্যত; তেওঁলোকৰ হাততেই আমাৰ সংস্কৃতি, ঐতিহ্য আৰু উন্নতিৰ সম্ভাৱনা নিৰ্ভৰ কৰে। এই সম্ভাৱনা যাতে সঠিকভাৱে বিকশিত হৈ উঠিব পাৰে, তাৰ বাবে শিশুৰ অধিকাৰৰ সুৰক্ষা আৰু প্ৰতিপালন অতি জৰুৰী। শিশুৰ অধিকাৰ কেৱল তেওঁলোকৰ জীৱনৰ প্ৰাথমিক প্ৰয়োজনীয়তাৰ সৈতে সীমাবদ্ধ নহয়, বৰঞ্চ তেওঁলোকৰ শাৰীৰিক স্বাস্থ্য, মানসিক বিকাশ, সামাজিক স্থিতি আৰু নৈতিক মূল্যবোধৰ সৈতেও গভীৰভাৱে জড়িত। এই অধিকাৰসমূহ সুনিশ্চিত কৰাৰ দায়িত্ব সমাজৰ প্ৰতিটো স্তৰৰ ওপৰত পৰে—পৰিয়ালৰ পৰা আৰম্ভ কৰি শিক্ষানুষ্ঠান, চৰকাৰী নীতি, সম্প্ৰদায়ৰ কাৰ্যকলাপ আৰু আন্তঃৰাষ্ট্ৰীয় সংস্থালৈকে। এই দায়িত্ব পালন নকৰিলে শিশুৰ ভৱিষ্যতৰ লগতে সমগ্ৰ সমাজৰ ভৱিষ্যতও বিপন্ন হৈ পৰে।

শিশুৰ অধিকাৰৰ ধাৰণা সময়ৰ সৈতে বিকশিত হৈ আহিছে। আধুনিক যুগত, বিশেষকৈ বিংশ শতিকাত, শিশুৰ মানৱীয় মৰ্যাদা আৰু তেওঁলোকৰ সুৰক্ষাৰ প্ৰয়োজনীয়তাৰ বিষয়ে সজাগতা বৃদ্ধি পাইছে। ১৯২৪ চনত জেনেভা ঘোষণাপত্ৰৰ জৰিয়তে শিশুৰ অধিকাৰৰ বিষয়ে প্ৰথম আন্তঃৰাষ্ট্ৰীয় স্তৰত আলোচনা আৰম্ভ হয়। পিছলৈ ১৯৮৯ চনত জাতিসংঘৰ শিশু অধিকাৰ সন্মিলন (UNCRC) গৃহীত হোৱাৰ পিছত এই বিষয়টোৱে বিশ্বজনীন স্বীকৃতি লাভ কৰে। এই সন্মিলনে শিশুৰ জীৱনৰ অধিকাৰ, শিক্ষাৰ অধিকাৰ, স্বাস্থ্যৰ অধিকাৰ, সুৰক্ষাৰ অধিকাৰ আৰু অংশগ্ৰহণৰ অধিকাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। ভাৰতৰ দৰে দেশতো সংবিধানৰ বিভিন্ন অনুচ্ছেদ, যেনে ২১(ক)ত শিক্ষাৰ অধিকাৰ, ২৪ নং অনুচ্ছেদত শিশু শ্ৰমৰ নিষেধ আৰু ৪৫ নং অনুচ্ছেদত শিশুৰ বাবে বিনামূলীয়া শিক্ষাৰ ব্যৱস্থাৰ কথা উল্লেখ কৰা হৈছে। কিন্তু এই আইনী বিধানসমূহ কেৱল কাগজত থাকিলে শিশুৰ অধিকাৰ সুৰক্ষিত নহয়। সমাজৰ সামূহিক সচেতনতা আৰু কৰ্মৰ জৰিয়তেহে এই অধিকাৰসমূহ বাস্তৱত ৰূপায়ণ কৰিব পৰা যায়।

শিশুৰ প্ৰথম আৰু প্ৰধান অধিকাৰ হ'ল জীয়াই থকাৰ অধিকাৰ। এই অধিকাৰৰ ভিতৰত জন্মৰ পৰা সুস্থ জীৱন যাপনৰ সুযোগ, পুষ্টিকৰ খাদ্য, বিশুদ্ধ পানী, আশ্ৰয় আৰু মৌলিক চিকিৎসাৰ সুবিধা অন্তৰ্ভুক্ত। দুৰ্ভাগ্যজনকভাৱে, বিশ্বৰ বহু দেশত, ভাৰতকে ধৰি, আজিও লাখ লাখ শিশু এই মৌলিক অধিকাৰৰ পৰা বঞ্চিত। অপুষ্টি, দৰিদ্ৰতা আৰু স্বাস্থ্যসেৱাৰ অভাৱৰ ফলত শিশুসকলৰ জীৱন সংকটৰ মুখত পৰিছে। ভাৰতৰ গ্ৰামাঞ্চলত এই সমস্যা আৰু তীব্ৰ। ইউনিচেফৰ তথ্য অনুসৰি, ভাৰতত প্ৰতি বছৰে পাঁচ বছৰৰ তলৰ প্ৰায় ৮ লাখ শিশুৰ মৃত্যু হয়, যাৰ মূল কাৰণ হৈছে অপুষ্টি, সংক্ৰামক ৰোগ আৰু পৰ্যাপ্ত চিকিৎসাৰ অভাৱ। এই পৰিসংখ্যা আমাৰ সমাজৰ ব্যৰ্থতাৰ এক স্পষ্ট প্ৰতিফলন। যদি আমি শিশুসকলক জীয়াই থকাৰ মৌলিক সুবিধা প্ৰদান কৰাত ব্যৰ্থ হওঁ, তেন্তে তেওঁলোকৰ শিক্ষা, সুৰক্ষা বা বিকাশৰ কথা কেনেকৈ ভাবিব পাৰো? এই সমস্যা সমাধানৰ বাবে চৰকাৰৰ নীতিৰ লগতে স্থানীয় সম্প্ৰদায়ৰ সক্ৰিয় অংশগ্ৰহণ অতি প্ৰয়োজনীয়। উদাহৰণস্বৰূপে, গ্ৰাম্য অঞ্চলত স্বাস্থ্য কেন্দ্ৰ স্থাপন, পুষ্টি কাৰ্যসূচীৰ ৰূপায়ণ আৰু পৰিয়ালসমূহক স্বাস্থ্য সজাগতা প্ৰদানৰ জৰিয়তে এই দিশত উন্নতি আনিব পাৰি। সমাজৰ প্ৰতিটো ব্যক্তিৰ দায়িত্ব হ'ল শিশুৰ এই মৌলিক অধিকাৰৰ প্ৰতি সচেতন হোৱা আৰু ইয়াক সুনিশ্চিত কৰাত অৰিহণা যোগোৱা।

### হিমাংশু ৰঞ্জন ভূঞা

জীয়াই থকাৰ পিছত শিশুৰ বিকাশৰ অধিকাৰৰ বিষয়টো আহে। এই অধিকাৰৰ ভিতৰত শিক্ষা, খেলা-ধূলাৰ সুযোগ, সৃজনশীলতাৰ বিকাশ আৰু মানসিক স্বাস্থ্যৰ যত্ন লোৱাৰ কথা অন্তৰ্ভুক্ত। শিক্ষা শিশুৰ জীৱনৰ এক অপৰিহাৰ্য অংশ। ই কেৱল পঢ়া-শুনাৰ জৰিয়তে জ্ঞান আৰ্জনৰ মাধ্যম নহয়, বৰঞ্চ শিশুক স্বাৱলম্বী, দায়িত্বশীল আৰু সামাজিকভাৱে সচেতন নাগৰিক হিচাপে গঢ়ি তোলাৰ এক পথ। ভাৰতত



২০০৯ চনত শিক্ষাৰ অধিকাৰ আইন প্ৰণয়ন কৰা হৈছিল, যাৰ জৰিয়তে ৬ৰ পৰা ১৪ বছৰ বয়সৰ শিশুসকলৰ বাবে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ ব্যৱস্থা কৰা হৈছে। এই আইন এটা গুৰুত্বপূৰ্ণ পদক্ষেপ যদিও ইয়াৰ প্ৰয়োগত বহুতো চ্যালেঞ্জ আছে। গ্ৰাম্য অঞ্চলত স্কুলৰ অভাৱ, শিক্ষকৰ সংখ্যা কম হোৱা, অৱকাঠামোৰ দুৰ্বলতা আৰু দৰিদ্ৰতাৰ ফলত শিশুসকলক স্কুলৰ পৰিৱৰ্তে শ্ৰমিক হিচাপে কাম কৰিবলৈ বাধ্য কৰা হয়। জাতীয় নমুনা সমীক্ষা সংস্থা (NSSO)ৰ তথ্য অনুসৰি, ভাৰতত এতিয়াও প্ৰায় ১ কোটি শিশু শ্ৰমিক আছে। এই পৰিস্থিতিয়ে শিশুৰ শিক্ষাৰ অধিকাৰক ক্ষতিগ্ৰস্ত কৰাৰ লগতে তেওঁলোকৰ শৈশৱকো নষ্ট কৰি পেলায়। সমাজৰ দায়িত্ব হ'ল এই বাধাসমূহ দূৰ কৰা। পৰিয়ালে শিশুক শিক্ষাৰ প্ৰতি উৎসাহিত কৰিব লাগে, আৰু সম্প্ৰদায়ৰ লোকে শিশু শ্ৰমৰ বিৰুদ্ধে সৰৱ হৈ শিক্ষাৰ গুৰুত্বৰ বিষয়ে সজাগতা বিয়পাব লাগে। শিক্ষানুষ্ঠানসমূহে কেৱল পাঠ্যপুথিৰ জ্ঞান নিদি শিশুৰ সৰ্বাংগীণ বিকাশৰ বাবে খেলা-ধূলা, শিল্প-সংস্কৃতি আৰু নৈতিক শিক্ষাৰ ওপৰতো গুৰুত্ব দিব লাগে।

শিশুৰ সুৰক্ষাৰ অধিকাৰো একেবাৰে অপৰিহাৰ্য। শিশুসকলক শাৰীৰিক, মানসিক আৰু যৌন নিৰ্যাতনৰ পৰা ৰক্ষা কৰাটো সমাজৰ প্ৰধান দায়িত্ব। দুৰ্ভাগ্যৱশতঃ, শিশু নিৰ্যাতনৰ ঘটনা সমগ্ৰ বিশ্বতে ক্ৰমাৎ বৃদ্ধি পাইছে। ভাৰতত জাতীয় অপৰাধ ৰেকৰ্ড ব্যুৰো (NCRB)ৰ ২০২১ চনৰ তথ্য অনুসৰি, শিশুৰ বিৰুদ্ধে ১.৪৯ লাখ অপৰাধ ৰেকৰ্ড কৰা হৈছিল, য'ত অপহৰণ, যৌন নিৰ্যাতন আৰু শাৰীৰিক হিংসাৰ ঘটনা উল্লেখযোগ্য। এই সংখ্যা কেৱল ৰিপ'ৰ্ট কৰা ঘটনাৰ পৰিমাণক প্ৰতিফলিত কৰে; বহুতো ঘটনা প্ৰকাশলৈ নাহে। শিশু শ্ৰম, শিশু ব্যৱসায়, পৰিয়ালৰ ভিতৰত হোৱা নিৰ্যাতন আৰু যুদ্ধ-বিধ্বস্ত অঞ্চলত শিশুৰ শোষণৰ দৰে সমস্যাই তেওঁলোকৰ সুৰক্ষাৰ অধিকাৰৰ প্ৰতি ভাবুকি সৃষ্টি কৰিছে। সমাজৰ প্ৰতিটো ব্যক্তিৰ দায়িত্ব হ'ল এনে ঘটনাৰ বিৰুদ্ধে সৰৱ হোৱা আৰু শিশুসকলৰ বাবে নিৰাপদ পৰিৱেশ সৃষ্টি কৰা। পৰিয়ালত মাতৃ-পিতৃয়ে শিশুৰ সৈতে মুকলি যোগাযোগ ৰক্ষা কৰি তেওঁলোকক নিজৰ সমস্যাৰ কথা ক'বলৈ উৎসাহিত কৰিব লাগে। স্থানীয় সম্প্ৰদায়ে শিশু সুৰক্ষাৰ বাবে স্থানীয় প্ৰশাসন আৰু বেচৰকাৰী সংস্থাৰ সৈতে সহযোগিতা কৰিব লাগে। উদাহৰণস্বৰূপে, শিশুৰ বিৰুদ্ধে হোৱা অপৰাধৰ তৎক্ষণাত অভিযোগ দাখিল কৰা আৰু শিশুক নিৰাপদ স্থানলৈ স্থানান্তৰ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰি।

শিশুৰ অংশগ্ৰহণৰ অধিকাৰৰ বিষয়টোও সমানে গুৰুত্বপূৰ্ণ। শিশুসকলৰ নিজৰ মতামত থাকে আৰু তেওঁলোকে নিজৰ জীৱনৰ সৈতে জড়িত সিদ্ধান্ত গ্ৰহণত অংশ লোৱাৰ অধিকাৰ ৰাখে। কিন্তু আমাৰ সমাজত শিশুৰ কথাক প্ৰায়ে গুৰুত্ব নিদিয়াৰ পৰিপ্ৰেক্ষিত দেখা যায়। পৰিয়ালত, শিক্ষানুষ্ঠানত বা সম্প্ৰদায়ত শিশুক সিদ্ধান্ত গ্ৰহণৰ প্ৰক্ৰিয়াৰ পৰা আঁতৰাই ৰখা হয়। এনে পৰিস্থিতিত তেওঁলোকৰ আত্মবিশ্বাস, স্বাধীন চিন্তাশক্তি আৰু নেতৃত্বৰ গুণৰ বিকাশত বাধাৰ সৃষ্টি হয়। সমাজে শিশুসকলক তেওঁলোকৰ বয়স আৰু পৰিপক্কতাৰ স্তৰ অনুসৰি সিদ্ধান্ত গ্ৰহণত জড়িত কৰিব লাগে। উদাহৰণস্বৰূপে, স্কুলত ছাত্ৰ-ছাত্ৰীৰ সংসদ গঠন কৰি তেওঁলোকক নেতৃত্ব আৰু দায়িত্বৰ পাঠ দিয়াৰ ব্যৱস্থা কৰিব পাৰি। পৰিয়ালতো শিশুৰ পছন্দক সন্মান জনাই তেওঁলোকৰ মতামতৰ মূল্য দিয়াৰ অভ্যাস গঢ়ি তুলিব লাগে। এই পদক্ষেপে শিশুক নিজৰ অধিকাৰৰ প্ৰতি সচেতন কৰাৰ লগতে সমাজত সক্ৰিয় অংশগ্ৰহণৰ বাবে প্ৰস্তুত কৰে।

শিশুৰ অধিকাৰ সুৰক্ষিত কৰাৰ ক্ষেত্ৰত সমাজৰ দায়বদ্ধতা বহুমুখী। পৰিয়াল হ'ল শিশুৰ প্ৰথম আৰু প্ৰধান সুৰক্ষা বলয়। মাতৃ-পিতৃয়ে শিশুৰ প্ৰতি স্নেহ, সমৰ্থন আৰু শৃংখলাৰ মাজত ভাৰসাম্য ৰক্ষা কৰি তেওঁলোকক এক সুস্থ আৰু নিৰাপদ পৰিৱেশ প্ৰদান কৰিব লাগে। পৰিয়ালৰ বাহিৰলৈ গ'লে সম্প্ৰদায়ৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ হৈ পৰে। স্থানীয় সম্প্ৰদায়ে শিশুৰ বাবে খেলপথাৰ, পুথিভঁৰাল, সাংস্কৃতিক কাৰ্যকলাপ আৰু সামাজিক সেৱাৰ ব্যৱস্থা কৰি তেওঁলোকৰ সৰ্বাংগীণ বিকাশত অৰিহণা যোগাব পাৰে। উদাহৰণস্বৰূপে, গাঁৱত সাম্প্ৰদায়িকভাৱে শিশুৰ বাবে ক্ৰীড়া কাৰ্যসূচী বা শিক্ষামূলক কাৰ্যকলাপৰ আয়োজন কৰিলে তেওঁলোকৰ শাৰীৰিক আৰু মানসিক বিকাশত সহায় হয়। শিক্ষানুষ্ঠানৰ ভূমিকাও তেনেকৈ গুৰুত্বপূৰ্ণ। শিক্ষকসকলে শিশুক কেৱল একাডেমিক জ্ঞান নিদি জীৱনৰ মূল্যবোধ, নৈতিকতা আৰু সামাজিক দায়িত্বৰ শিক্ষা দিব লাগে। শিক্ষাৰ মাধ্যমে শিশুক এনে এক ব্যক্তি হিচাপে গঢ়ি তুলিব লাগে যিয়ে নিজৰ অধিকাৰৰ লগতে আনৰ অধিকাৰৰ প্ৰতিও সন্মান জনাব জানে।

চৰকাৰৰ ভূমিকা শিশুৰ অধিকাৰ সুৰক্ষাৰ ক্ষেত্ৰত এক অপৰিহাৰ্য অংশ। চৰকাৰে শিশুৰ বাবে আইন প্ৰণয়ন কৰাৰ লগতে সেই আইনৰ কঠোৰ প্ৰয়োগ নিশ্চিত কৰিব লাগে। ভাৰতত শিশু শ্ৰম (নিষেধ আৰু নিয়ন্ত্ৰণ) আইন, ১৯৮৬, যৌন অপৰাধৰ পৰা শিশুৰ সুৰক্ষা আইন (POCSO), ২০১২ আৰু কিশোৰ ন্যায় (শিশুৰ যত্ন আৰু সুৰক্ষা) আইন, ২০১৫ৰ দৰে আইনৰ জৰিয়তে শিশুৰ অধিকাৰৰ সুৰক্ষাৰ প্ৰচেষ্টা কৰা হৈছে। কিন্তু এই আইনৰ সফলতা নিৰ্ভৰ কৰে সমাজৰ সহযোগিতাৰ ওপৰত। যদি কোনো শিশু শ্ৰমিক বা নিৰ্যাতিত শিশুক দেখা যায়, তেন্তে কেৱল চৰকাৰী কৰ্মচাৰীৰ ওপৰত নিৰ্ভৰ নকৰি স্থানীয় লোকে সক্ৰিয়ভাৱে অভিযোগ দাখিল কৰি তৎক্ষণাত পদক্ষেপ ল'ব লাগে। চৰকাৰে শিশুৰ কল্যাণৰ বাবে বিভিন্ন আঁচনি যেনে মধ্যাহ্ন ভোজন কাৰ্যসূচী, আংগনৱাড়ী আৰু সৰ্বশিক্ষা অভিযানৰ জৰিয়তে সহায় কৰিব পাৰে। কিন্তু এই আঁচনিৰ সঠিক ৰূপায়ণৰ বাবে জনসাধাৰণৰ সচেতনতা আৰু অংশগ্ৰহণ অতি জৰুৰী। উদাহৰণস্বৰূপে, মধ্যাহ্ন ভোজন কাৰ্যসূচীত যদি খাদ্যৰ মানদণ্ড বজাই নাৰখা হয়, তেন্তে অভিভাৱক আৰু সম্প্ৰদায়ৰ লোকে তাৰ বিৰুদ্ধে প্ৰতিবাদ কৰি উন্নতিৰ দাবী জনাব লাগে।

বিশ্বায়ন আৰু প্ৰযুক্তিৰ যুগত শিশুৰ অধিকাৰৰ প্ৰতি নতুন নতুন ভাবুকিৰ সৃষ্টি হৈছে। ইণ্টাৰনেটৰ ব্যাপক প্ৰসাৰৰ ফলত শিশুসকল চাইবাৰ অপৰাধৰ সন্মুখীন হৈছে। অনলাইন শোষণ, চাইবাৰ বুলিং, অশ্লীল সামগ্ৰীৰ সংস্পৰ্শ আৰু গোপনীয়তাৰ লঙ্ঘনৰ ফলত শিশুৰ মানসিক স্বাস্থ্যৰ ওপৰত গভীৰ প্ৰভাৱ পৰিছে। এই ক্ষেত্ৰত সমাজৰ দায়িত্ব হ'ল শিশুসকলক ডিজিটেল সাক্ষৰতাৰ শিক্ষা দিয়া আৰু তেওঁলোকৰ ইণ্টাৰনেট ব্যৱহাৰৰ ওপৰত নিৰীক্ষণ ৰখা। পিতৃ-মাতৃ আৰু শিক্ষকে শিশুক নিৰাপদ ইণ্টাৰনেট ব্যৱহাৰৰ নিয়ম শিকোৱাৰ লগতে তেওঁলোকৰ সৈতে মুকলি সম্পৰ্ক বজাই ৰাখিব লাগে, যাতে শিশোৱে যিকোনো সমস্যাৰ কথা নিৰ্দ্বিধায় ক'ব পাৰে। স্কুলত ডিজিটেল নিৰাপত্তাৰ বিষয়ে বিশেষ ক্লাছৰ আয়োজন কৰি শিশুক সজাগ কৰিব পাৰি। একেদৰে, চৰকাৰে চাইবাৰ অপৰাধৰ বিৰুদ্ধে কঠোৰ আইন প্ৰয়োগ কৰি শিশুৰ বাবে অনলাইন পৰিৱেশক নিৰাপদ কৰি তুলিব লাগে।

বেচৰকাৰী সংস্থা (NGO)ৰ ভূমিকাও শিশুৰ অধিকাৰৰ ক্ষেত্ৰত উল্লেখযোগ্য। ভাৰতত 'চাইল্ডলাইন ইণ্ডিয়া', 'বচপন বচাও আন্দোলন', আৰু 'স্মাইল ফাউণ্ডেশ্যন'ৰ দৰে সংস্থাই শিশু শ্ৰম, শিশু ব্যৱসায়, শিক্ষাৰ অভাৱ আৰু নিৰ্যাতনৰ বিৰুদ্ধে কাম কৰি আহিছে। এই সংস্থাসমূহে শিশুৰ পুনৰ্বাসন, শিক্ষাৰ সুযোগ প্ৰদান, স্বাস্থ্যসেৱাৰ ব্যৱস্থা আৰু সমাজত সজাগতা সৃষ্টিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। উদাহৰণস্বৰূপে, 'চাইল্ডলাইন'ৰ ১০৯৮ নম্বৰৰ জৰিয়তে শিশুৰ জৰুৰী সহায়ৰ বাবে সেৱা প্ৰদান কৰা হয়। কিন্তু এই সংস্থাসমূহৰ সফলতা নিৰ্ভৰ কৰে স্থানীয় লোকৰ সহযোগিতাৰ ওপৰত। আমি সকলোৱে এনে সংস্থাৰ সৈতে জড়িত হৈ স্বেচ্ছাসেৱক হিচাপে কাম কৰিব পাৰো বা আৰ্থিক সাহায্য প্ৰদান কৰি শিশুৰ কল্যাণত অৰিহণা যোগাব পাৰো।

শিশুৰ অধিকাৰৰ সৈতে জড়িত আন এটা গুৰুত্বপূৰ্ণ দিশ হ'ল সামাজিক বৈষম্য। দৰিদ্ৰতা, জাতিগত ভেদভাৱ, লিংগ বৈষম্য আৰু অঞ্চলভিত্তিক অসমতাই শিশুৰ অধিকাৰৰ প্ৰতি প্ৰত্যাহ্বানৰ সৃষ্টি কৰে। গ্ৰাম্য অঞ্চলৰ তুলনাত চহৰাঞ্চলৰ শিশোৱে অধিক সুবিধা লাভ কৰে। একেদৰে, কন্যা শিশুৰ প্ৰতি বৈষম্যৰ ফলত তেওঁলোকৰ শিক্ষা, স্বাস্থ্য আৰু সুৰক্ষাৰ অধিকাৰত প্ৰভাৱ পৰে। উদাহৰণস্বৰূপে, ভাৰতৰ কিছু অঞ্চলত এতিয়াও কন্যা শিশুক স্কুললৈ পঠোৱাৰ পৰিৱৰ্তে ঘৰুৱা কামত নিয়োজিত কৰা হয়। সমাজৰ দায়িত্ব হ'ল এই বৈষম্য দূৰ কৰি সকলো শিশুৰ বাবে সমান সুযোগ সৃষ্টি কৰা। স্থানীয় নেতা, ধৰ্মীয় গুৰু আৰু প্ৰভাৱশালী ব্যক্তিয়ে সমাজত ইতিবাচক পৰিৱৰ্তন আনিবলৈ সজাগতা কাৰ্যসূচীৰ আয়োজন কৰিব পাৰে। লিংগ সংবেদনশীলতাৰ শিক্ষাৰ জৰিয়তে নতুন প্ৰজন্মক এই বৈষম্যৰ বিৰুদ্ধে সচেতন কৰিব পাৰি।

শিশুৰ অধিকাৰ সুৰক্ষিত কৰাৰ বাবে সজাগতাৰ প্ৰয়োজনীয়তা অতি গুৰুত্বপূৰ্ণ। গণমাধ্যম, সামাজিক মাধ্যম, জনসভা আৰু শিক্ষামূলক কাৰ্যকলাপৰ জৰিয়তে শিশুৰ অধিকাৰৰ বিষয়ে মানুহক সচেতন কৰিব পাৰি। উদাহৰণস্বৰূপে, শিশু দিৱস (১৪ নৱেম্বৰ), শিশু শ্ৰম বিৰোধী দিৱস (১২ জুন) আৰু আন্তঃৰাষ্ট্ৰীয় শিশু অধিকাৰ দিৱস (২০ নৱেম্বৰ)ৰ দৰে উপলক্ষে কাৰ্যসূচীৰ আয়োজন কৰি জনমত গঢ়ি তুলিব পাৰি। সামাজিক মাধ্যমত শিশুৰ অধিকাৰৰ বিষয়ে প্ৰচাৰ চলাই তৰুণ প্ৰজন্মক এই বিষয়ত জড়িত কৰিব পাৰি। শিক্ষাৰ পাঠ্যক্ৰমত শিশুৰ অধিকাৰৰ বিষয়ে অধ্যায় অন্তৰ্ভুক্ত কৰি শিশুসকলক নিজৰ অধিকাৰৰ প্ৰতি সচেতন কৰাৰ লগতে আনৰ অধিকাৰৰ প্ৰতি সন্মান জনোৱাৰ শিক্ষা দিব পাৰি।

শিশুৰ অধিকাৰৰ সুৰক্ষাৰ ক্ষেত্ৰত আৰ্থ-সামাজিক কাৰণসমূহো বিবেচনা কৰা প্ৰয়োজন। দৰিদ্ৰতাৰ ফলত শিশুসকলক শিক্ষাৰ পৰিৱৰ্তে শ্ৰমিক হিচাপে কাম কৰিবলৈ বাধ্য কৰা হয়। এই দৰিদ্ৰতা দূৰ কৰাৰ বাবে সমাজে দীৰ্ঘম্যাদী পৰিকল্পনা গ্ৰহণ কৰিব লাগে। উদাহৰণস্বৰূপে, পৰিয়ালসমূহক ক্ষুদ্ৰঋণৰ সুবিধা প্ৰদান কৰি আৰ্থিকভাৱে স্বাৱলম্বী কৰিলে শিশুসকলক শ্ৰমৰ পৰা শিক্ষাৰ পথলৈ আনিব পাৰি। একেদৰে, গ্ৰাম্য অঞ্চলত কৃষি আৰু কুটিৰ শিল্পৰ উন্নতিৰ জৰিয়তে পৰিয়ালৰ আয় বৃদ্ধি কৰিলে শিশুৰ জীৱন মান উন্নত হ'ব।

পৰিৱেশৰ প্ৰতিও শিশুৰ অধিকাৰ আছে। পৰিচ্ছন্ন পৰিৱেশত জীয়াই থকাৰ অধিকাৰ শিশুৰ স্বাস্থ্যৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত। প্ৰদূষণ, জলবায়ু পৰিৱৰ্তন আৰু প্ৰাকৃতিক সম্পদৰ অপচয়ৰ ফলত শিশুৰ স্বাস্থ্যৰ ওপৰত প্ৰভাৱ পৰিছে। সমাজৰ দায়িত্ব হ'ল শিশুৰ বাবে এক সুস্থ পৰিৱেশ সৃষ্টি কৰা। গছপুলি ৰোপণ, প্ৰদূষণ হ্ৰাস আৰু পৰিৱেশ সংৰক্ষণৰ কাৰ্যসূচীত শিশুকো জড়িত কৰি তেওঁলোকক পৰিৱেশৰ প্ৰতি সচেতন কৰিব পাৰি।

শেষত ক'ব পাৰি যে শিশুৰ অধিকাৰ সমাজৰ দায়বদ্ধতাৰ এক অবিচ্ছেদ্য অংশ। শিশুৰ জীৱন, বিকাশ, সুৰক্ষা আৰু অংশগ্ৰহণৰ অধিকাৰ সুনিশ্চিত কৰাৰ বাবে পৰিয়াল, সমাজ, শিক্ষানুষ্ঠান, চৰকাৰ, বেচৰকাৰী সংস্থা আৰু ব্যক্তি সকলোৱে সমন্বিত প্ৰচেষ্টাৰ প্ৰয়োজন। এই অধিকাৰসমূহ কেৱল আইনী কাগজত সীমাবদ্ধ নৰাখি বাস্তৱত ৰূপায়ণ কৰিলেহে আমি এক সুস্থ, সমৃদ্ধ আৰু ন্যায়পৰায়ণ সমাজ গঢ়ি তুলিব পাৰিম। শিশুৰ অধিকাৰৰ সুৰক্ষা কেৱল তেওঁলোকৰ বাবেই নহয়, আমাৰ সকলোৰে ভৱিষ্যতৰ বাবেও অতি জৰুৰী। সমাজৰ প্ৰতিটো স্তৰত এই দায়িত্ব গ্ৰহণ কৰি আমি শিশুসকলক তেওঁলোকৰ প্ৰাপ্য জীৱন প্ৰদান কৰিব পাৰিম। শিশুৰ হাঁহিমুখ আৰু সুৰক্ষিত ভৱিষ্যতৰ মাজেৰেই সমাজৰ প্ৰকৃত উন্নতি প্ৰতিফলিত হয়।

# ইজৰাইল-ইৰাণ যুদ্ধত বিভক্ত বিশ্ব শক্তি

পশ্চিম এছিয়াত ইজৰাইল আৰু ইৰাণৰ মাজত চলি থকা সংঘাতে দিনক দিনে অধিক জটিল ৰূপ লৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইজৰাইলৰ সামৰিক অভিযান আৰু তাৰ বিপৰীতে ইৰাণৰ ক্ষেপণাস্ত্ৰ আৰু ড্ৰোন আক্ৰমণৰ ফলত সংঘাতে এতিয়া আঞ্চলিক যুদ্ধৰ সীমা অতিক্ৰম কৰাৰ আশংকাৰ সৃষ্টি হৈছে। বিশ্বৰ বহু দেশ এই সংঘাতত কোনোবা নহয় কোনোবা দিশত জড়িত হোৱাৰ ফলত বহু বিশে-ষকে প্ৰশ্ন উত্থাপন কৰিছে যে এই সংঘাত তৃতীয় বিশ্বযুদ্ধলৈ ৰূপান্তৰিত হ'ব নেকি?

সংঘাতৰ মুখ্য খেলুৱৈ হৈছে আমেৰিকা যুক্তৰাষ্ট্ৰ, ইজৰাইল আৰু ইৰাণ। কিন্তু ক্ষেপণাস্ত্ৰ আৰু ড্ৰোন আক্ৰমণৰ দ্ৰুত বৃদ্ধি হোৱাৰ ফলত বহু দেশ এই যুদ্ধৰ সৈতে কোনোবা নহয় কোনোবা ধৰণে জড়িত হৈ পৰিছে। মধ্যপ্ৰাচ্যৰ উত্তেজনাই বিশ্ব ৰাজনীতিৰ শক্তিৰ সমীকৰণকো নতুনকৈ স্পষ্ট কৰি তুলিছে।

আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে ইতিমধ্যে এই অভিযোগ নাকচ কৰিছে যে ইজৰাইলে আমেৰিকাক ইৰাণৰ বিৰুদ্ধে যুদ্ধত নামিবলৈ বাধ্য কৰিছিল। তেওঁৰ মতে, আমেৰিকাই আগতেই পদক্ষেপ ল'ব লগা হৈছিল কাৰণ তেওঁলোকৰ বিশ্বাস আছিল যে ইৰাণে আগতে আক্ৰমণ কৰিবলৈ প্ৰস্তুতি চলাই আছিল। ট্ৰাম্পে স্পষ্টকৈ কৈছে যে আমেৰিকাই তেতিয়ালৈকে অভিযান বন্ধ নকৰে যেতিয়ালৈকে ইৰাণৰ সামৰিক ক্ষমতা সম্পূৰ্ণ ধ্বংস কৰা নহয়!

ইয়াৰ বিপৰীতে ইৰাণে আমেৰিকাকেই যুদ্ধ আৰম্ভ কৰাৰ বাবে দোষ দিছে। ইৰাণৰ কূটনীতিবিদ আব্দুল মাজীদ হাকিম ইলাহীয়ে কৈছে যে সংঘাতৰ মূল কাৰণ হৈছে আমেৰিকাৰ বিশ্ব ৰাজনীতিত আধিপত্য বজাই ৰখাৰ চেষ্টা। তেওঁৰ মতে, আমেৰিকাই নিবিচাৰে যে ভাৰত আৰু চীনৰ দৰে উন্নয়নশীল দেশসমূহ বিশ্ব শক্তি হিচাপে আগবাঢ়ক। সেই কাৰণে তেওঁলোকে উত্তেজনা সৃষ্টি কৰি নিজৰ প্ৰভাৱ বজাই ৰাখিবলৈ চেষ্টা কৰিছে। ইলাহীয়ে আৰু কৈছে যে যুদ্ধ বন্ধ কৰাৰ দায়িত্ব মূলতঃ ৱাশ্বিংটনৰ ওপৰতেই পৰে।

সংঘাতৰ মাজতেই আলোচনাৰ সম্ভাৱনাক লৈও দ্বন্দ্ব দেখা গৈছে। "The

### সত্যব্ৰত বৰা

Atlantic" আলোচনীৰ সৈতে হোৱা এটা সাক্ষাৎকাৰত ডোনাল্ড ট্ৰাম্পে দাবী কৰিছে যে ইৰাণৰ নতুন নেতৃত্বই পুনৰ আলোচনা আৰম্ভ কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে আৰু তেওঁলোকে কথাবতৰাত অংশ ল'বলৈ



সন্মতি জনাইছে। কিন্তু ইৰাণৰ নিৰাপত্তা বিষয়ক প্ৰধান আলি লাৰিজানীয়ে সেই দাবী সম্পূৰ্ণ নাকচ কৰিছে। তেওঁৰ মতে, তেহৰানে বৰ্তমান ট্ৰাম্প প্ৰশাসনৰ সৈতে কোনো ধৰণৰ আলোচনা আৰম্ভ কৰাৰ পৰিকল্পনা নাই।

এই সংঘাতে বিশ্ব শক্তিসমূহক স্পষ্টকৈ দুটা ভাগত বিভক্ত কৰাৰ দৰে পৰিস্থিতি সৃষ্টি কৰিছে। এফালে আছে আমেৰিকা, ইজৰাইল আৰু তেওঁলোকৰ পশ্চিমীয়া মিত্ৰদেশসমূহ। আনহাতে ইৰাণৰ সৈতে সহানুভূতি প্ৰকাশ কৰা কিছুমান দেশো আছে যিসকলে এই সংঘাতত আমেৰিকাৰ ভূমিকাক সমালোচনা কৰিছে। যদিও সকলো দেশেই সামৰিকভাৱে যুদ্ধত নমা নাই, তথাপিও কূটনৈতিক সমৰ্থন আৰু ৰাজনৈতিক মন্তব্যই বিশ্ব ৰাজনীতিত বিভাজন স্পষ্ট কৰি তুলিছে।

এনে পৰিস্থিতিত ভাৰতৰ অৱস্থান বিশেষভাৱে গুৰুত্বপূৰ্ণ হৈ উঠিছে। ভাৰতে ঐতিহাসিকভাৱে ইজৰাইল আৰু ইৰাণ দুয়োখন দেশৰ সৈতে সুসম্পৰ্ক বজাই ৰাখিবলৈ চেষ্টা কৰি আহিছে। ইজৰাইল ভাৰতৰ এক গুৰুত্বপূৰ্ণ সামৰিক আৰু প্ৰযুক্তিগত অংশীদাৰ, আনহাতে ইৰাণ হৈছে শক্তি সম্পদ আৰু আঞ্চলিক কৌশলগত দিশৰ পৰা ভাৰতৰ বাবে এখন গুৰুত্বপূৰ্ণ দেশ।

ভাৰত সাধাৰণতে এনে ধৰণৰ সংঘাতত কাৰোবাৰ পক্ষ লোৱাৰ পৰা আঁতৰি থাকে আৰু কূটনৈতিক সমাধানৰ পক্ষে মত প্ৰকাশ কৰে। ভাৰতৰ মূল লক্ষ্য হৈছে এই সংঘাত যাতে অধিক বিস্তৃত যুদ্ধলৈ ৰূপান্তৰিত নহয় আৰু শক্তি যোগানৰ পথ যাতে বিঘ্নিত নহয়।

মধ্যপ্ৰাচ্য অঞ্চল ভাৰতৰ বাবে শক্তি আমদানিৰ ক্ষেত্ৰত অত্যন্ত গুৰুত্বপূৰ্ণ। বিশেষকৈ পাৰস্য উপসাগৰৰ পৰা বৃহৎ পৰিমাণে তেল ভাৰতলৈ আহে। যদি সংঘাত অধিক বিস্তৃত হয় বা হৰমুজ প্ৰণালীৰ দৰে গুৰুত্বপূৰ্ণ সমুদ্ৰপথ বন্ধ হৈ যায়, তেন্তে ভাৰতৰ শক্তি সুৰক্ষাৰ ওপৰত ডাঙৰ প্ৰভাৱ পৰিব পাৰে।

ভাৰত এতিয়া অত্যন্ত সাৱধানে কূটনৈতিক নীতি অনুসৰণ কৰি আছে। দেশখনে ইজৰাইলৰ সৈতে নিজৰ কৌশলগত সম্পৰ্ক বজাই ৰাখিছে, আনহাতে ইৰাণৰ সৈতে সম্পৰ্ককো অব্যাহত ৰাখিবলৈ যত্ন কৰি আছে।

বিশ্ব ৰাজনীতিত সংঘাতৰ পৰিণতি কি হ'ব, সেয়া এতিয়াও স্পষ্ট নহয়। কিন্তু এটা কথা স্পষ্ট যে পশ্চিম এছিয়াৰ উত্তেজনাই বিশ্ব শক্তিৰ সমীকৰণ নতুনকৈ গঢ়ি তুলিছে। যদি সংঘাত নিয়ন্ত্ৰণৰ বাহিৰলৈ যায়, তেন্তে ইয়াৰ প্ৰভাৱ কেৱল এটা অঞ্চলতেই সীমাবদ্ধ নাথাকিব, বৰং সমগ্ৰ বিশ্ব ৰাজনীতি, অৰ্থনীতি আৰু নিৰাপত্তা ব্যৱস্থাৰ ওপৰত গভীৰ প্ৰভাৱ পেলাব পাৰে।

খোমেইনিৰ পতন ভৱিষ্যত

# অবিভক্ত গোৱালপাৰা কোচ-ৰাজবংশী যুৱ সন্মিলনৰ সংবাদমেল

## বিজেপিক বৰ্জনৰ হুংকাৰ, ভাতৃ সংগঠনক বন্ধৰ নামত হেতালি খেলাৰ পৰা আঁতৰি অহাৰ আহ্বান

**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ১২ মাৰ্চ** ঃ সমাগত অসম বিধানসভা নিৰ্বাচনৰ পূৰ্বে কোচ-ৰাজবংশী জনগোষ্ঠীৰ জনজাতিকৰণ নহ'লে বিজেপি হাটাও কোচ-ৰাজবংশী বাচাও শ্লোগান লৈ কোচ-ৰাজবংশী জনগোষ্ঠীৰ ঘৰে-ঘৰে গৈ বিজেপিৰ বিৰুদ্ধে প্ৰচাৰ চলাব অবিভক্ত গোৱালপাৰা জিলা কোচ-ৰাজবংশী যুৱ সন্মিলনে। তদুপৰি বিজেপিৰ যিকোনো নিৰ্বাচনী সভাত কোচ-ৰাজবংশী জনগোষ্ঠীৰ লোকৰ অংশগ্ৰহণ নিষিদ্ধ কৰা বুলি আজি ঘোষণা কৰিছে সংগঠনটোৰ কেন্দ্ৰীয় সভাপতি বিষ্ণু ৰায়ে। গোসাঁইগাঁও সদৰ চহৰৰ কমলনাথ ক্লাব কাম্ লাইব্ৰেৰীত আজি বিয়লি সংগঠনটোৱে সম্বোধন কৰা সংবাদমেলত সভাপতি বিষ্ণু ৰায়ে কয়, প্ৰয়োজনত কোচ-ৰাজবংশী জনগোষ্ঠীৰ লোকক বিজেপিৰ যিকোনো সভাত অংশগ্ৰহণৰ পৰা বিৰত থাকিবলৈ আহ্বান বা অনুৰোধ নহয়, সকীয়নি প্ৰদান কৰিছে। ভাতৃ সংগঠনৰ দাদা-ভাই সকলে বিজেপিৰ টকা-পইচা খাই কোচ-ৰাজবংশী জনগোষ্ঠীৰ লোকক বিজেপিৰ মেল-মিটিঙত যাবলৈ হেঁচা প্ৰয়োগ কৰিলে তাৰ বিৰুদ্ধে যুৱ সমাজে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব বুলিও হুংকাৰ দিয়ে। ইপিনে ভাতৃ সংগঠন সমূহে বন্ধৰ দৰে কাৰ্যসূচী ঘোষণা কৰি পিছত বন্ধ উঠাই লোৱা খেলখন বন্ধ কৰিবলৈও ৰায়ে আহ্বান জনায়। কোচ-ৰাজবংশী জনগোষ্ঠীৰ জনজাতিকৰণ বা পৃথক কমতাপুৰ গঠনৰ নামত বন্ধ ঘোষণা কৰি বন্ধ উঠাই লোৱাৰ নামত নিজৰ পকেট গৰম কৰা খেল বহু হ'ল বুলিও তেওঁ ক্ষোভ উজাৰে। এই নিকৃষ্ট সংস্কৃতিৰ বেহা পাতি জনগোষ্ঠীটোক লৈ ভাতৃ সংগঠন সমূহে কৰা খেলখনৰ বিৰুদ্ধে যুৱ সমাজে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব বুলিও আন এক হুংকাৰ প্ৰদান কৰিছে সভাপতি বিষ্ণু ৰায়ে। সংবাদমেলত সভাপতি গৰাকীয়ে আৰু কয়, বিগত ২০১৪ চনতে কোচ-ৰাজবংশী সহ আন জনগোষ্ঠীক ছয় মাহৰ ভিতৰত জনজাতিৰ মৰ্যাদা প্ৰদান কৰিবলৈ ৰাজহুৱা ঘোষণা কৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে তিনিটা কাৰ্যকাল সমাপন কৰিবলৈ ওলাইছে। কিন্তু কোচ-ৰাজবংশী সহ আন জনগোষ্ঠীৰ জনজাতিকৰণহে হোৱা নাই। জনজাতিকৰণক লৈ ৰাজ্য তথা কেন্দ্ৰীয় চৰকাৰে বহু হেতালি খেলিছে। এতিয়া চৰকাৰে হেতালি খেলা বন্ধ কৰি নিৰ্বাচনৰ পূৰ্বে জনজাতিৰ মৰ্যাদা প্ৰদান কৰক। অন্যথাই কোচ-ৰাজবংশী জনগোষ্ঠীৰ লোকে বিজেপি হাটাও, কোচ-ৰাজবংশী বাচাও অভিযান আৰম্ভ কৰিবলৈ বাধ্য হ'ব। আনকি প্ৰধানমন্ত্ৰীৰ সমাগত কোকৰাঝাৰৰ সভাত জনগোষ্ঠীটোৰ লোকসকলক অংশ গ্ৰহণৰ পৰা বিৰত থাকিবলৈও কঠোৰ আহ্বান জনায়। বিজেপি দলক কোচ-ৰাজবংশী এলেকাত প্ৰৱেশ নিষিদ্ধ ঘোষণা কৰিছে। সংগঠনটোৱে। সংবাদমেলত সন্মিলনৰ কাৰ্যকৰী সভাপতি দীপক ৰায়, সম্পাদক দ্বীপেন ৰায়, সহকাৰী সম্পাদক নিতাইৰায় প্ৰমুখ্যে আন কেবাগৰাকী বিষয়ববীয়া উপস্থিত থাকে।

# ১২ মাৰ্চত সহকাৰী শ্ৰম আয়ুক্তৰে ত্ৰিপাক্ষিক আলোচনাৰ আশ্বাস; আলোচনা বিফল হ'লে জংগী আন্দোলন গঢ়ি তোলাৰ হুংকাৰ

## টিপুক চাহ বাগিচাত কৰ্মচাৰীৰ অনাদায় পেঞ্চন, গ্ৰেচুইটি প্ৰদানকে ধৰি ১৪ দফীয়া দাবী পূৰণৰ বাবে ৰূপায়ণ কৰা অনিৰ্দিষ্টকালীন অনশন সাময়িকভাৱে স্থগিত

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১২ মাৰ্চ** ঃ ডুমডুমাৰ সমীপত অৱস্থিত আইটিএএচ প্ৰভাত এল এল পি (ITAS PRABHAT LLP, পূৰ্বৰ জেমচ ৱাৰেন টি কোম্পানী ) কোম্পানীৰ অধীনস্থ টিপুক চাহ বাগিচাৰ কৰ্মচাৰীসকলে তেওঁলোকৰ বিভিন্ন দাবীৰ সমৰ্থনত যোৱা ৯ মাৰ্চৰ পৰা এলানি আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিছিল আৰু আজি তৃতীয় দিনা পুৱাৰে পৰা তেওঁলোকৰ ১৪ দফীয়া দাবীৰ সমৰ্থনত অনিৰ্দিষ্টকালীন অনশন কাৰ্যসূচী ৰূপায়ণ কৰি আছিল। আজিৰ এই অনশন কাৰ্যসূচীত অসম চাহ কৰ্মচাৰী সংঘৰ কেন্দ্ৰীয় সভাপতি হিতেন্দ্ৰ কুমাৰ বৰুৱাৰ উপস্থিতিত সংঘৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক ঋষভ কলিতাই কয় যে, ২০২১ চনৰ পৰা টিপুক চাহ বাগিচাৰ কৰ্মচাৰীসকলৰ বিভিন্ন সমস্যা সন্দৰ্ভত অসম চাহ কৰ্মচাৰী সংঘৰ তৰফৰ পৰা বাগিচা কৰ্তৃপক্ষক অৱগত কৰি অহাৰ লগতে সময়ে সময়ে বহুবাৰ আলোচনাতো বহা হৈছে। কিন্তু বাগিচা কৰ্তৃপক্ষই সমস্যা সমূহ সমাধান কৰাৰ কোনো গুৰুত্ব প্ৰদান কৰা নাছিল। যাৰ ফলশ্ৰুতিত সমস্যা সমাধানৰ বাবে যোৱা ৯ মাৰ্চ নিৰ্ধাৰণ কৰি দিয়া হৈছিল। কিন্তু যোৱা ৯ মাৰ্চলৈকে বাগিচা কৰ্তৃপক্ষই কোনো ধৰণৰ গুৰুত্ব নিদিয়াত কৰ্মচাৰী সকলে নিজৰ প্ৰাপ্য আদায়ৰ বাবে ৯ আৰু ১০ মাৰ্চত অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰাৰ পাছত আজি পুৱাৰেপৰা অনিৰ্দিষ্টকাললৈ অনশন কাৰ্যসূচী আৰম্ভ কৰিছিল। আমাৰ প্ৰতিবাদকাৰী সকলে আশা কৰিছিল যে, বাগিচা কৰ্তৃপক্ষ প্ৰতিবাদস্থলীলৈ আহি এই কাৰ্যসূচীক সন্মান জনাব। কিন্তু কৰ্মচাৰীৰ কথা অকণো চিন্তা নকৰা বাগিচা কৰ্তৃপক্ষ প্ৰতিবাদস্থলীৰ সন্মুখেৰে অহা-যোৱা কৰি থকাৰ পাছতো সৌজন্যমূলক সঁহাৰি নজনোৱাটো অতি লাজৰ কথা বুলি কয় সম্পাদক কলিতাই। ইয়াৰ উপৰিও বাগিচা কৰ্তৃপক্ষৰ এনে আচৰণক ধিক্কাৰ দিয়ে প্ৰতিগৰাকী প্ৰতিবাদকাৰী আৰু সাধাৰণ সম্পাদক ঋষভ কলিতাই। আনহাতে আজি প্ৰতিবাদ চলি থকাৰ মাজতে তিনিচুকীয়া জিলাৰ সহকাৰী শ্ৰম আয়ুক্ত গৰাকী উপস্থিত হৈ পৰিস্থিতি অধ্যয়ন কৰি আন্দোলনকাৰীসকলৰ দাবীসমূহৰ গুৰুত্ব বুজি কাইলৈ অৰ্থাৎ ১২ মাৰ্চত তিনিচুকীয়াত এখন ত্ৰিপাক্ষিক আলোচনা অনুষ্ঠিত কৰাৰ আশ্বাস প্ৰদান কৰাত অনিৰ্দিষ্টকালীন অনশন সাময়িকভাৱে স্থগিত ৰাখে। সংঘই সহকাৰী শ্ৰম আয়ুক্তগৰাকীৰ আশ্বাসক আদৰণি জনাই যদিহে এই আলোচনা বিফল হয় তেনেহ'লে অসমৰ আঠ শতাধিক বাগিচাৰ চাহ কৰ্মচাৰীৰ সহযোগত জংগী আন্দোলন গঢ়ি তোলাৰ হুংকাৰ প্ৰদান কৰে। উল্লেখযোগ্য যে ২০২০ চনত টিপুক চাহবাগিচাৰ মালিকীস্বত্ব জেমচ ৱাৰেন টি কোম্পানীৰ পৰা আইটিএএচ প্ৰভাত এল এল পি কোম্পানীলৈ হস্তান্তৰ হোৱাৰ পিছৰে পৰা বাগিচাখনৰ শ্ৰমিক তথা কৰ্মচাৰী সকলে বিভিন্ন সমস্যাৰ সন্মুখীন হৈ আহিছে। সেয়ে কৰ্মচাৰীসকলৰ সমস্যাসমূহ সমাধান কৰাৰ ক্ষেত্ৰত ৰাজ্যৰ শ্ৰম মন্ত্ৰীগৰাকীৰ হস্তক্ষেপ আশা কৰিছে অসম চাহ কৰ্মচাৰী সংঘই।

# গোলাঘাট জিলাত "অৰুণোদয় ৩.০" আঁচনিৰ অধীনত হিতাধিকাৰীলৈ ৯,০০০ টকাকৈ একঁকালীন বিত্তীয় সাহায্য বিতৰণ

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ১২ মাৰ্চ** ঃ অসম চৰকাৰৰ সৰ্ববৃহৎ সমাজ কল্যাণমূলক আঁচনি "অৰুণোদয় ৩.০"ৰ এক গুৰুত্বপূৰ্ণ পৰ্যায় হিচাপে আজি গোলাঘাট জিলাৰ নিৰ্বাচিত হিতাধিকাৰীসকলৰ বেংক একাউণ্টলৈ ৯,০০০ টকাকৈ একঁকালীন বিত্তীয় সাহায্যৰ ৰাশি আনুষ্ঠানিকভাৱে হস্তান্তৰ কৰা হয়। গুৱাহাটীৰ জ্যোতি-বিষ্ণু কলাক্ষেত্ৰত আয়োজিত ৰাজ্যিক পৰ্যায়ৰ মূল কেন্দ্ৰীয় কাৰ্যসূচীত অসমৰ মাননিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে উপস্থিত থাকি এই বিত্তীয় সাহায্য বিতৰণ প্ৰক্ৰিয়াৰ শুভাৰম্ভ কৰে। গুৱাহাটীৰ মূল অনুষ্ঠানটোৰ উপৰিও সমগ্ৰ ৰাজ্যৰ লগতে গোলাঘাট জিলাৰ বহু গাওঁ পঞ্চায়ত পৰ্যায়ত আৰু পৌৰ এলেকাৰ বিভিন্ন ৱাৰ্ডত বিশেষ সভাৰ আয়োজন কৰা হয়। আজিৰ এই কাৰ্যসূচীত গোলাঘাট জিলাৰ ৫টা বিধানসভা সমষ্টিৰ মুঠ ১, ৭০, ৪০১ গৰাকী হিতাধিকাৰীক এই আঁচনিৰ আওতাত সামৰি লোৱা হৈছে। সমষ্টি ভিত্তিত হিতাধিকাৰীৰ তথ্য অনুসৰি, গোলাঘাট বিধানসভা সমষ্টিত ৩৭, ৬৯০ গৰাকী লোক উপকৃত হোৱাৰ বিপৰীতে বোকাখাত সমষ্টিত ৩৩, ৭৫৭ গৰাকী হিতাধিকাৰীয়ে এই সাহায্য লাভ কৰিছে। তদ্ৰূপ, দেৰগাঁও সমষ্টিৰ ৩১, ৫৪৯ গৰাকী, খুমটাই সমষ্টিৰ ৩১, ৬৯৩ গৰাকী আৰু সৰুপথাৰ সমষ্টিৰ ৩৫, ৭১২ গৰাকী হিতাধিকাৰীৰ একাউণ্টলৈ এই বিত্তীয় ৰাশি প্ৰেৰণ কৰা হৈছে। ইয়াৰ অংশ হিচাপে টেঙানী গাঁও পঞ্চায়তত আয়োজিত বিশেষ অনুষ্ঠানত সৰুপথাৰ সমষ্টিৰ মাননিয় বিধায়ক বিশ্বজিৎ ফুকন আৰু গোলাঘাট জিলাৰ জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতী উপস্থিত থাকে। অসম চৰকাৰৰ এই অভিলাষী আঁচনিৰ লক্ষ্য হৈছে মহিলা সবলীকৰণৰ জৰিয়তে প্ৰতিটো দৰিদ্ৰ পৰিয়ালৰ ন্যূনতম মাহেকীয়া আয় সুনিশ্চিত কৰা। আজি প্ৰদান কৰা এই ৯, ০০০ টকাৰ একঁকালীন সাহায্যই হিতাধিকাৰীসকলক তেওঁলোকৰ আৰ্থিক প্ৰয়োজনীয়তা পূৰণত বিশেষভাৱে সহায় কৰিব।

# কামৰূপ জিলাত ভোট গ্ৰহণকাৰী বিষয়াসকলৰ প্ৰশিক্ষণ কাৰ্যসূচী

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১২ মাৰ্চ** ঃ আগন্তুক অসম বিধানসভাৰ সাধাৰণ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত কামৰূপ জিলাৰ দক্ষিণ কামৰূপ মহাবিদ্যালয়ত অহা ১৫ মাৰ্চৰ পৰা ২৮ মাৰ্চলৈ প্ৰিজাইডিং আৰু প্ৰথম, দ্বিতীয় আৰু তৃতীয় পলিং বিষয়াসকলৰ প্ৰশিক্ষণ অনুষ্ঠিত কৰা হ'ব। সেই অনুসৰি প্ৰিজাইডিং আৰু পলিং বিষয়াসকলৰ প্ৰথম পৰ্যায়ৰ প্ৰশিক্ষণ কাৰ্যসূচী ১৫ মাৰ্চ আৰু ১৭ মাৰ্চত দুটা ভাগত অনুষ্ঠিত কৰা হ'ব। এই প্ৰশিক্ষণ ৰাতিপুৱা ১০ বজাৰ পৰা ১.৩০ বজালৈ আৰু দিনৰ ২.৩০ বজাৰ পৰা ৫.৩০ বজালৈ অনুষ্ঠিত কৰা হ'ব। ইয়াৰ উপৰিও দ্বিতীয় পৰ্যায়ৰ প্ৰশিক্ষণ কাৰ্যসূচী অহা ২৬, ২৭ আৰু ২৮ মাৰ্চ তাৰিখে একে সময়সূচী অনুসৰি দুটা ভাগত অনুষ্ঠিত কৰা হ'ব। ইয়াৰ লগতে ভোটগ্ৰহণ প্ৰক্ৰিয়া সঠিকভাৱে সম্পাদন কৰাৰ বাবে গোট প্ৰশিক্ষণৰ ব্যৱস্থাও কৰা হ'ব। এই সন্দৰ্ভত কামৰূপৰ জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া দেৱ কুমাৰ মিশ্ৰই আগন্তুক বিধানসভা নিৰ্বাচন সুকলমে, স্বচ্ছ আৰু নিৰপেক্ষভাৱে অনুষ্ঠিত কৰাৰ বাবে ভোটগ্ৰহণকাৰী বিষয়াসকলক সুসংগঠিত আৰু ব্যৱহাৰিক প্ৰশিক্ষণ প্ৰদান লক্ষ্যৰে আয়ুক্ত গৰাকীয়ে সকলো প্ৰিজাইডিং আৰু পলিং বিষয়াক নিৰ্ধাৰিত সময়ত প্ৰশিক্ষণত উপস্থিত থাকি প্ৰশিক্ষণ সম্পূৰ্ণ মনোযোগেৰে গ্ৰহণ কৰিবলৈ আহ্বান জনায়। ইয়াৰ উপৰিও প্ৰশিক্ষণৰ সময়ত ইভিএম (EVM) আৰু ভিভিপেট (VVPAT) ব্যৱহাৰৰ পদ্ধতি, ভোটগ্ৰহণ কেন্দ্ৰত পালন কৰিবলগীয়া নিয়মাৱলী, ভোটগ্ৰহণ প্ৰক্ৰিয়াৰ বিভিন্ন দিশৰ লগতে ভোটগ্ৰহণৰ দিনা অনুসৰণ কৰিবলগীয়া প্ৰক্ৰিয়াসমূহৰ বিষয়ে বিস্তৃতভাৱে অৱগত কৰা হ'ব। উল্লেখ্য যে আগন্তুক অসম বিধানসভাৰ সাধাৰণ নিৰ্বাচন সুকলমে আৰু সফলভাৱে সম্পন্ন কৰাৰ বাবে জিলা প্ৰশাসনে ইতিমধ্যে প্ৰয়োজনীয় সকলো ধৰণৰ প্ৰস্তুতি গ্ৰহণ কৰি থকা হৈছে।

### 'মাতৃ হিচাপে ভৱিষ্যত প্ৰজন্মৰ বাবে মই বিচৰা সমাজখন' শীৰ্ষক বক্তৃতানুষ্ঠান

# লখিমপুৰৰ নাওবৈচাত আন্তৰ্জাতিক নাৰী দিৱস উদ্‌যাপন

**অসম বাৰ্তা, লীলাবাৰী, ১২ মাৰ্চ** ঃ লখিমপুৰ জিলাৰ অবিভক্ত নাওবৈচা আঞ্চলিক মহিলা কল্যাণ আৰু সুৰক্ষা সমিতিৰ উদ্যোগত আৰু খকনবড়ী ৰাইজৰ সহযোগত দুদিনীয়া কাৰ্যক্ৰমণিকাৰে সমিতিৰ দশম দ্বি-বাৰ্ষিক অধিৱেশন আৰু আন্তৰ্জাতিক নাৰী দিৱস উদযাপন কৰে। ৭ মাৰ্চৰ দুপৰীয়া বিষয়-বাছনি সভাৰে আঞ্চলিক ভিত্তিৰ মহিলা কল্যাণ আৰু সুৰক্ষা সমিতিৰ নতুন সমিতিখন গঠন কৰে। আজি আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে খকনবড়ী হৰি মন্দিৰত সমিতিৰ সভানেত্ৰী মল্লিকা গগৈৰ পতাকা উত্তোলনেৰে আৰম্ভণি হোৱা অনুষ্ঠানত 'মাতৃ হিচাপে ভৱিষ্যত প্ৰজন্মৰ বাবে মই বিচৰা সমাজখন' শীৰ্ষক বক্তৃতানুষ্ঠান বিশিষ্ট কবি বুলুমণি বড়িৰ সঞ্চালনাত অনুষ্ঠিত হয়। উল্লেখ্য যে, বক্তৃতানুষ্ঠানত নাৰীৰ অধিকাৰ, স্বাৱলম্বীতা, সমাজখনৰ ভৱিষ্যৎ প্ৰজন্মৰ অতি স্পৰ্শকাতৰ সমস্যাই বিশেষভাৱে স্থান পায়। সমিতিৰ স্থায়ী সভানেত্ৰী মল্লিকা গগৈৰ সভাপতিত্ব অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰে বিশিষ্ট লেখিকা ধনদা দেৱীয়ে। দৈনিক অসম কাকতৰ লখিমপুৰৰ জ্যেষ্ঠ সাংবাদিক প্ৰিয়মজ্যোতি ফুকনে মুকলি সভাত মুখ্য বক্তা ৰূপে অংশগ্ৰহণ কৰি নাৰী দিৱসৰ তাৎপৰ্য, মহিলাৰ অধিকাৰ, শিক্ষা আৰু স্বাস্থ্য সন্দৰ্ভত বক্তব্য ৰাখে। সাংবাদিক ফুকনে ১৮৫৭ চনৰ মাৰ্কিন যুক্তৰাষ্ট্ৰৰ সূতা কাৰখানাৰ নাৰী শ্ৰমিকে শ্ৰম বৈষম্যতাৰ বিৰুদ্ধে কৰা প্ৰতিবাদ সন্দৰ্ভত উল্লেখ কৰি সাম্প্ৰতিক সময়ত নাৰীৰ স্বাধীনতা সন্দৰ্ভত প্ৰশ্ন উপস্থাপন কৰে আৰু সকলো নাৰীকে স্বাৱলম্বিতাৰ কাজ কৰিবলৈ আহ্বান জনায়। অৰ্ধশতাধিক মহিলাই অংশগ্ৰহণ কৰা অনুষ্ঠানটিত বহুকেইজন বক্তাই নাৰী সৱলীকৰণ সন্দৰ্ভত বক্তব্য ৰাখে।

# ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাৰ কাৰ্যালয়ত পুথিভঁৰালৰ আধাৰশিলা স্থাপন



**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১২ মাৰ্চ** ঃ সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ অন্যতম সক্ৰিয় আঞ্চলিক ৰূপে চিহ্নিত ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাৰ কাৰ্যালয়ত নিৰ্মাণ কৰিবলৈ লোৱা পুথিভঁৰালৰ আধাৰশিলা আজি মাংগলিক ৰীতি-নীতিৰে স্থাপন কৰা হয়। উল্লেখযোগ্য যে, ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাৰ দ্বিতীয় মহলাত নিৰ্মাণ হ'বলগীয়া এই পুথিভঁৰালৰ আধাৰশিলা স্থাপন কাৰ্যসূচীত ৰূপবন মিলন নামঘৰৰ নামঘৰীয়া ৰঞ্জিত বৰা আৰু ভকত ভোলা বৰাই ধৰ্মীয় ৰীতি-নীতি সমাপন কৰে। সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সভাপতি প্ৰতিম নেওগ, সহকাৰী সাধাৰণ সম্পাদকদ্বয় পাপু মৰাণ, মনোজ মৰাণ, সাংগঠনিক সম্পাদক অমৃত সিং পাল, ডুমডুমা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ বীৰেন্দ্ৰ হাজৰিকা, তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ প্ৰাক্তন সভাপতি অনুজ কলিতা, ডুমডুমা প্ৰেছ ক্লাবৰ সভাপতি মনোজ দত্ত, ডুমডুমা শতদল শাখা সাহিত্য সভাৰ সভাপতি দেবেন ডেকা, বিশিষ্ট সমাজকৰ্মী অৰূপজ্যোতি ডেকা, অসম নাট্য সন্মিলনৰ সাংগঠনিক সম্পাদক সাৰংগ নাথ, ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি উত্তম বৰুৱা, প্ৰাক্তন আছু নেতা মণ্টু বুঢ়াগোহাঁই, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, ডুমডুমা আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক ছত্ৰপতি মৰাণ, শিক্ষক তথা সমাজকৰ্মী দিলীপ প্ৰসাদকে প্ৰমুখ্য কৰি বহুসংখ্যক বিশিষ্ট ব্যক্তি আৰু ছাত্ৰ সন্থাৰ কৰ্মীসকলক উপস্থিত থকা এই আধাৰশিলা কাৰ্যসূচীৰ অন্তত ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি বিৰাজ গোহাঁই আৰু সাধাৰণ সম্পাদক সমুজ্জ্বল বড়া সোণোৱালে কয় যে, ডুমডুমা চহৰৰ মাজমজিয়াত নিৰ্মাণ কৰিবলৈ লোৱা এই পুথিভঁৰালটোৱে অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকলক যথেষ্ট উপকৃত কৰিব। অত্যাধুনিক সা-সুবিধাৰে নিৰ্মাণ কৰিবলৈ লোৱা এই পুথিভঁৰাল সকলোৰে বাবে মুকলি থাকিব। উল্লেখযোগ্য যে, ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাৰ এনে প্ৰশংসনীয় পদক্ষেপৰ বাবে ইয়াৰ বৌদ্ধিক মহলে শলাগ লৈছে।

### দুৰ্বৃত্তক কঠোৰতম শাস্তি প্ৰদানৰ দাবী নাৰী সংগঠন ৱাৰিয়ৰ্চৰ

# প্ৰসংগঃ মুকালমুৱাত সোপাধৰাৰ সন্দেহত মহিলাক তালিবাণী শাস্তি

## ৭ অভিযুক্তক কৰায়ত্ত মুকালমুৱা আৰক্ষীৰ

**অসম বাৰ্তা, দৌলাশাল, ১২ মাৰ্চ** ঃ অভি, নীল হত্যাকাণ্ডৰ দৰে নলবাৰীৰ মুকালমুৱাত সংঘটিত আন এক চাঞ্চল্যকৰ নাৰকীয় ঘটনাই জোকাৰি গৈছে সমগ্ৰ ৰাজ্য। এগৰাকী মানসিক বাধাগ্ৰস্ত মহিলাক সোপাধৰা সজাই অমানুষিক অত্যাচাৰ চলোৱা কাণ্ডক লৈ সৰ্বত্ৰে প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অন্ধবিশ্বাসৰ কৰালগ্ৰাসত পৰি মানসিকভাৱে বাধাগ্ৰস্ত মহিলাগৰাকীয়ে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হস্পিটালত জীৱন মৃত্যুৰে যুঁজি থাকিবলগীয়া হৈছে। কামৰূপ জিলাৰ হাজো থানাৰ অন্তৰ্গত খোপনিকুছি গাঁৱৰ মৌজাদাৰপাম চুবুৰীৰ মানসিকভাৱে বাধাগ্ৰস্ত মহিলাগৰাকীয়ে কালি মুকালমুৱাৰ সাপ্তাহিক বজাৰলৈ আহে। ভিক্ষা মাগি পেট প্ৰৱৰ্তাই অহা মহিলাগৰাকীয়ে কালি ভিক্ষা বিচৰাৰ উদ্দেশ্যৰে পুৱাৰ ভাগতে মুকালমুৱাৰ মঙ্গলবৰীয়া বজাৰত উপস্থিত হয়। বজাৰত ভিক্ষা বিচাৰি থাকোঁতেই মহিলাগৰাকীক একাংশই সোপাধৰা সজাই অত্যাচাৰ চলায়। তাৰ পাছতেই একাংশ উন্মাদ লোকে মহিলাগৰাকীৰ ওপৰত অতি নিৰ্দয়ভাৱে জঁপিয়াই পৰে। মহিলাগৰাকীক একাংশই চৰ, গোৰ শোধাই কাপোৰ পৰ্য্যন্ত ফালি পেলোৱাৰ সময়ত একাংশ দানৱে বাঁহ, লাঠি, টাঙোন আদিৰে অতি বৰ্বৰ আৰু নিদাৰুণভাৱে আক্ৰমণ কৰে। উন্মাদ লোকসকলে ইমানতেই শান্ত নাথাকি মহিলাগৰাকীক খুঁটা এটা বান্ধি নাৰকীয়ভাৱে অত্যাচাৰ চলাই আসুৰিক তৃপ্তি লাভ কৰে। সাপ্তাহিক বজাৰৰ সহস্ৰাধিক ক্ৰেতা-বিক্ৰেতাই এই ঘটনা স্বচক্ষে প্ৰত্যক্ষ কৰে যদিও মহিলাগৰাকীক উদ্ধাৰৰ বাবে কোনো এগৰাকী লোকে আগবাঢ়ি নগ'ল। বৰঞ্চ সৰহ সংখ্যক প্ৰত্যক্ষদৰ্শীয়ে সমগ্ৰ ঘটনা নিজৰ নিজৰ ম'বাইলৰ কেমেৰাত বন্দী কৰে। পৰৱৰ্তী সময়ত অসহায় মহিলাগৰাকীক মুকালমুৱা আৰক্ষীয়ে মুমূৰ্ষু অৱস্থাত উদ্ধাৰ কৰি মুকালমুৱা অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰায় যদিও মহিলাগৰাকীৰ অৱস্থা সংকটজনক হোৱাহেঁতুকে ততাতৈয়াকৈ নলবাৰী মেডিকল কলেজ হস্পিটালত ভৰ্তি কৰায়। জানিব পৰা মৰ্মে মহিলাগৰাকীয়ে সম্প্ৰতি গুৱাহাটী মেডিকেল কলেজ হস্পিটালত জীৱন মৃত্যুৰে যুঁজ চলাই গৈছে। ঘটনা সংঘটিত হোৱাৰ পাছতেই মুকালমুৱা আৰক্ষীয়ে দুৰ্বৃত্তক বিচাৰি অভিযান চলায়। মহিলাগৰাকীৰ সম্পৰ্কীয় ভাতৃ এগৰাকীয়ে ঘটনা সংক্ৰান্তত কালি নিশাই মুকালমুৱা থানাত দাখিল কৰে এজাহাৰ। মুকালমুৱা আৰক্ষীয়ে ঘটনা সংক্ৰান্তত 32/26 নম্বৰত ভাৰতীয় ন্যায় সংহিতা আইনৰ 189(2)/126(2)/117(4)/118(2)/76/109(1) ধাৰাত গোচৰ ৰুজু কৰে। ঘটনাৰ তদন্তকাৰী বিষয়া অৰ্নিৰ্বান ৰাহাঙে ক্ষিপ্ৰগতিৰে দুৰ্বৃত্তক বিচাৰি অভিযান চলাই নিশাই এগৰাকী মহিলাসহ ৭ গৰাকী অভিযুক্তক গ্ৰেপ্তাৰ কৰে। আটকাধীন কেইজন মুকালমুৱা গাঁৱৰ ক্ৰমে মৰিয়ম বিবি, চাহজাহান আলী, মালেক দেৱান, ছহিদুল ইছলাম, মহিদুল হক, মুক্তাৰ ৰহমান আৰু চফিল আলী বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে কেওজনকে অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে। ঘটনাত জড়িত আন কেইবাজনো অভিযুক্ত শীঘ্ৰেই আৰক্ষীৰ জালত পৰিব বুলি অনুমান কৰা হৈছে। মানৱতাৰ স্খলন ঘটনা এই ঘটনাক লৈ সমগ্ৰ অসমতে প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। নাৰী সংগঠন ৱাৰিৱৰ্চৰ ৰাজ্যিক সমন্বয়ক মঞ্জু বৈশ্যই এই ঘটনাক অতিকৈ ভয়ংকৰ আখ্যা দি ঘটনাত জড়িত থকা প্ৰতিজন দানৱক চিনাক্ত কৰি কঠোৰতম শাস্তি প্ৰদান কৰিবলৈ দাবী জনায়। মঞ্জু বৈশ্যই লগতে সোপাধৰাৰ উৰাবাতৰি সম্পৰ্কত আৰক্ষী আৰু প্ৰশাসনক সজাগতা সভাৰে ৰাইজক সজাগ আৰু সতৰ্ক কৰিবলৈ আহ্বান জনায়।

# আইএএছ আয়ুশী জৈনৰ দৰং জিলাৰ ৩৪ তম্ জিলা দণ্ডাধীশ হিচাপে দায়িত্ব গ্ৰহণ

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১২ মাৰ্চ** ঃ আইএএছ বিষয়া আয়ুশী জৈনে বুধবাৰে দৰং জিলাৰ ৩৪তম জিলা দণ্ডাধীশ হিচাপে আনুষ্ঠানিকভাৱে কাৰ্যভাৰ গ্ৰহণ কৰে। তেওঁ দৰং জিলাৰ মঙলদৈত জিলা দণ্ডাধীশৰ কাৰ্যালয়ত ৩৪ তম জিলা দণ্ডাধীশ হিচাপে প্ৰাক্তন জিলা দণ্ডাধীশ পুৱালি গোহাঁইৰ পৰা দায়িত্ব গ্ৰহণ কৰে। ইয়াৰ পূৰ্বে জৈনে অসম চৰকাৰৰ বিত্ত বিভাগত যুটীয়া সচিব হিচাপে কাম কৰি আছিল। একে সময়তে, প্ৰাক্তন জিলা দণ্ডাধীশ পুৱালি গোহাঁইক গোলাঘাট জিলাৰ জিলা দণ্ডাধীশৰ পদলৈ বদলি কৰা হৈছে। আয়ুশী জৈনৰ নতুন দায়িত্ব অসমৰ প্ৰশাসনিক গাঁথনিৰ এক গুৰুত্বপূৰ্ণ পৰিৱৰ্তনৰ অংশ। প্ৰশাসনিক কেন্দ্ৰ হিচাপে থকা দৰং জিলাৰ মঙলদৈত বিভিন্ন উন্নয়নমূলক প্ৰকল্প আৰু জনকল্যাণমূলক আঁচনি ৰূপায়ণৰ বাবে জনাজাত। নতুন জিলা দণ্ডাধীশৰ নেতৃত্বত জিলাখনৰ প্ৰগতিয়ে এক নতুন গতি লাভ কৰিব বুলি আশা কৰা হৈছে। স্থানীয় প্ৰশাসনিক সূত্ৰৰ মতে, আয়ুশী জৈনে তেওঁৰ পূৰ্বৰ অভিজ্ঞতাৰ আধাৰত বিত্তীয় ব্যৱস্থাপনা আৰু উন্নয়নৰ কামত অৰিহণা যোগাব। পুৱালি গোহাঁইয়ে তেওঁৰ কাৰ্যকালত জিলাখনত বহুতো উল্লেখযোগ্য পদক্ষেপ গ্ৰহণ কৰিছিল। এই পদোন্নতি আৰু বদলি হৈছে অসম চৰকাৰৰ নিয়মীয়া প্ৰশাসনিক প্ৰক্ৰিয়াৰ অংশ, যাৰ ফলত বিষয়াসকলৰ মাজত অভিজ্ঞতাৰ উন্নত বিতৰণ নিশ্চিত হয়।

# গাহৰি পালনেৰে স্বাৱলম্বী কাচখানাৰ যুৱক

**অসম বাৰ্তা, আগমনি, ১২ মাৰ্চ** ঃ ধুবুৰী জিলাৰ গোলকগঞ্জ সমষ্টিৰ অন্তৰ্গত কাচখানা গাঁৱৰ শিক্ষিত যুৱকে চৰকাৰী চাকৰিৰ মোহ এৰি উন্নতমানৰ পশু-পালনেৰে আত্মসংস্থাপিত হোৱাৰ লগতে নিবনুৱা যুৱকসকললৈ আদৰ্শ দাঙি ধৰিছে। বিজু ৰায় নামৰ যুৱক প্ৰাথমিক কালত ১৪০ টকা মূলধনেৰে থলুৱা প্ৰজাতিৰ গাহৰি পালন কৰে। ইয়াৰ কিছুদিন পিছত উন্নত প্ৰজাতিৰ গাহৰি পালন কৰিবলৈ লয়। ইয়াৰ বাবে ওচৰে-পাজৰে থকা চকুচৰহা লোকৰ কটু শব্দ শুনিব লগা হৈছে নিচ জাত, ডোম চাৰাল, এনেকুৱা কৈ গালি দিয়াৰ বাবে তেওঁ আমাৰ সাংবাদিকৰ আগত কিছু সময়ৰ বাবে আবেগিক হৈ পৰে। গাহৰি পালনৰ বাবে প্ৰয়োজনীয় আচুতিয়া ক্ষেত্ৰত ১০টা কোঠালি যুক্ত পকী গোহালি নিৰ্মাণ কৰি উপযুক্ত পানী আৰু বিদ্যুতৰ ব্যৱস্থাৰে বিজুয়ে গাহৰি পালন আৰম্ভ কৰে। বিজু গাহৰি ফাৰ্মৰ স্বত্বাধিকাৰী নৱপ্ৰজন্মক জনায় যে চৰকাৰী চাকৰি বিচাৰি হাবাথুৰি খাই সময় অপচয় কৰাৰ পৰিৱৰ্তে যুৱক যুৱতী আৰম্ভ কৰক পশু পালন। শেহতীয়াকৈ কোনোবাই যদি ইচ্ছুক গাহৰি ফাৰ্ম কৰিবলৈ তেনেহলে বিজু গাহৰি ফাৰ্মৰ লগত যোগাযোগ কৰিব। বিজুৰ ফাৰ্মত উন্নত জাতৰ গাহৰি পোৱালি পোৱা যায় - হেম্পশ্বায়াৰ, য়ৰ্কশ্বায়াৰ, ড্যুৰোক, এফ ওৱান, এফ টু, ইত্যাদি। অসমৰ জলবায়ু যিহেতু গাহৰি পালনৰ অনুকূল তথা মাংসৰ চাহিদা অতি বেছি সেয়েহে, গৰু ম'হৰ সলনি গাহৰি পালন কৰিলে কম সময়তে যথেষ্ট টকা উপাৰ্জন কৰিব পাৰি বুলি তেওঁ কয়। বিজু ৰায়ৰ সহায়ক হিচাপে কৰ্মৰত হৈ সম্প্ৰতি গাঁওখনৰে দুটা পৰিয়ালৰ জীৱন নিৰ্বাহ হৈছে। স্থানীয়ভাৱে গাহৰি পালন কৰি নিবনুৱা যুৱকসকল যে স্বাৱলম্বী হোৱাৰ লগতে আৰ্থিকভাৱেও সচ্ছল হ'ব পাৰে তাৰেই উদাহৰণ হৈছে বিজু ৰায়। চৰকাৰী দিহা আৰু অৰ্থ সাহায্য নোহোৱাকৈ এনে সাফল্য নৱপ্ৰজন্মৰ বাবে নিতান্তই আদৰ্শনীয়।

### চাপৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া নিপুমণি চৌধুৰীৰ নেতৃত্বত চলিছিল এই অভিযান

# নিশা চাপৰৰ হাতিপোতাত চাপৰ আৰক্ষীৰ অভিযান, জব্দ ছটা গো ধন আৰু আটক ৪

**অসম বাৰ্তা, চাপৰ, ১২ মাৰ্চ** ঃ ধুবুৰী জিলাৰ চাপৰ থানাৰ অন্তৰ্গত হাতিপোতাস্থিত ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত নিশা গৰু ভৰ্তি XYLO বাহন জব্দ কৰে চাপৰ আৰক্ষীয়ে। এক গোপন সূত্ৰৰ ভিত্তিত চাপৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া নিপু মনি চৌধুৰীয়ে অভিযান চলাই চাপৰৰ হাতিপোতাস্থিত ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত খেদি খেদি গৰু ভৰ্তি VIP XYLO বাহনখন জব্দ কৰে। চাপৰ আৰক্ষীয়ে ৬ টাকৈ গো ধন সহ চাৰিজনকৈ গো ব্যৱসায়িক আটক কৰিবলৈ সক্ষম হয়। লগতে গো ধন কঢ়িয়াই অনা বাহনখনৰ CID হিচাপে অহা এখন বলেৰো বাহন জব্দ কৰে। গো ধন সৰবৰাহ কৰি অনা XYLO বাহন খনৰ নম্বৰ হৈছে AS-01-BG-9898 আৰু বলেৰো বাহন খনৰ নম্বৰ হৈছে AS-15-N-4035। আটকাধীন গো ব্যৱসায়ী কেইজন ছমশেৰ আলী, ছানোৱাৰ হুছেইন, মফিদুল ইছলাম আৰু ৰাসিদুল ইছলাম। আটাই কেইজনৰ ঘৰ বিলাসীপাৰাত বুলি জানিব পৰা গৈছে। ঘটনা সন্দৰ্ভত ইতিমধ্যে আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

## লক্ষ্য চাহ জনগোষ্ঠীয়

লুৰীণজ্যোতি গগৈৰ নেতৃত্বত গঠিত প্ৰতিনিধি দলে। এই সাক্ষাৎকালত গৌৰৱ গগৈক হেমন্ত চোৰেণৰ সন্মুখত নতশিৰ কৰা দেখা গৈছে, যিটো দৃশ্যই ৰাজনৈতিক মহলে ব্যাপক চৰ্চাৰ সৃষ্টি কৰিছে। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈৰ সৈতে ৰাষ্ট্ৰীয় নেতা তথা অসমৰ পৰ্যবেক্ষক জিতেন্দ্ৰ সিঙে যোগ দিছিল। আনহাতে অসম জাতীয় পৰিষদৰ প্ৰতিনিধি দলত আছিল সভাপতি লুৰীণজ্যোতি গগৈৰ লগতে চিত্ৰৰঞ্জন বসুমতাৰী আৰু ৰাজেন গোঁহাই। লুৰীণজ্যোতি গগৈয়ে সামাজিক মাধ্যমত এই সাক্ষাৎকাৰৰ বিষয়ে অৱগত কৰি লিখিছে, "ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী তথা ঝাৰখণ্ড মুক্তি মৰ্চাৰ সভাপতি হেমন্ত চোৰেণ ডাঙৰীয়াক ৰাঁচীস্থিত মুখ্যমন্ত্ৰীৰ আৱাসত সাক্ষাৎ কৰিলোঁ। সাক্ষাৎকালত আঞ্চলিক ৰাজনীতি শক্তিশালী কৰা আৰু কেন্দ্ৰৰ আধিপত্যবাদী ৰাজনীতিৰ বিপক্ষে ৰাজ্যসমূহৰ কণ্ঠ অধিক শক্তিশালী কৰাৰ প্ৰয়োজনীয়তা সম্পৰ্কে বিস্তৃত আলোচনা কৰিলোঁ। দেশৰ যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা ৰক্ষা কৰিবলৈ আৰু ৰাজ্যসমূহৰ অধিকাৰ সুৰক্ষিত কৰিবলৈ আঞ্চলিক শক্তিসমূহে একত্ৰিতভাৱে আগবাঢ়ি অহাটো সময়ৰ দাবী।" তেওঁ লগতে কয় যে অসমত বিজেপি চৰকাৰৰ দুৰ্বল শাসন, ভ্ৰষ্টাচাৰ আৰু জনবিৰোধী নীতিৰ বিৰুদ্ধে জনসাধাৰণৰ অসন্তোষ বৃদ্ধি পাইছে। আগন্তুক বিধানসভা নিৰ্বাচনত এই চৰকাৰক উৎখাত কৰি গণতান্ত্ৰিক, জনমুখী আৰু শক্তিশালী বিকল্প গঢ়ি তোলাৰ বাবে আঞ্চলিক শক্তিসমূহে দৃঢ় ভূমিকা ল'ব লাগিব বুলি তেওঁ হেমন্ত চোৰেণক আহ্বান জনাইছে। এই তৎপৰতাৰ মূল কাৰণ হিচাপে ধৰা হৈছে ৬ মাৰ্চত অখিল গগৈৰ বিশ্বনাথ চাৰিআলিৰ বাসগৃহত অনুষ্ঠিত গোপন বৈঠক। ঝাৰখণ্ডৰ কেবিনেট মন্ত্ৰী চামৰা লিন্দা আৰু ট্ৰাইবেল সংঘৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক বিশ্বনাথ তিৰ্কীয়ে এই বৈঠকত অংশগ্ৰহণ কৰিছিল। আলোচনাত আগন্তুক অসম বিধানসভা নিৰ্বাচনত ৰাইজৰ দল (অখিল গগৈ), ঝাৰখণ্ড মুক্তি মৰ্চা আৰু সদ্যগঠিত জয় ভাৰত পাৰ্টিৰ মাজত মিত্ৰতা গঢ়ি তোলাৰ সম্ভাৱনা চৰ্চা হৈছিল। হেমন্ত চোৰেণে অসম ভ্ৰমণকালত ৪০টাতকৈ অধিক সমষ্টিত (বিশেষকৈ চাহ বাগান অধ্যুষিত অঞ্চলত) জেএমএম আৰু জয় ভাৰত পাৰ্টিয়ে প্ৰাৰ্থিত্ব দিয়াৰ ঘোষণা কৰিছিল। এই মিত্ৰতা বাস্তৱত পৰিণত হ'লে আদিবাসী ভোটৰ বৃহত্তৰ অংশ বিৰোধী শিবিৰলৈ ঢাল খাব বুলি আশংকা প্ৰকাশ পাইছে। প্ৰাপ্ত তথ্য অনুসৰি, হেমন্ত চোৰেণে অসমত জনসভাত আদিবাসী সমাজৰ ব্যাপক সমৰ্থন লাভ কৰিছে। এতিয়া কংগ্ৰেছ আৰু অসম জাতীয় পৰিষদৰ নেতৃত্বই জেএমএমৰ সৈতে সংযোগ স্থাপন কৰি অখিল গগৈৰ সৈতে সম্ভাব্য মিত্ৰতাৰ পথ ৰোধ কৰিবলৈ চেষ্টা চলাইছে। যদি জয় ভাৰত পাৰ্টি আৰু ঝাৰখণ্ড মুক্তি মৰ্চা বিৰোধী মিত্ৰজোঁটত চামিল হয়, তেন্তে ২০২৬ৰ বিধানসভা নিৰ্বাচনত অসমৰ ৰাজনৈতিক সমীকৰণ সম্পূৰ্ণৰূপে সলনি হ'ব পাৰে। এই সাক্ষাৎকাৰ আৰু আলোচনাই অসমৰ ৰাজনীতিত নতুন অধ্যায়ৰ সূচনা কৰিব পাৰে বুলি ৰাজনৈতিক বিশ্লেষকসকলে মন্তব্য কৰিছে। বিৰোধী শিবিৰৰ এই তৎপৰতাই বিজেপিৰ বিৰুদ্ধে এক শক্তিশালী মিত্ৰজোঁট গঠনৰ ইংগিত দিছে।

## বিশিষ্ট ক্ৰীড়া সাংবাদিক

জনিত ৰোগত ভুগি থকা শৰ্মাই বৃহস্পতিবাৰে নিশা প্ৰায় ৮.৫০ বজাত গুৱাহাটীৰ পাণবজাৰস্থিত নিজ বাসগৃহত শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৬ বছৰ। প্ৰেমধৰ শৰ্মা অসমৰ ক্ৰীড়া ইতিহাসৰ এক জীৱন্ত সাক্ষী আছিল। প্ৰথম শ্ৰেণীৰ ফুটবল ৰেফাৰী হিচাপে কাৰ্যকাল সমাপ্ত কৰাৰ পাছত তেওঁ আকাশবাণীৰ জনপ্ৰিয় ধাৰাভাষ্যকাৰ হিচাপে পৰিচিতি লাভ কৰিছিল। ১৯৭০ চনৰ পৰা ১৯৯৫ চনলৈকে বৰদলৈ ট্ৰফীকে ধৰি বিভিন্ন ফুটবল প্ৰতিযোগিতাত তেওঁৰ মধুৰ কণ্ঠৰ ধাৰাভাষ্যই লাখ লাখ শ্ৰোতাক মোহিত কৰিছিল। প্ৰেমধৰ শৰ্মা কেৱল এজন সাংবাদিক বা ধাৰাভাষ্যকাৰেই নাছিল, তেওঁ আছিল একাধাৰে ক্ৰীড়া সংগঠক, প্ৰশাসক আৰু সমাজসেৱী। তেওঁ অসম অলিম্পিক সন্থা, অসম ফুটবল সন্থা, অসম কাবাডী সন্থা (য'ত তেওঁ ১৯৭৬ চনত প্ৰতিষ্ঠাপক সচিব হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিছিল), অসম টেবুল টেনিছ সন্থা, গুৱাহাটী প্ৰেছ ক্লাব, সদৌ অসম ফুটবল ৰেফাৰী সন্থা, অসম ক্ৰিকেট সন্থা, গুৱাহাটী ক্ৰীড়া সন্থা, সৰ্বভাৰতীয় ক্ৰীড়া সাংবাদিক সন্থা আৰু অসম ভলীবল সন্থাৰ দৰে বহুতো গুৰুত্বপূৰ্ণ সংগঠনৰ সৈতে বিভিন্ন পদত জড়িত আছিল। ক্ৰীড়া সাংবাদিকতাৰ স্বীকৃতি স্বৰূপে তেওঁ দেশ-বিদেশৰ বহুতো ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া অনুষ্ঠানত অংশগ্ৰহণ কৰিছিল। তেওঁৰ অৱদানৰ স্বীকৃতি স্বৰূপে ভাৰত চৰকাৰে তেওঁক ঞ্চঞ্চপদ্মশ্ৰীঞ্চঞ্চ সন্মানেৰে বিভূষিত কৰিছিল। প্ৰয়াত শৰ্মাই পত্নী, দুগৰাকী পুত্ৰ-বোৱাৰী, জী-জোঁৱাই, নাতিনী আৰু বহু আত্মীয়-স্বজন এৰি থৈ গৈছে। তেওঁৰ মৃত্যুত ৰাজ্যৰ ক্ৰীড়া জগতত গভীৰ শোকৰ ছাঁ পৰিছে। মিডিয়া এছ'চিয়েচন অসমৰ সভাপতি হীৰেন চন্দ্ৰ কলিতা আৰু সচিব প্ৰধান চন্দ্ৰ কুমাৰ শৰ্মাই শোকবাৰ্তাত তেওঁৰ বিদেহ আত্মাৰ সদগতি কামনা কৰি শোকসন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে। গুৱাহাটী প্ৰেছ ক্লাবৰ সভাপতি খগেন কলিতা আৰু সাধাৰণ সম্পাদক অমৰেন্দ্ৰ ডেকাই কয় যে, প্ৰেমধৰ শৰ্মাৰ বিয়োগ অসমৰ ক্ৰীড়া জগতৰ বাবে অপূৰণীয় ক্ষতি। তেওঁ কেৱল এজন সাংবাদিক বা সংগঠক নহয়, জনপ্ৰিয় ধাৰাভাষ্যকাৰ হিচাপেও অসমৰ ক্ৰীড়া ইতিহাসত অমৰ হৈ ৰ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গভীৰ শোক প্ৰকাশ কৰি কয়, "প্ৰবীণ ক্ৰীড়া সাংবাদিক আৰু সংগঠক প্ৰেমধৰ শৰ্মাৰ বিয়োগৰ খবৰে মোক মৰ্মাহত কৰিছে। বৰদলৈ ট্ৰফী আৰু অন্যান্য ফুটবল প্ৰতিযোগিতাত তেওঁৰ ধাৰাভাষ্যই অসমৰ ক্ৰীড়া অনুৰাগীসকলক মোহিত কৰিছিল। তেওঁৰ বিয়োগ অসমৰ বাবে অপূৰণীয় ক্ষতি। তেওঁৰ আত্মাৰ চিৰশান্তি কামনা কৰোঁ আৰু শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰোঁ।" প্ৰেমধৰ শৰ্মাৰ এই বিয়োগে অসমৰ ক্ৰীড়া সাংবাদিকতা আৰু সংগঠনৰ ক্ষেত্ৰখনত এক যুগৰ অন্ত পেলাইছে। তেওঁৰ অৱদান চিৰকাললৈ অসমৰ ক্ৰীড়া প্ৰেমীসকলৰ হৃদয়ত স্মৰণীয় হৈ থাকিব।

## সোণাপুৰৰ জুবিন ক্ষেত্ৰত

অসমীয়া সংস্কৃতিৰ প্ৰিয় আৰু লাখ লাখ অনুৰাগীৰ হৃদয়ৰ ৰজা জুবিন গাৰ্গৰ স্মৃতিচিহ্নত চাকি-ধূপ জ্বলাই সেৱা লোৱাৰ লগতে তেওঁ মৃত্যুৰ পিছৰ ন্যায়িক প্ৰক্ৰিয়া আৰু চৰকাৰী ভূমিকাক লৈ তীব্ৰ সমালোচনা কৰে। জুবিন ক্ষেত্ৰক এক পবিত্ৰ তীৰ্থস্থান বুলি অভিহিত কৰি পৱন খেড়াই কয়, "এইখন এখন তীৰ্থস্থান। জুবিনদা আছিল লাখ লাখ মানুহৰ হৃদস্পন্দন। ইয়াত ৰাজনীতিৰ কথা পতাটো উচিত নহয়। আমি ভিন্ন ৰাজনৈতিক দৰ্শন বা ধৰ্মৰ হ'ব পাৰোঁ, কিন্তু জুবিনদাৰ প্ৰতি থকা মৰম সৰ্বজনীন। যোৱাবাৰ অসম ভ্ৰমণলৈ আহোঁতে মই ইয়ালৈ আহিব নোৱাৰাৰ বাবে অনুশোচনা প্ৰকাশ কৰিছিলোঁ। সেইবাবেই আজি শ্ৰদ্ধা জনাবলৈ আহিছোঁ।" জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত আৰু আইনী প্ৰক্ৰিয়াক লৈ চৰকাৰক কঠোৰ ভাষাৰে আক্ৰমণ কৰি খেড়াই অভিযোগ কৰে যে বিজেপি চৰকাৰে ইচ্ছাকৃতভাৱে এটা দুৰ্বল আৰু অসম্পূৰ্ণ গোচৰ প্ৰস্তুত কৰিছে। তেওঁৰ মতে এনে প্ৰস্তুতিৰ জৰিয়তে দোষীসকলে আইনৰ সুৰুঙাৰে মুক্তি পোৱাৰ সম্ভাৱনা সৃষ্টি কৰা হৈছে। খেড়াই কয়, "জুবিন গাৰ্গৰ সৈতে অন্যায় কৰা হৈছে। চৰকাৰে কেৱল জুবিনদাৰ প্ৰতিয়েই নহয়, সমগ্ৰ অসমৰ ৰাইজৰ বিশ্বাস আৰু আৱেগৰ প্ৰতি অন্যায় কৰিছে। যিজন শিল্পীক সমাজে ইমান উচ্চ মৰ্যাদা দিছে, সেই মৰ্যাদা ম্লান কৰিবলৈ চেষ্টা কৰাটো অতি দুৰ্ভাগ্যজনক।" তেওঁ লগতে উল্লেখ কৰে যে প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীয়ে প্ৰতি ১৫ দিনৰ মূৰে মূৰে অসমলৈ আহি ভোট বিচাৰে, কিন্তু ইমানবোৰ মানুহৰ আৱেগ জড়িত এই পবিত্ৰ স্থানলৈ আজিলৈকে তেওঁলোকে পদাৰ্পণ কৰা নাই। খেড়াই কয়, "সমাজে যাক ইমান মৰ্যাদা দিছে, ৰাজনীতিকসকলে তেওঁক সেই সন্মান দিবলৈ শিকিব লাগে।" উল্লেখ্য যে পৱন খেড়াৰ এই ভ্ৰমণ অসমৰ নিৰ্বাচনী পৰিস্থিতি নিৰীক্ষণৰ লগতে ৰাজনৈতিক প্ৰচাৰৰ অংশ হিচাপে বিবেচিত হৈছে। জুবিন গাৰ্গৰ মৃত্যুৰ পিছৰ পৰা এই বিষয়টোৱে অসমৰ ৰাজনৈতিক আৰু সামাজিক মহলত তীব্ৰ চৰ্চাৰ সৃষ্টি কৰি আহিছে। খেড়াৰ এই মন্তব্যই আগন্তুক নিৰ্বাচনৰ প্ৰেক্ষাপটত বিজেপি চৰকাৰৰ বিৰুদ্ধে বিৰোধী শিবিৰৰ আক্ৰমণক আৰু তীব্ৰতৰ কৰিব বুলি ধাৰণা কৰা হৈছে।

## খানাপাৰাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ

শক্তি বিভাগৰ অধীনত হৈছে। এই অনুষ্ঠানৰ জৰিয়তে বৰ্তমান চৰকাৰৰ কাৰ্যকালৰ অন্তিম নিযুক্তি পত্ৰ বিতৰণৰ কাৰ্যসূচী সমাপ্ত হ'ল। নিযুক্তি পত্ৰ বিতৰণৰ সময়ত মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে যে বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰে বিগত পাঁচ বছৰত মুঠ ১ লাখ ৬৪ হাজাৰ ৩৫৯ গৰাকী যুৱক-যুৱতীক চৰকাৰী চাকৰি প্ৰদান কৰিছে। তেওঁ লগতে কয় যে চৰকাৰে প্ৰাৰম্ভতে ১ লাখ চাকৰি দিয়াৰ প্ৰতিশ্ৰুতি দিছিল যদিও এতিয়া সেই সংখ্যা অতিক্ৰম কৰি ১ লাখ ৬৪ হাজাৰৰো অধিক চাকৰি যোগান ধৰা হৈছে। এই নিয়োগ প্ৰক্ৰিয়া সম্পূৰ্ণ স্বচ্ছ আৰু দুৰ্নীতিমুক্ত বুলি মুখ্যমন্ত্ৰীয়ে দাবী কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সংবাদ মাধ্যমৰ আগত কয়, "এইটো পুনৰ এক স্বচ্ছ নিয়োগ প্ৰক্ৰিয়া। বিগত পাঁচ বছৰত মই অসমৰ ৰাইজক দিয়া প্ৰতিশ্ৰুতি পূৰণ কৰিবলৈ সক্ষম হৈছোঁ। যোগ্য প্ৰাৰ্থীসকলক নিযুক্তি পত্ৰ প্ৰদান কৰা হৈছে। অসমৰ পূৰ্বৰ কোনো চৰকাৰে ইমান বৃহৎ সংখ্যক নিয়োগ আগবঢ়াব পৰা নাছিল। পূৰ্বৰ চৰকাৰসমূহে ২০ হাজাৰৰ পৰা ৫০ হাজাৰমান চাকৰি প্ৰদান কৰিব পাৰিছিল। আমি ১ লাখ চাকৰি দিয়াৰ প্ৰতিশ্ৰুতি দিছিলোঁ, কিন্তু এতিয়া সেই সংখ্যা অতিক্ৰম কৰিছে।" তেওঁ অভিযোগ কৰে যে পূৰ্বৰ চৰকাৰৰ সময়ত নিয়োগ প্ৰক্ৰিয়াত ব্যাপক দুৰ্নীতি চলিছিল। "এ পি এছ চিৰ পৰা আৰম্ভ কৰি অংগনবাড়ী, আশাকৰ্মী বা মধ্যাহ্ন ভোজন আঁচনিৰ কৰ্মী নিয়োগলৈকে ধনৰ বিনিময়ত চাকৰি দিয়া হৈছিল। নিম্নস্তৰৰ চাকৰিৰ বাবে প্ৰায় ১ লাখ টকা আৰু উচ্চ পদৰ বাবে ১ কোটি টকালৈকে ধন দিবলগীয়া হৈছিল। কংগ্ৰেছৰ দিনত প্ৰতিটো চাকৰিৰে এটা নিৰ্দিষ্ট 'দৰ' আছিল।" বৰ্তমান চৰকাৰে ৰাজনৈতিক সদিচ্ছা, প্ৰশাসনিক সংস্কাৰ আৰু নিয়ম-নীতিৰ জৰিয়তে স্বচ্ছতা নিশ্চিত কৰিছে বুলি তেওঁ উল্লেখ কৰে। এই ১ লাখ ৬৪ হাজাৰৰো অধিক নিয়োগৰ ভিতৰত এটাও উচ্চ ন্যায়ালয়ত প্ৰত্যাহ্বান কৰা হোৱা নাই বুলি তেওঁ দাবী কৰে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলৰ প্ৰতিবাদ আৰু শিক্ষা মন্ত্ৰীৰ মন্তব্যৰ প্ৰতি সঁহাৰি জনাই মুখ্যমন্ত্ৰীয়ে কয় যে মাচুল কমোৱাৰ ব্যৱস্থা চৰকাৰে কৰিব, কিন্তু আন্দোলন ভাল নাপায়। "ইমান হৈ থকাৰ পিছতো আন্দোলনৰ প্ৰয়োজন ক'ত? ১৫-২০ দিন পিছত আলোচনা কৰিব পাৰি। মাত্ৰ ৫০ শতাংশ ৰেহাই দিয়া হ'ব। আন্দোলন কৰি থাকিলে কথা পাতিব নোৱাৰি।" নিৰ্বাচনত প্ৰত্যুত্তৰ দিয়াৰ হুংকাৰৰ প্ৰতি তেওঁ কয়, "আমাক হৰুৱাই দিলে লাভ কি? আকৌ ১ কোটি দি চাকৰি ল'ব লাগিব। মাচুল ডাঙৰ নে পিছত এক কোটি ডাঙৰ?" কংগ্ৰেছ নেতা পৱন খেড়াৰ মন্তব্য যে নিৰ্বাচনৰ ফলাফলৰ এসপ্তাহ পিছতে হিমন্ত বিশ্ব শৰ্মা জে'লত থাকিব বুলি কোৱাৰ প্ৰতি মুখ্যমন্ত্ৰীয়ে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। তেওঁ কয় যে পৱন খেড়াৰ বিৰুদ্ধে উগ্ৰপন্থী সংগঠনৰ সৈতে যোগাযোগৰ অভিযোগত ৩-৪টা গোচৰ ৰুজু হৈ আছে আৰু তদন্ত চলি আছে। "তেনেহ'লে কাৰাগাৰত কোন থাকিব? মই ভাবো পৱন খেড়াৰ অন্তিম ঠিকনা হ'ব অসমৰ জে'ল।" মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসমলৈ আহি ৪০ হাজাৰ কোটি টকাৰো অধিক মূল্যৰ প্ৰকল্প উপহাৰ দিব। তাৰ ভিতৰত শিলচৰ-গুৱাহাটী ৰেলপথৰ উন্নয়ন (২২,০০০ কোটি), বাইহাটা চাৰিআলি-তেজপুৰ চাৰিলেন ৰাস্তা (১৫,০০০ কোটি), কপিলী জলবিদ্যুৎ প্ৰকল্পৰ উদ্বোধন, চাহ বাগিচা শ্ৰমিকসকলক মাটিৰ পট্টা প্ৰদান আৰু অসম মালা, বিটিচিৰ যোগাযোগ প্ৰকল্প অন্তৰ্ভুক্ত। অগপৰ সৈতে আসন ভাগ-বাটোৱাৰাৰ বিষয়ে মুখ্যমন্ত্ৰীয়ে স্পষ্ট কৰি কয় যে আলোচনাৰ অৱকাশ নাই। "আমি সিদ্ধান্ত লৈছোঁ। অগপই বৰ্তমানৰ ৯টা বিধায়কৰ ঠাইত ২২টাৰো অধিক আসনত লাভৱান হ'ব। যদি কষ্ট হয় তেন্তে বন্ধুত্বমূলকভাৱে খেলক।" এই অনুষ্ঠানৰ জৰিয়তে চৰকাৰে যুৱকসকলৰ চাকৰিৰ সপোন পূৰণৰ দিশত এক ডাঙৰ পদক্ষেপ গ্ৰহণ কৰিলে বুলি বিবেচিত হৈছে, যিয়ে আসন্ন অসম বিধানসভা নিৰ্বাচনত (মাৰ্চ-এপ্ৰিল ২০২৬) ৰাজনৈতিক পৰিৱেশত নতুন মাত্ৰা যোগ কৰিছে।

## এবছু এৰি সংসদীয় ৰাজনীতিত

কাৰ্যনিৰ্বাহক সমিতিলৈ অব্যাহতিৰ পত্ৰ প্ৰেৰণ কৰিছিল যদিও সমিতিয়ে তৎক্ষণাত গ্ৰহণ নকৰি কিছু সময়ৰ বাবে বিবেচনাৰ বাবে ৰাখিছিল। অৱশেষত কেন্দ্ৰীয় সমিতিয়ে দ্বীপেন বড়োৰ অব্যাহতি পত্ৰ গ্ৰহণ কৰি তেওঁৰ সিদ্ধান্তক অনুমোদন জনাইছে। এই উপলক্ষে শুকুৰবাৰে (১৩ মাৰ্চ) ওদালগুৰি মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত এবছুৱে এক বিশেষ বিদায়ী সভাৰ আয়োজন কৰিছে। দিনৰ ১১ বজাত আৰম্ভ হ'বলগীয়া এই সভাত সংগঠনটোৰ কেইবাগৰাকীও শীৰ্ষ নেতৃত্ব উপস্থিত থাকিব বুলি জানিব পৰা গৈছে। সভাত দ্বীপেন বড়োৱে সংগঠনৰ সৈতে থকা বিগত দিনবোৰৰ অভিজ্ঞতা, সহযোগিতা আৰু সাফল্যৰ কথা সকলোৰে সন্মুখত ভাগ-বতৰা কৰিব। বিদায়ৰ প্ৰাকমুহূৰ্তত আজি দ্বীপেন বড়োৱে বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ প্ৰতিচ্ছবিৰ সন্মুখত থিয় হৈ বিগত সময়ছোৱাত তেওঁক আগবঢ়াই অহা সকলো এবছু কৰ্মী, নেতৃত্ব আৰু সমৰ্থকসকলক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কয় যে গুণগত শিক্ষাৰ প্ৰসাৰ, সমাজত সংঘটিত অপকৰ্মসমূহৰ বিৰুদ্ধে সংগ্ৰাম আৰু বড়ো জাতিৰ অধিকাৰ ৰক্ষাৰ ক্ষেত্ৰত এবছুৱে যি ধৰণে কাম কৰি আহিছে, সেই কাম আগন্তুক দিনবোৰতো অব্যাহত ৰখাৰ বাবে সকলোকে আহ্বান জনায়। দ্বীপেন বড়োৱে স্পষ্ট কৰি কয় যে সংগঠনটোৱে গ্ৰহণ কৰা নীতি-আদৰ্শ অনুসৰি কাম কৰি যোৱাৰ বাবে প্ৰতিখন জিলা, আঞ্চলিক আৰু শাখা সমিতিক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ লগতে কয় যে ভৱিষ্যতে ৰাজনৈতিক ক্ষেত্ৰত জড়িত হৈ বড়ো জাতিৰ লগতে ৰাজ্যখনৰ সকলো জনগোষ্ঠীৰ হিত সাধনৰ বাবে সেৱা আগবঢ়াই যাব। এবছুৰ কৰ্মসূচী আৰু সংগ্ৰামৰ বাবে সদায় সমৰ্থন আগবঢ়াই যোৱাৰ প্ৰতিশ্ৰুতিও তেওঁ দিয়ে। দ্বীপেন বড়োৱে এবছু এৰাৰ খবৰৰ মাজতে ৰাজনৈতিক মহলত চৰ্চা হৈছে যে তেওঁ ইউনাইটেড পিপ'লছ পাৰ্টি লিবাৰেল (ইউপিপিএল)ত যোগদান কৰিব পাৰে। যোগদানৰ পিছত ওদালগুৰি বিধানসভা সমষ্টিৰ পৰা বিধানসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ সম্ভাৱনাও জোৰদাৰভাৱে চৰ্চা হৈ আছে। এই সিদ্ধান্তই বড়ো ছাত্ৰ আন্দোলনৰ লগতে আসন্ন নিৰ্বাচনী ৰাজনীতিত নতুন মাত্ৰা যোগ কৰিব বুলি ধাৰণা কৰা হৈছে।

## ৰন্ধন গেছৰ নাটনিৰ ভুৱা

পৰা উৰা বাতৰিৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰিছে অসম আৰক্ষীয়ে। সামাজিক মাধ্যমৰ জৰিয়তে প্ৰকাশিত এক বিবৃতিত আৰক্ষীয়ে স্পষ্ট কৰি জনাইছে যে এনে ভুৱা তথ্য বিয়পোৱা ব্যক্তিৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব। আৰক্ষীৰ বিবৃতিত কোৱা হৈছে যে কিছুমান বিঘ্নকাৰী উপাদানে (inimical elements) ইচ্ছাকৃতভাৱে ৰন্ধন গেছ আৰু অন্যান্য ইন্ধনৰ নাটনিৰ উৰা বাতৰি বিয়পাই জনসাধাৰণৰ মাজত বিভ্ৰান্তি আৰু আতংক সৃষ্টি কৰাৰ চেষ্টা কৰিছে। "এলপিজি, পিঅ'এল (পেট্ৰ'ল, অইল এণ্ড লুব্ৰিকেণ্ট) আৰু অন্যান্য পেট্ৰ'লিয়াম সামগ্ৰীৰ নাটনিৰ বিষয়ে উৰা বাতৰি বিয়পোৱা যিকোনো ব্যক্তিৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব" বুলি আৰক্ষীয়ে সামাজিক মাধ্যমত পোষ্ট কৰিছে। অসম আৰক্ষীয়ে ৰাইজক আহ্বান জনাইছে যে এনে ভুৱা বা অপপ্ৰচাৰিত খবৰ বিশ্বাস নকৰিব আৰু আগবঢ়াই নিদিব। "এনে বিভ্ৰান্তিকৰ দাবী বিশ্বাস নকৰিব আৰু ফৰৱাৰ্ড নকৰিব। ইয়াৰ দ্বাৰা কেৱল অশান্তি সৃষ্টি হ'ব", বুলি সকিয়নি দিয়া হৈছে। আৰক্ষীৰ এই পদক্ষেপ মধ্যপ্ৰাচ্যৰ যুদ্ধৰ পটভূমিত দেশজুৰি ৰন্ধন গেছৰ যোগানৰ ওপৰত উদ্বেগ সৃষ্টি হোৱাৰ পিছত অহা। উল্লেখ্য যে অসমৰ মুখ্য সচিব ৰবি কোটাৰ বক্তব্য অনুসৰি ৰাজ্যৰ স্থানীয় ৰিফাইনাৰীসমূহে ৰাজ্যৰ মুঠ এলপিজিৰ চাহিদাৰ মাত্ৰ ৩০ শতাংশহে পূৰণ কৰিব পাৰে। ইয়াৰ ফলত যোগানৰ ওপৰত কিছু উদ্বেগ দেখা দিছে যদিও চৰকাৰে যোগান সুনিশ্চিত কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰি আছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মায়ো এনে পৰিস্থিতিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত যোগান স্বাভাৱিক ৰখাৰ আশ্বাস দিছে। এই সকিয়নিয়ে সামাজিক মাধ্যমত ভুৱা খবৰৰ প্ৰসাৰ ৰোধ কৰাৰ লগতে জনসাধাৰণক শান্ত থাকিবলৈ আহ্বান জনাইছে। আৰক্ষীয়ে এনে ক্ষেত্ৰত অভিযোগ দিয়াৰ বাবে সকলোকে অনুৰোধ কৰিছে যাতে দোষীসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিব পৰা যায়।

## যুৱ প্ৰাৰ্থীক প্ৰাধান্য দিব

যুৱক-যুৱতীসকলক প্ৰাধান্য দিয়া হ'ব, যদিও টিকেট লাভৰ ক্ষেত্ৰত কিছুমান চৰ্ত পূৰণ কৰিব লাগিব। বৃহস্পতিবাৰে মঙলদৈত ১২১ কোটি টকাৰ বিভিন্ন উন্নয়নমূলক আঁচনিৰ উদ্বোধন আৰু শিলান্যাস অনুষ্ঠানত অংশগ্ৰহণ কৰি সাংবাদিকৰ সৈতে কথা পাতি দিলীপ শইকীয়াই জনায় যে ১৬ আৰু ১৭ মাৰ্চত দিল্লীত বিজেপিৰ সংসদীয় ব'ৰ্ডৰ বৈঠক অনুষ্ঠিত হ'বলৈ সম্ভাৱনা আছে। তেওঁ আশা প্ৰকাশ কৰে যে এই দুদিনৰ ভিতৰতে অসম বিধানসভা নিৰ্বাচনৰ বাবে দলৰ প্ৰাৰ্থী তালিকা প্ৰকাশ কৰা হ'ব। দৰং জিলাত কাক টিকেট দিয়া হ'ব বুলি সোধা প্ৰশ্নৰ উত্তৰত দিলীপ শইকীয়াই কয় যে বিজেপিত বৰ্তমান যিসকলে আছে তেওঁলোকৰ ভিতৰতেই অধিকাংশ টিকেট বিতৰণ কৰা হ'ব। প্ৰাক্তন মন্ত্ৰী বসন্ত দাসৰ বিষয়ে তেওঁ স্পষ্ট কৰি কয় যে বসন্ত দাসক কোনো চৰ্ত দি দলত যোগদান কৰোৱা হোৱা নাই। "কোনোবাই এ এম এলৰ টিকেট ল'বলৈ বিজেপিত যোগদান কৰা নাই। কোনো চৰ্ত নাই। তেওঁলোকে নেতৃত্বৰ ওপৰত ভৰসা ৰাখিছে। যদি নেতৃত্বই উপযুক্ত বুলি বিবেচনা কৰে তেন্তে বসন্ত দাসক কোনো উপযুক্ত সমষ্টিত টিকেট দিয়া হ'ব পাৰে। আমি নেতৃত্বৰ সৈতে আলোচনা কৰি সিদ্ধান্ত ল'ম। আপোনালোকৰ যি চিন্তা—বসন্ত দাসৰ কি হ'ব—আমাৰো সেইটোৱেই চিন্তা" বুলি তেওঁ মন্তব্য কৰে। দিলীপ শইকীয়াই জনসভাত উল্লেখ কৰে যে বিজেপিয়ে বড়োলেণ্ড টেৰিট'ৰিয়েল ৰিজিয়ন (বিটিআৰ)ৰ দুয়োটা দল—বড়োলেণ্ড পিপ'লছ ফ্ৰণ্ট (বিপিএফ) আৰু ইউনাইটেড পিপ'লছ পাৰ্টি লিবাৰেল (ইউপিপিএল)ক লগত লৈ নিৰ্বাচনত অংশগ্ৰহণ কৰিব। নতুনকৈ দলত যোগদান কৰাসকলক সুবিধা দিয়াৰ পৰম্পৰা বিজেপিত থকা বুলি উল্লেখ কৰি তেওঁ কয় যে টিকেটৰ সংখ্যা নিৰ্ভৰ কৰিব জয়ৰ সম্ভাৱনা আৰু কাম কৰাৰ ক্ষমতাৰ ওপৰত। আসন ভাগ-বাটোৱাৰাৰ বিষয়ে তেওঁ কয়, "অগপই যদি প্ৰায় ২৫খন আসন লাভ কৰে আৰু বিপিএফেও যদি ১০-১২খন আসন পায়, তেন্তে বাকী থকা আসনসমূহত বিজেপিয়ে প্ৰতিদ্বন্দ্বিতা কৰিব।" ৰাজ্যিক বিজেপি সভাপতি[illegible] যে এইবাৰ[illegible] নিৰ্বাচনত বিজেপিৰ নেতৃত্বাধীন [illegible] হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসমত পুনৰ বিজেপি চৰকাৰ গঠন হ'ব। অনুষ্ঠানত মঙলদৈৰ বিধায়ক বসন্ত দাস, দলগাঁৱৰ বিধায়ক মজিবৰ ৰহমান, মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাসকে ধৰি জিলা প্ৰশাসনৰ বিষয়া-কৰ্মচাৰী আৰু বিজেপিৰ নেতা-কৰ্মীসকল উপস্থিত থাকে। এই প্ৰতিক্ৰিয়াসমূহে আসন্ন অসম বিধানসভা নিৰ্বাচনৰ প্ৰাৰ্থী তালিকা প্ৰকাশৰ প্ৰতি ৰাজনৈতিক দল আৰু ৰাইজৰ আগ্ৰহ আৰু উত্তেজনা স্পষ্ট কৰি তুলিছে।

## বৰপেটাৰ পৰাই আৰম্ভ হ'ব 'মিঞা হাটাও অভিযান'

উন্নয়ন বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই বৰপেটাত এক তীব্ৰ মন্তব্য কৰি স্থানীয় ৰাইজক বাংলাদেশী মিঞাসকলক খেদি পঠোৱাৰ আহ্বান জনাইছে। সত্ৰ আৰু খিলঞ্জীয়া লোকৰ অস্তিত্ব ৰক্ষাৰ স্বাৰ্থত এনে অভিযানৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰি তেওঁ কয় যে বৰপেটাৰ পৰাই এই "মিঞা হাটাও অভিযান" আৰম্ভ হ'ব। বৰপেটাত অনুষ্ঠিত এক ৰাজহুৱা সভাত অংশগ্ৰহণ কৰি মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কয়, "সকলোতকৈ আগত সত্ৰ ৰক্ষা কৰিব লাগিব। বৰপেটাৰ মানুহে সত্ৰ ৰক্ষা কৰিব লাগিব। আমাৰ মাজত বেলেগ একো নাই। নৰেন্দ্ৰ মোদী আৰু হিমন্ত বিশ্ব শৰ্মাক শক্তিশালী কৰি ইয়াত অচিনাকি মানুহক আৰু চলিব নিদিওঁ। যোৱা পাঁচ বছৰত আমাক বহুত কষ্ট দিলে।" তেওঁ আৰু স্পষ্ট কৰি কয় যে এইবাৰ "মিঞা হাটাও অভিযান" চলাব লাগিব আৰু পুৰা মিঞাসকলক খেদিব লাগিব। "পাৰিবনে নাই ৰাইজ? বৰপেটাৰ মানুহে যেতিয়া মিঞা খেদা অভিযান চলাব তেতিয়া আমি ভাবি ল'ম যে খিলঞ্জীয়া লোকৰ অস্তিত্ব সম্পূৰ্ণৰূপে ৰক্ষা হ'ব। বৰপেটাৰ পৰাই এই অভিযান আৰম্ভ হ'ব। এইবোৰ আমাৰ অঞ্চল আছিল, আমাৰ ভূমি আছিল। আমাৰ মহাপুৰুষ চাৰিজনাই পাটবাউসী সত্ৰত বহি শাস্ত্ৰ ৰচিছিল। এই সত্ৰৰ ভূমি কোনোবা বাংলাদেশী মিঞাই লৈ যাব সেয়া কেতিয়াও মানি নলওঁ। তাৰ বাবে যি কৰিব লাগে কৰিমেই।" মন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে যে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্ব নাথাকিলহেঁতেন বৰদোৱা সত্ৰৰ নামঘৰো দখল হৈ যাব পাৰিলেহেঁতেন। ইফালে নলবাৰীত মুখ্যমন্ত্ৰীৰজন আশীৰ্বাদ যাত্ৰাত কংগ্ৰেছ কৰ্মীয়ে আক্ৰমণ কৰাৰ অভিযোগৰ প্ৰসংগত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কয় যে এয়া অতি লজ্জাজনক আৰু দুৰ্ভাগ্যজনক ঘটনা। "যি মুখ্যমন্ত্ৰীৰ নেতৃত্বত বিগত ৭৫ বছৰে নোহোৱা উন্নয়ন আমি দেখিবলৈ পাইছোঁ, যাক ৰাইজে হিয়া উজাৰি ভাল পায়, তেওঁৰ গাড়ীত আক্ৰমণ কৰা, পেট্ৰ'ল ঢালি দিয়া অত্যন্ত অশোভনীয় কথা। আচলতে কংগ্ৰেছ হতাশ হৈছে। নলবাৰীৰ সচেতন ৰাইজে এইসকলক ধৰি আৰক্ষীক চমজাই দিছে। এই ঘটনা এজন কংগ্ৰেছৰ নেত্ৰীৰ দ্বাৰাই হৈছে। মুখ্যমন্ত্ৰীৰজন আশীৰ্বাদ যাত্ৰাত ৰাইজৰ উপস্থিতি আৰু সঁহাৰি দেখি কংগ্ৰেছ দল হতাশ হৈছে।" বিৰোধী দলসমূহৰ মিত্ৰতাৰ প্ৰসংগত মন্ত্ৰীয়ে তীব্ৰ সমালোচনা কৰি কয় যে তেওঁলোকৰ মিত্ৰতা কেতিয়া হয় আৰু কেতিয়া ভংগ হয় সেয়া ধৰিবলৈ টান। "এই সকলোবোৰ বাংলাদেশী মিঞাৰ পক্ষত থকা দল।" একেদিনা মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই বৰপেটা নগৰৰ খোৱাপানীৰ সমস্যা সমাধানৰ বাবে ১১৭ কোটি টকা ব্যয় সাপেক্ষে পানী যোগান প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পৰ জৰিয়তে চহৰৰ প্ৰায় ৫০ হাজাৰ নাগৰিকক ঘৰতে টেপযোগে বিশুদ্ধ খোৱাপানী যোগান ধৰা হ'ব। প্ৰতিটো পৰিয়ালে ২৪ ঘণ্টাই বিশুদ্ধ পানী লাভ কৰিব বুলি ঘোষণা কৰি মন্ত্ৰীয়ে কয় যে প্ৰকল্পটো তিনি বছৰৰ ভিতৰত সম্পূৰ্ণ হ'ব। এই মন্তব্যসমূহে আসন্ন ২০২৬ বিধানসভা নিৰ্বাচনত বৰপেটা আৰু আশে-পাশেৰ অঞ্চলত ৰাজনৈতিক চৰ্চা তীব্ৰতৰ কৰি তুলিছে, য'ত সত্ৰ-সংস্কৃতি ৰক্ষা আৰু অভিবাসনৰ প্ৰশ্নক লৈ বিজেপিৰ পক্ষৰ পৰা স্পষ্ট অৱস্থান প্ৰকাশ পাইছে।

## মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰক

হ'ব বুলি জানিব পৰা গৈছে। কোন সদনত প্ৰথমে জাননী দাখিল কৰা হ'ব সেয়া এতিয়াও স্পষ্ট হোৱা নাই। বিৰোধী পক্ষৰ এজন সাংসদে এটা সংবাদ সংস্থাক জনাইছে যে, সাংসদসকলে জাননীত স্বাক্ষৰ কৰাত অতি উৎসাহ দেখুৱাইছে। বৃহস্পতিবাৰেও কেইবাজনো সাংসদে আগবাঢ়ি আহি স্বাক্ষৰ কৰিছে আৰু ইতিমধ্যে প্ৰয়োজনীয় সংখ্যা পূৰণ হৈ গৈছে। নিয়ম অনুসৰি লোকসভাত মুখ্য নিৰ্বাচন আয়ুক্তক অপসাৰণৰ বাবে কমেও ১০০জন সাংসদৰ স্বাক্ষৰ প্ৰয়োজন আৰু ৰাজ্যসভাত ৫০ জনৰ। যদি জাননী দাখিল কৰা হয় তেন্তে ই হ'ব প্ৰথমবাৰৰ বাবে মুখ্য নিৰ্বাচন আয়ুক্তক অপসাৰণৰ বাবে সংসদত জাননী দাখিলৰ ঘটনা। সূত্ৰ অনুসৰি, জাননীখনত INDIA ব্লকৰ সকলো দলৰ সাংসদে স্বাক্ষৰ কৰিছে। আনুষ্ঠানিকভাৱে ব্লকৰ অংশ নোহোৱা আম আদমি পাৰ্টিৰ সাংসদসকলেও এই জাননীত স্বাক্ষৰ কৰিছে। জাননীখনত মুখ্য নিৰ্বাচন আয়ুক্তৰ বিৰুদ্ধে "কাৰ্যালয়ত পক্ষপাতমূলক আৰু বৈষম্যমূলক আচৰণ"ৰ পৰা আৰম্ভ কৰি "নিৰ্বাচনী জালিয়াতিৰ তদন্তত ইচ্ছাকৃতভাৱে বাধা দিয়া" আৰু "গণ ভোটাধিকাৰ বঞ্চিত কৰা"লৈকে সাতটা গুৰুতৰ অভিযোগ উল্লেখ কৰা হৈছে। ইয়াৰ পূৰ্বে বিৰোধী দলসমূহে কেইবাবাৰো মুখ্য নিৰ্বাচন আয়ুক্তক শাসকীয় ভাৰতীয় জনতা পাৰ্টিক সহায় কৰাৰ অভিযোগ উত্থাপন কৰিছে। এই অভিযোগ বিশেষকৈ চলি থকা বিশেষ পুনৰীক্ষণ (SIR) অনুশীলনৰ সৈতে জড়িত। বিৰোধী নেতাসকলে দাবী কৰিছে যে এই প্ৰক্ৰিয়াৰ দ্বাৰা কেন্দ্ৰত শাসকীয় দলক লাভান্বিত কৰা হৈছে। পশ্চিমবংগত এই অনুশীলন চলোৱাৰ সন্দৰ্ভতো উদ্বেগ প্ৰকাশ কৰা হৈছে। তৃণমূল কংগ্ৰেছৰ সৰ্বোচ্চ নেত্ৰী তথা মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে নিৰ্বাচন আয়োগে প্ৰকৃত ভোটাৰক ডিলিট কৰাৰ অভিযোগ উত্থাপন কৰিছে। এই পদক্ষেপে সংসদীয় ৰাজনীতিত নতুন বিতৰ্কৰ সৃষ্টি কৰিব বুলি ৰাজনৈতিক মহলে ধাৰণা কৰিছে।

## ৰাষ্ট্ৰীয় উলামা কাউন্সিলৰ প্ৰথমখন প্ৰাৰ্থী তালিকা

প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে। বৃহস্পতিবাৰে লখিমপুৰ প্ৰেছ ক্লাবত অনুষ্ঠিত এখন সংবাদমেলত দলটোৱে আটাইমুঠ আঠটা সমষ্টিৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰে আৰু অচিৰেই গুৱাহাটীত দ্বিতীয়খন তালিকা প্ৰকাশ কৰা হ'ব বুলি জানিবলৈ দিয়ে। প্ৰকাশিত তালিকা অনুসৰি পৰ্বতঝোৰা সমষ্টিত ৰাজেশ কুমাৰ ব্ৰহ্ম, গোলোকগঞ্জত জাকিৰ হুছেইন, গৌৰীপুৰত ফিৰুজুল ইছলাম, গোৱালপাৰা (পূব)ত জিয়াউল হক, চমৰীয়াত নুৰুল ইছলাম, গোৰেশ্বৰত সূৰুয আলী, ৰঙানদীত জাকিৰ হুছেইন আৰু লখিমপুৰ সমষ্টিত নুৰুল আলীক প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰা হৈছে। লখিমপুৰ জিলাৰ দুটা সমষ্টি—লখিমপুৰ আৰু ৰঙানদী—এই তালিকাত স্থান লাভ কৰিছে। ৰাষ্ট্ৰীয় উলামা কাউন্সিলৰ ৰাজ্যিক সভাপতি মৌলানা উবেইদুৰ ৰহমান কাছিমীয়ে সংবাদমেলত জনোৱা মতে দলটোৱে দেশৰ ১৪খন ৰাজ্যত কাম কৰি আহিছে আৰু অসমত ২০১৯ চনৰ পৰা ২০খন জিলাত সক্ৰিয়ভাৱে কাৰ্যকৰী হৈ আছে। তেওঁ কয় যে আগন্তুক নিৰ্বাচনত দলটোৱে ৩৫ৰ পৰা ৪০টা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিব আৰু ২০ৰ পৰা ২৫টা আসনত জয়লাভৰ সম্ভাৱনা থকা প্ৰাৰ্থীসকলক প্ৰক্ষেপ কৰা হৈছে। চৰকাৰৰ বিৰুদ্ধে তীব্ৰ সমালোচনা কৰি মৌলানা কাছিমীয়ে অভিযোগ কৰে যে অসমত নিৰীহ লোকৰ ওপৰত অত্যাচাৰ চলি আছে, অমানৱীয় উচ্ছেদৰ ঘটনা ঘটিছে আৰু মছজিদ-মাদ্ৰাছা ভাঙি পেলোৱা হৈছে। তেওঁ কয় যে চৰকাৰে জাতি-মাটি-ভেটিৰ সুৰক্ষাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব পৰা নাই আৰু মিঞা-মুছলমানক টাৰ্গেট কৰি নিৰ্বাচনী লাভৰ চেষ্টা চলাইছে। তথাকথিত চেকুলাৰ আৰু সাম্প্ৰদায়িক শক্তিৰ বিৰুদ্ধে মাত মাতি অহা দলটোৱে অসমত হিন্দু-মুছলমানৰ একতাৰ বান্ধোন গঢ়ি তুলিবলৈ আৰু শংকৰ-আজানৰ মিলনভূমি হিচাপে অসমক শক্তিশালী কৰিবলৈ কাম কৰি যাব বুলি তেওঁ প্ৰতিশ্ৰুতি দিয়ে। চৰকাৰৰ হিতাধিকাৰী সৃষ্টিৰ নীতিকো তেওঁ সমালোচনা কৰি কয় যে ভোটবেংকৰ স্বাৰ্থত হিতাধিকাৰী সৃষ্টি কৰাটো সঁচা কল্যাণ নহয়। চৰকাৰ ক্ষমতাৰ পৰা আঁতৰি গ'লে বিনামূলীয়া সুবিধা নাপালে সাধাৰণ ৰাইজৰ অৱস্থা কি হ'ব সেই প্ৰশ্ন উত্থাপন কৰি তেওঁ কয় যে সৰ্বসাধাৰণ লোকে এই নীতি মানি লোৱা নাই। সংবাদমেলত ৰাষ্ট্ৰীয় উলামা কাউন্সিলৰ ৰাজ্যিক সম্পাদক মৌলানা জয়নাল আবেদিন, লখিমপুৰ জিলাৰ সভাপতি জাকিৰ হুছেইন, লখিমপুৰ সমষ্টিৰ প্ৰভাৰী নুৰুল আলীকে ধৰি দলৰ বিভিন্ন নেতা আৰু কৰ্মী উপস্থিত থাকে। এই ঘোষণাই অসমৰ নিৰ্বাচনী পৰিস্থিতিত নতুন মাত্ৰা যোগ কৰিছে আৰু বিশেষকৈ সংখ্যালঘু সম্প্ৰদায়ৰ ভোটৰ ওপৰত উল্লেখযোগ্য প্ৰভাৱ পেলোৱাৰ সম্ভাৱনা সৃষ্টি কৰিছে।

## বিৰোধীৰ লক্ষ্য ২০২৬ৰ নিৰ্বাচন নহয়, ২০৩১ৰহে

বাৰ্তালাপত মুখ্যমন্ত্ৰীয়ে কয় যে বিৰোধী পক্ষ এতিয়াও ঐক্যবদ্ধ হ'ব পৰা নাই আৰু তেওঁলোকৰ কোনো গুৰুতৰ প্ৰচেষ্টা দেখা নাই। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই স্পষ্টকৈ উল্লেখ কৰে, "এইবাৰ অসমত বিৰোধীয়ে বহুত কিবা কৰিব পাৰিব বুলি মই নাভাবোঁ। তেওঁলোকৰ চেষ্টাটোৱেই ২০৩১ক লৈ। কংগ্ৰেছে ২০২৬ক লৈ প্ৰথমৰ পৰাই চিন্তা কৰা নাই। কংগ্ৰেছে প্ৰথমৰ পৰাই ২০৩১ৰ চিন্তাই কৰি আছে।" এই মন্তব্যই বিৰোধীৰ অভ্যন্তৰীণ দুৰ্বলতা আৰু দীৰ্ঘম্যাদী কৌশলৰ প্ৰতি ইংগিত দিয়ে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জনপ্ৰিয়তা আৰু ৰাজনৈতিক ঢৌৰ বিষয়ে সোধা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে কয়, "মোদীৰ ঢৌ এতিয়াও শেষ হোৱাই নাই। এখনৰ পাছত এখন নিৰ্বাচন জিকি আছে। সমান্তৰালভাৱে অসমত ডাবল ইঞ্জিন ঢৌ আৰম্ভ হৈছে। তেওঁলোকে ঢৌ শেষ হৈছে বুলি ভাবিছে ঠিক আছে। কাৰণ এতিয়া ছুনামি আৰম্ভ হৈছে।" এই কথাৰে তেওঁ বিজেপিৰ শক্তিশালী অৱস্থান আৰু আগন্তুক নিৰ্বাচনত জয়ৰ আশাবাদ প্ৰকাশ কৰে। অৰুণোদয় আঁচনিৰ অধীনত মহিলাসকলক দিয়া ৯ হাজাৰ টকাৰ সাহায্যৰ সমালোচনাৰ প্ৰতি উত্তৰ দি মুখ্যমন্ত্ৰীয়ে কয়, "মহিলাসকলক সুধিলেই হ'ল। এই প্ৰশ্নটো মোক কৰাতকৈ মহিলাসকলক কৰিলেই হ'ল। উত্তৰটো তেওঁলোকেই দিব আৰু সেই উত্তৰটো বিৰোধী পক্ষক জনাই দিব।" এই আঁচনিৰ জৰিয়তে ৰাজ্যৰ প্ৰায় ২৯ লাখ ৩৩ হাজাৰ ৯৯৯ গৰাকী মহিলাৰ মাজত সাহায্য বিতৰণ সম্পূৰ্ণ হৈছে বুলি তেওঁ উল্লেখ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আসন্ন অসম ভ্ৰমণৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে জনায় যে শুকুৰবাৰে প্ৰধানমন্ত্ৰী কোকৰাঝাৰলৈ আহিব আৰু তাৰ পিছত গুৱাহাটীত চাহ বাগিচাৰ শ্ৰমিকসকলক মাটিৰ পট্টা প্ৰদান কৰিব। লগতে ১৫০ মেগাৱাটৰ কপিলী জলবিদ্যুৎ প্ৰকল্পৰ ভাৰ্চুৱেল শুভাৰম্ভ কৰিব। কাইলৈৰ দিনটোত অসমৰ বাবে প্ৰায় ৪০ হাজাৰ কোটি টকাৰ বিভিন্ন প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰা হ'ব। এই অনুষ্ঠানতেই মুখ্যমন্ত্ৰীয়ে জালুকবাৰী সমষ্টিৰ ৫, ১৫৫ গৰাকী মহিলাৰ মাজত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ দহ হাজাৰ টকাৰ চেক বিতৰণ কৰে। একেটা অনুষ্ঠানতে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ সাতটা গুৰুত্বপূৰ্ণ পৰ্টেলৰ শুভাৰম্ভ কৰা হয়। লগতে তেওঁৰ কাৰ্যকালৰ নিৰ্বাচিত ভাষণৰ সংকলন 'মুখ্যমন্ত্ৰীৰ বক্তৃতা সংকলন ৪ আৰু ৫' উন্মোচন কৰে, য'ত ২০২৪ মে'ৰ পৰা ২০২৬ মাৰ্চলৈকে ১০০টা গুৰুত্বপূৰ্ণ ভাষণ সন্নিৱিষ্ট। মুখ্যমন্ত্ৰীৰ এই মন্তব্যই ২০২৬ৰ নিৰ্বাচনৰ পূৰ্বে ৰাজনৈতিক উত্তাপ বঢ়াই তুলিছে আৰু বিৰোধীৰ ঐক্য আৰু কৌশলৰ ওপৰত প্ৰশ্ন উত্থাপন কৰিছে।

## তিনি মাহত তৃতীয়বাৰলৈ অসমলৈ প্ৰধানমন্ত্ৰী মোদী

কোকৰাঝাৰত পদাৰ্পণ কৰিব। তেওঁ ইয়াত বড়োলেণ্ড টেৰিট'ৰিয়েল কাউন্সিল (বিটিচি) অঞ্চলৰ বাবে বিশেষভাৱে কেইবাটাও প্ৰকল্প উদ্বোধন আৰু শিলান্যাস কৰিব। এই অঞ্চলৰ বাবে প্ৰায় ৪, ৫৭৪ কোটি টকাৰ প্ৰকল্প উৎসৰ্গ কৰা হ'ব। লগতে অসম মালা আঁচনিৰ অধীনত ৮৮৩ কিলোমিটাৰ ৰাস্তা নিৰ্মাণ আৰু ৩৬টা নতুন দলংৰ বাবে ভূমি পূজন কৰিব। কোকৰাঝাৰত এখন বিশাল জনসভাতো তেওঁ ভাষণ দিব, য'ত প্ৰায় দুই লাখ লোকৰ উপস্থিতিৰ আশা কৰা হৈছে। সন্ধিয়া প্ৰধানমন্ত্ৰী গুৱাহাটীলৈ আহি এক বিশেষ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। ইয়াত তেওঁ প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি (PM-KISAN) আঁচনিৰ এটা নতুন কিস্তি মুকলি কৰিব, যিয়ে দেশৰ কোটি কোটি কৃষকক সহায় কৰিব। এই অনুষ্ঠানৰ আটাইতকৈ গুৰুত্বপূৰ্ণ অংশ হ'ব চাহ বাগিচাৰ শ্ৰমিক সম্প্ৰদায়ৰ বাবে ভূমিৰ অধিকাৰ প্ৰদানৰ কাৰ্যসূচীৰ আৰম্ভণি। প্ৰায় ২০০ বছৰ ধৰি অসমত বাস কৰি অহা চাহ জনগোষ্ঠীৰ লোকসকলক প্ৰথমবাৰৰ বাবে ভূমি পট্টা (ভূমিৰ অধিকাৰ পত্ৰ) প্ৰদান কৰা হ'ব। প্ৰধানমন্ত্ৰীয়ে নিজে প্ৰথমজন যোগ্য চাহ শ্ৰমিকক এই পট্টা হস্তান্তৰ কৰিব। গুৱাহাটীতো প্ৰায় ৮, ৮৪১ কোটি টকাৰ প্ৰকল্প উদ্বোধন আৰু শিলান্যাস কৰা হ'ব। ১৪ মাৰ্চত প্ৰধানমন্ত্ৰী শিলচৰলৈ যাব। তেওঁ ইয়াত শিলচৰ-গুৱাহাটী এক্সপ্ৰেছৱে (শিলচৰ-শ্বিলং-গুৱাহাটী এক্সপ্ৰেছ হাইৱে)ৰ আধাৰশিলা স্থাপন কৰিব, যাৰ আনুমানিক ব্যয় প্ৰায় ২২, ০০০ কোটি টকা। এই প্ৰকল্পই উত্তৰ-পূৰ্বাঞ্চলৰ যোগাযোগ ব্যৱস্থাক বহুগুণে শক্তিশালী কৰিব। লগতে ১৫০ মেগাৱাট কপিলী জলবিদ্যুৎ প্ৰকল্পক ৰাষ্ট্ৰৰ উদ্দেশ্যে উৎসৰ্গ কৰিব। শিলচৰতো এক বিশাল জনসভাত তেওঁ ভাষণ দিব। এই দুদিনীয়া ভ্ৰমণত প্ৰধানমন্ত্ৰীয়ে ৰাজ্যখনৰ অৱকাঠামো, বিদ্যুৎ, যোগাযোগ আৰু কৃষি-চাহ শ্ৰমিকৰ কল্যাণৰ ক্ষেত্ৰত ডাঙৰ পদক্ষেপ গ্ৰহণ কৰিব। বিজেপি নেতৃত্বাধীন চৰকাৰৰ এই উদ্যোগে নিৰ্বাচনী প্ৰচাৰত নতুন গতি যোগ কৰিব বুলি ধাৰণা কৰা হৈছে।

# জয়ন্ত খাউণ্ডে আউল লগাব নেকি ভাজপা-অগপৰ ৰাজনৈতিক সমীকৰণত ?

**অসম বাৰ্তা, লীলাবাৰী, ১২ মাৰ্চ ঃ** সমাগত বিধানসভা নিৰ্বাচনত উত্তৰ অসমৰ ৰাজনৈতিক প্ৰেক্ষাপট সলনি হ'ব নেকি ? উত্তৰ অসম, বিশেষকৈ লখিমপুৰ জিলাৰ পাঁচটা সমষ্টিত প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব নেকি ভাৰতীয় জনতা পাৰ্টি আৰু অসম গণ পৰিষদ। প্ৰদেশ কংগ্ৰেছৰ প্ৰাক্তন সভাপতি ভূপেন বৰাৰ গেৰুৱা বসন আৰু শাসিত চৰকাৰৰ আঞ্চলিক মিত্ৰ দল অসম গণ পৰিষদৰ শীৰ্ষনেতা জয়ন্ত খাউণ্ডৰ কংগ্ৰেছ যোগদানে ৰাজ্যৰ ৰাজনৈতিক বতাহ গৰম হৈছে। প্ৰায় চাৰে আঠ লাখ ভোটাৰে পাঁচখন বিধানসভা সমষ্টিত পাঁচজন বিধায়কৰ ভাগ্য নিৰ্ণয় কৰাত ভূমিকা ল'ব। ৭৩ নং বিহপুৰীয়া বিধানসভা সমষ্টিত প্ৰদেশ কংগ্ৰেছে ইতিমধ্যে নাৰায়ণ ভূঞা ওৰফে ৰাম ভূঞাক টিকট প্ৰদান কৰিছে। সমষ্টিটোৰ ভূঞাৰ উপৰিও কংগ্ৰেছ দলৰ আন দুজন প্ৰত্যাশি আছিল হেমন্ত গগৈ আৰু নৱজিৎ বৰা। নৱগঠিত ৭৪ নং

## নাওবৈচা কংগ্ৰেছৰ হাতত থাকিবনে ?

ৰঙানদী সমষ্টিৰ পৰা প্ৰদেশ কংগ্ৰেছৰ তৰফৰ পৰা ভূপেন কুমাৰ বৰাই প্ৰাৰ্থীত্ব প্ৰত্যাশি আছিল যদিও, ভূপেন বৰা গেৰুৱা হোৱাৰ পাছত এজন ন-কংগ্ৰেছীৰ নাম উচ্চাৰিত হৈছে। সমষ্টিটোৰ পৰা কংগ্ৰেছৰ গংগাজ্যোতি টায়েগাম, যিচয়া কেৰকেট্টা, জিতেন কলিতা, কমল বাৰ্ল্লা, কৌশিক হাজৰিকা, মোহিত চন্দ্ৰ পায়েং, মৃদুল শইকীয়া আৰু পংকজ শইকীয়াই প্ৰাৰ্থীত্বৰ বাবে আবেদন জনাইছে। কিন্তু, ৰঙানদী সমষ্টিত ন-কংগ্ৰেছী জয়ন্ত খাউণ্ডক প্ৰদেশ কংগ্ৰেছে প্ৰাৰ্থীত্ব দিয়াৰ সম্ভাৱনা প্ৰবল। ৭৫ নং নাওবৈচা (এছচি) সমষ্টিৰ টিকটৰ বাবে কংগ্ৰেছৰ ডঃ জয়প্ৰকাশ দাস আৰু সঞ্জীৱ কুমাৰ দাসে আবেদন জনাইছে। বিশেষ সূত্ৰৰ মতে, বিৰোধী শিবিৰে সমষ্টিটো কংগ্ৰেছৰ পৰিৱৰ্তে ৰাইজৰ দলক এৰি দিব বিচাৰিছে। কিন্তু, কংগ্ৰেছৰ এটা পক্ষই দলটোৰ অক্ষত থকা সমষ্টিটো এৰি দিব খোজা নাই। পৰৱৰ্তী সময়ত সমষ্টিটোৰ সন্দৰ্ভত বিৰোধী শিবিৰৰ ভূমিকা লক্ষণীয় হ'ব। ৭৬ নং লখিমপুৰ সমষ্টিত ৯জন কংগ্ৰেছীয়ে প্ৰাৰ্থীত্বৰ বাবে আবেদন কৰিছে। সমষ্টিটোৰ প্ৰাক্তন বিধায়ক ঘন বুঢ়াগোহাঁই নতুবা প্ৰাক্তন সাংসদ ৰাণী নৰহে লখিমপুৰৰ পৰা টিকট পোৱাৰ সম্ভাৱনা অধিক। লখিমপুৰৰ পৰা আবেদন কৰা আন কেইজন প্ৰাৰ্থীত্ব প্ৰত্যাশি হৈছে- বুল্টন বৰা, উদয় শংকৰ হাজৰিকা, গুণিণ বৰগোহাঁই, মৌচম লাহন, প্ৰত্যুষ দত্ত, ৰাতুল বৰা আৰু উত্তম কুমাৰ ফুকন। ৭৭ নং ঢকুৱাখনা (এছটি) সমষ্টিত আনন্দ নৰহ, ভোগেশ্বৰ লাগাচু, হেমা হৰি প্ৰসন্ন পেগু, লক্ষ্মীনাথ দলে, মহিম চন্দ্ৰ পায়েং, নীলকান্ত পেগু আৰু সুৰজিৎ দলেই কংগ্ৰেছৰ প্ৰাৰ্থীত্বৰ বাবে আবেদন কৰিছে। উল্লেখযোগ্য যে, জিলাখনৰ পাঁচোটা সমষ্টিত বিজেপিয়ে প্ৰাৰ্থীত্ব দিয়াটো স্পষ্ট হৈ পৰিছে। খবৰ অনুসৰি, জিলাখনৰ সদৰ সমষ্টিৰ বিধায়ক মানৱ ডেকা আৰু ঢকুৱাখনা (এছটি) সমষ্টিৰ বিধায়ক নৱ কুমাৰ দলেই পুনৰ প্ৰাৰ্থীত্ব পোৱাটো নিশ্চিত। ইয়াৰ বিপৰীতে নৱগঠিত ৰঙানদী সমষ্টিত ঋষিৰাজ হাজৰিকাক টিকট দিয়াৰ স্পষ্ট ইংগিত মুখ্যমন্ত্ৰীয়ে ইতিমধ্যে দি গৈছে। বিহপুৰীয়া বিধানসভা সমষ্টিত প্ৰাক্তন বিধায়ক তথা ন-বিজেপি ভূপেন কুমাৰ বৰা নে সমষ্টিটোৰ বৰ্তমানৰ বিধায়ক অমিয় কুমাৰ ভূঞাক বিজেপিয়ে টিকট প্ৰদান কৰিব, সেই কথা বৰ্তমানলৈ স্পষ্ট হোৱা নাই। কংগ্ৰেছৰ অক্ষত থকা নাওবৈচা সমষ্টিটোত বিজেপিয়ে প্ৰাৰ্থীত্ব কাক দিয়ে, সেয়া পৰৱৰ্তী সময়ত স্পষ্ট হ'ব। মুঠতে জিলাখনত শাসক বিজেপি আৰু বিৰোধী কংগ্ৰেছৰ মাজত যুঁজ হ'ব। এইক্ষেত্ৰত লখিমপুৰ লোকসভাৰ সমষ্টিৰ সাংসদ প্ৰদান বৰুৱাৰ ভূমিকা হ'ব বিশেষভাৱে লক্ষণীয়। প্ৰণিধানযোগ্য যে, লখিমপুৰ জিলাখনত '২৬ৰ বিধানসভা নিৰ্বাচনৰ ৰাজনৈতিক যুঁজখন যে আকৰ্ষণীয় হ'ব, সেয়া নিশ্চিত।

# গোৱালপাৰা পূৱ সমষ্টিৰ মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ চেক বিতৰণ অনুষ্ঠানত উপস্থিত মন্ত্ৰী অশোক সিংহ



**অসম বাৰ্তা, গোৱালপাৰা, ১২ মাৰ্চ ঃ** আজি গোৱালপাৰা জিলা প্ৰশাসনে মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত গোৱালপাৰা পূৱ সমষ্টিৰ আত্মসহায়ক গোটৰ সদস্যসকলৰ মাজত চেক বিতৰণ অনুষ্ঠানৰ আয়োজন কৰে। এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ আৰু জলসিঞ্চন বিভাগৰ মন্ত্ৰী তথা গোৱালপাৰা জিলাৰ অভিভাৱক মন্ত্ৰী অশোক সিংহলে। গোৱালপাৰা চহৰৰ সমীপস্থ ফৰেষ্ট গেটত আয়োজন কৰা এই অনুষ্ঠানত ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভা, গোৱালপাৰা জিলা পৰিষদৰ সভাপতি মহন্ত ৰাভা, গোৱালপাৰা পৌৰসভাৰ সভাপতি মহানন্দ পাঠক, গোৱালপাৰাৰ জিলা আয়ুক্ত প্ৰদীপ টিমুং, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মৃগাংক চৌধুৰী, জিলা উন্নয়ন আয়ুক্ত প্ৰনৱ কুমাৰ বৰা, গোৱালপাৰা জিলা পৰিষদৰ সামাজিক ন্যায় বিভাগৰ অধ্যক্ষ তথা অসম বেচা কিনা নিগমৰ সঞ্চালক আব্দুৰ ৰহিম জিব্ৰান, অসম শক্তি বিতৰণ নিগম লিমিটেডৰ সঞ্চালক ডঃ প্ৰকাশ কাশ্যপ, গোৱালপাৰা উন্নয়ন প্ৰাধিকৰণৰ সভাপতি দীপক নাথ, বিজেপিৰ গোৱালপাৰা জিলাৰ সভাপতি দীপাংক নাথ, প্ৰাক্তন বিধায়ক জ্যোতিষ দাস, জিতেন দাস আদিয়ে অংশগ্ৰহণ কৰে। অসম সংগীতেৰে আৰম্ভ হোৱা অনুষ্ঠানটোৰ আদৰণি ভাষণ প্ৰদান কৰে গোৱালপাৰাৰ জিলা আয়ুক্ত প্ৰদীপ টিমুঙে। সভাখনত আমন্ত্ৰিত অতিথি হিচাপে ভাষণ প্ৰদান কৰে টংকেশ্বৰ ৰাভাই। অনুষ্ঠানৰ মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি মন্ত্ৰী অশোক সিংহলে অসম চৰকাৰৰ ধ্বজাধাৰী আচনি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আচনিৰ উপকাৰিতাৰ বিষয়ে উল্লেখ কৰে আৰু ইয়াৰ বাবে মাননিয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা মহোদয়ৰ শলাগ লয়। মন্ত্ৰী মহোদয়ে আজিৰ অনুষ্ঠানত মুখ্য অতিথি হিচাপে মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আচনিৰ চেক আনুষ্ঠানিকভাৱে বিতৰণ কৰে। আজিৰ অনুষ্ঠানৰ জৰিয়তে গোৱালপাৰা পূৱ সমষ্টিৰ মুঠ ২৩, ৯৯২ গৰাকী সদস্যাক আৰ্থিক সাহায্য প্ৰদান কৰা হয়। ইয়াৰ ভিতৰত ২৩, ৯০৩ গৰাকী আত্মসহায়ক গোটৰ সদস্যাই ১০ হাজাৰ টকাকৈ আৰু ৮৯ গৰাকী সম্প্ৰদায় কেদাৰে ১৫ হাজাৰ টকাকৈ চেক যোগে লাভ কৰে। আজিৰ অনুষ্ঠানটোৰ জৰিয়তে মুঠ ২৪ কোটি ৩ লাখ ৬৫ হাজাৰ টকা ২৩, ৯৯২ গৰাকী হিতাধিকাৰীৰ মাজত বিতৰণ কৰা হয়। এইখিনিতে উল্লেখ থাকে যে- গোৱালপাৰা জিলাৰ জলেশ্বৰ সমষ্টিৰ ২৭, ৩৯১ গৰাকী, গোৱালপাৰা পশ্চিম সমষ্টিৰ ২৩, ২৬৬ গৰাকী, দুধনৈ সমষ্টিৰ ২৮০৯৩ গৰাকী হিতাধিকাৰীয়ে ইতিমধ্যে - মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ ধন লাভ কৰিছে। আজিৰ এই চেক বিতৰণক লৈ আমাৰ জিলাখনৰ মুঠ ৯৯, ১৪০ গৰাকী মহিলা এই আচনি খনৰ দ্বাৰা প্ৰত্যক্ষভাৱে লাভবান হৈছে।

# মন্ত্ৰী ৰূপেশ গোৱালাই উদ্বোধন কৰিলে ৰূপাই চাহ বাগিচা আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়




**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১২ মাৰ্চ ঃ** অসম চৰকাৰৰ শিক্ষা বিভাগে ৰাজ্যখনৰ চাহ বাগিচা অঞ্চলসমূহত গুণগত শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে গ্ৰহণ কৰা অভিলাষী আঁচনিৰ অন্যতম কাৰ্যক্ৰম হিচাপে আজি তিনিচুকীয়া জিলাৰ ডুমডুমা বিধানসভা সমষ্টিৰ অন্তৰ্গত ৰূপাই চাহ বাগিচাত প্ৰতিষ্ঠা কৰা "ৰূপাই চাহ বাগিচা আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়"খনৰ নৱনিৰ্মিত ভৱন ডুমডুমা বিধান সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী ৰূপেশ গোৱালাই শুভ উদ্বোধন কৰে। উদ্বোধনী কাৰ্যসূচীৰ লগত সংগতি ৰাখি দাইচা আঞ্চলিক পঞ্চায়তৰ সদস্য উজ্জ্বল সোণাৰে আঁত ধৰা উদ্বোধনী সভাত মন্ত্ৰী ৰূপেশ গোৱালাই মুখ্য অতিথি হিচাপে অংশ গ্ৰহণ কৰে। সভাত তিনিচুকীয়া জিলা সংমণ্ডলৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক মদন পেগু, তিনিচুকীয়া জিলাৰ জিলা প্ৰাথমিক শিক্ষা বিষয়া তথা জিলা মিছন সমন্বয়ক বিন্তী শৰ্মা, তিনিচুকীয়া জিলা কৰ্মচাৰী পৰিষদৰ উপদেষ্টা বিপুল দহোতীয়া, দাইছা গাঁও পঞ্চায়তৰ সভাপতি বিজিত তাঁতী, লোক নিৰ্মাণ বিভাগৰ অভিযন্তা ভৰত দাস, ৰূপাই চাহ বাগিচাৰ উপ পৰিচালক দিবাকৰ ৰায় আৰু কল্যাণ বিষয়া ছবিন কুমাৰ নাগ প্ৰমুখ্যে স্থানীয় বিদ্যালয়সমূহৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু কেইবাশতাধিক ৰাইজে অংশগ্ৰহণ কৰে। উদ্বোধনী অনুষ্ঠানলৈ মন্ত্ৰী গোৱালাক স্থানীয় ৰাইজে ঢোলে ডগৰে আদৰি আনে। নৱ নিৰ্মিত ৰূপাই চাহ বাগিচা আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়খনৰ অধ্যক্ষ হিচাপে মেচাকী উচ্চ মাধ্যমিক বিদ্যালয়ৰ বিজ্ঞান শিক্ষক দিগন্ত ভাজনীয়ে আজি আনুষ্ঠনিকভাৱে দায়িত্বভাৰ গ্ৰহণ কৰে।

# মৰিগাঁৱত "সুৰক্ষিত শৈশৱ, সোণালী অসম" শীৰ্ষক ৯০ দিনীয়া অভিযানৰ সামৰণি

## বাল্য বিবাহৰ বিৰুদ্ধে সজাগতা সৃষ্টিতকৈ অন্তৰালৰ কাৰকসমূহ বিচাৰি উলিওৱাটোহে বেছি প্ৰয়োজনীয় ঃ জিলা আয়ুক্ত

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১২ মাৰ্চ ঃ** মৰিগাঁও জিলা শিশু সুৰক্ষা গোটৰ উদ্যোগত আৰু ৰাজ্যিক শিশু সুৰক্ষা সমিতিৰ সহযোগত মৰিগাঁও জিলাৰ আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত আজি "সুৰক্ষিত শৈশৱ, সোণালী অসম" শীৰ্ষক শিশু সুৰক্ষা সম্পৰ্কীয় ৯০ দিনীয়া অভিযানৰ সামৰণি অনুষ্ঠানৰ আয়োজন কৰা হয়। এই উপলক্ষে আয়োজিত সভাত জিলা আয়ুক্ত অনামিকা তেৱাৰীয়ে সজাগতা সৃষ্টিতকৈ শিশুৰ বিৰুদ্ধে সংঘটিত অপৰাধ আৰু বাল্য বিবাহৰ ক্ষেত্ৰত ইয়াৰ অন্তৰালৰ কাৰণসমূহ বিচাৰি উলিওৱাটোহে বেছি প্ৰয়োজনীয় বুলি মন্তব্য কৰে। তেওঁ কয় যে বাল্য বিবাহ আৰু শিশু তথা কিশোৰ-কিশোৰীৰ নিচাযুক্ত সামগ্ৰীৰ প্ৰতি আসক্তিৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ পৰিৱৰ্তে প্ৰথমে ইয়াৰ অন্তৰালৰ প্ৰকৃত কাৰকসমূহ বিচাৰি উলিয়াব লাগিব; অন্যথা সজাগতা সৃষ্টিৰ বাবে আয়োজিত অনুষ্ঠান ফলপ্ৰসূ নহ'ব। তেওঁ কয় যে বাল্য বিবাহৰ ক্ষেত্ৰত ঘৰুৱা পৰিৱেশ, আৰ্থিক অৱস্থা, সজাগতাৰ অভাৱ, শিক্ষানুষ্ঠানসমূহত সহ-পাঠ্যক্ৰম কাৰ্যকলাপ, ক্ৰীড়া, শাৰীৰিক প্ৰশিক্ষণ আদিৰ অভাৱ আদি অন্যতম। এনে ঘটনা ৰোধ কৰাৰ ক্ষেত্ৰত সমাজৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰি তেওঁ কয় যে বাল্য বিবাহ, মাদক দ্ৰব্যৰ ব্যৱহাৰ, মাহেকীয়াৰ সময়ত ছোৱালীয়ে মানি চলিবলগীয়া স্বাস্থ্য সম্পৰ্কীয় দিশসমূহ শিক্ষানুষ্ঠানত মুকলিকৈ আলোচনা হ'ব লাগে। তৃণমূল পৰ্যায়ত আলোচনা হ'লেহে এই বিষয়সমূহৰ সমাধানসূত্ৰ উলিয়াব পৰা যাব বুলি তেওঁ কয়। তেওঁ প্ৰসংগক্ৰমে কয় যে শিক্ষকসকলক ছাত্ৰ-ছাত্ৰীক মনোবৈজ্ঞানিকভাৱে পৰামৰ্শ প্ৰদান কৰিব পৰাকৈ প্ৰশিক্ষিত কৰিব লাগিব। ছাত্ৰ-ছাত্ৰীৰ মাজত নৈতিক অৱক্ষয় ৰোধ কৰাৰ বাবে কাম কৰাৰ ওপৰত তেওঁ গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানত জিলা আইন সেৱা প্ৰাধিকৰণৰ সচিব পাঞ্চালী শ্যামে কয় যে বাল্য বিবাহৰ দৰে ঘটনা ৰোধ কৰাৰ বাবে মানসিকতাৰ পৰিৱৰ্তন হ'ব লাগিব। তেওঁ বিদ্যালয়ত কমেও ১০ মিনিট সময় যোগাভ্যাস আৰু ধ্যান বাধ্যতামূলক কৰাৰ পোষকতা কৰে। তেওঁ কয় যে যোগাভ্যাসক বিদ্যালয়ৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰিব পাৰিলে ছাত্ৰ-ছাত্ৰীৰ মাজত উচিত সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়া সহজ হৈ পৰিব আৰু বে-আইনী কাৰ্যকলাপ বহু পৰিমাণে ৰোধ কৰিব পৰা যাব। অনুষ্ঠানৰ আঁত ধৰি তথা উদ্দেশ্য ব্যাখ্যা কৰি সহকাৰী আয়ুক্ত তথা ভাৰপ্ৰাপ্ত জিলা শিশু সুৰক্ষা বিষয়া মৃগাক্ষী বৰুৱাই ৯০ দিনীয়া কাৰ্যসূচীৰ অধীনত জিলাখনত গ্ৰহণ কৰা সজাগতা অনুষ্ঠানসমূহৰ বিষয়ে বিতংভাৱে ব্যাখ্যা কৰে। তেওঁ কয় যে এই সময়চোৱাত বাটৰ নাট, সজাগতা সভা আদি অনুষ্ঠিত কৰি বাল্য বিবাহৰ বিৰুদ্ধে ব্যাপক জনসজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হয়। আজিৰ অনুষ্ঠানত শিশু সুৰক্ষা সমিতি, মৰিগাঁৱৰ বিষয়ববীয়া আৰু ছাত্ৰ-ছাত্ৰীসকলেও বক্তব্য আগবঢ়ায়। সভাত শিশু হেল্পলাইন নম্বৰ ১০৯৮, শিশুৰ দত্তক গ্ৰহণ প্ৰক্ৰিয়া আদি সন্দৰ্ভতো আলোচনা কৰা হয়। সভাত জিলা উন্নয়ন আয়ুক্ত অৰ্পা বাগলাৰী, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অনন্ত কুমাৰ গগৈ, সহকাৰী আয়ুক্ত কংকন জ্যোতি শইকীয়া, বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰী, বিভিন্ন বিভাগৰ মুৰব্বী বিষয়া

# লংকাত বনৰীয়া হাতীৰ তাণ্ডৱ; দুদিনত দুজনৰ কৰুণ মৃত্যু

**অসম বাৰ্তা, লংকা, ১২ মাৰ্চ ঃ** লংকা অঞ্চলত পুনৰ তীব্ৰ ৰূপ লৈছে মানুহ আৰু বনৰীয়া হাতীৰ সংঘাত। দুদিনৰ ভিতৰতে পৃথক পৃথক স্থানত সংঘটিত দুটা ঘটনাত বনৰীয়া হাতীৰ আক্ৰমণত দুজন ব্যক্তিৰ কৰুণ মৃত্যুৰ ঘটনাই অঞ্চলটোত গভীৰ শোক আৰু আতংকৰ সৃষ্টি কৰিছে। প্ৰথম ঘটনাটো সংঘটিত হয় লংকাৰ কাষৰীয়া লংকাজান অঞ্চলত। নখুটীৰ ১নং চাৰ্থেগাঁও গাঁৱৰ বাসিন্দা আজিবুৰ ৰহমান (৫০) নামৰ ব্যক্তিজনে লামডিং বনাঞ্চলৰ কাষৰীয়া অঞ্চলত নিজৰ গৰু বিচাৰি থকা অৱস্থাত হঠাৎ এটা বনৰীয়া হাতীৰ সন্মুখীন হয়। মুহূৰ্ততে হাতীটোৱে তেওঁক আক্ৰমণ কৰে। হাতীৰ ভয়ংকৰ আক্ৰমণত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈ ঘটনাস্থলীতে প্ৰাণ হেৰুৱাব লাগে আজিবুৰ ৰহমানক। ঘটনাটোৰ খবৰ পোৱাৰ লগে লগে স্থানীয় ৰাইজ ঘটনাস্থলীত উপস্থিত হয় আৰু বিষয়টো বন বিভাগ আৰু আৰক্ষীক অৱগত কৰে। ইফালে দ্বিতীয় ঘটনাটো সংঘটিত হয় লংকাৰ উত্তৰ লস্কৰপথাৰ নালুগাঁৱত। জৰাঙ পথাৰ ভীমৰালীৰ বাসিন্দা চাইদুল হক নামৰ ব্যক্তিজনে পুৱা সময়ত হাতী চাবলৈ গৈছিল। সেই সময়তে কুঁহিয়াৰ খেতিৰ মাজৰ পৰা হঠাৎ ওলাই আহে এটা বনৰীয়া হাতী আৰু ব্যক্তিজনক খেদি খেদি আক্ৰমণ কৰে। হাতীৰ আক্ৰমণত ঘটনাস্থলীতে মৃত্যুকোলাত ঢলি পৰে চাইদুল হক। উল্লেখযোগ্য যে উক্ত অঞ্চল সমূহত প্ৰায়ে বনৰীয়া হাতীৰ উপদ্ৰৱ দেখা যায়। স্থানীয় ৰাইজে অভিযোগ কৰা মতে, অঞ্চলটোত দিনক দিনে বৃদ্ধি পাইছে হাতীৰ উপদ্ৰৱ, যাৰ ফলত সাধাৰণ ৰাইজে ভয় আৰু আতংকৰ মাজতে দৈনন্দিন জীৱন অতিবাহিত কৰিব লগা হৈছে। ইতিমধ্যে এই অঞ্চলত বনৰীয়া হাতীৰ আক্ৰমণত বহু লোকৰ মৃত্যু আৰু বিস্তৰ ক্ষয়ক্ষতি সংঘটিত হোৱা বুলি স্থানীয় ৰাইজে জানিবলৈ দিয়ে। সেয়েহে বনৰীয়া হাতীৰ উপদ্ৰৱৰ পৰা ৰাইজক সুৰক্ষা প্ৰদান কৰিবলৈ বন বিভাগে শীঘ্ৰে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী উত্থাপন কৰিছে স্থানীয় ৰাইজে।

## বিগত পাঁচ বছৰত এটকাও দুৰ্নীতি নকৰাকৈ সমষ্টিবাসীৰ সেৱা কৰিছোঁ ঃ দিগন্ত বৰ্মন

# বৰক্ষেত্ৰীৰ মুগদিত আদৰ্শ অংগনবাড়ী কেন্দ্ৰ মুকলি

**অসম বাৰ্তা, দৌলাশাল, ১২ মাৰ্চ ঃ** নলবাৰী জিলাৰ ৩৮নং বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত মুগদি গাঁৱত আজি আদৰ্শ অংগনবাড়ী কেন্দ্ৰ এটা মুকলি কৰা হয়। ৫৮নং মুগদি গাঁও পঞ্চায়তৰ অন্তৰ্গত বড়ো জনবসতিপ্ৰধান মুগদি বড়ো চুবুৰীৰ মনসা পূজাস্থলীত থকা ১০৯নং আম্ৰাট্টাৰী-মুগদি অংগনবাড়ী কেন্দ্ৰটো আদৰ্শ অংগনবাড়ী কেন্দ্ৰলৈ উন্নীতকৰণ কৰি আটকধুনীয়াকৈ নিৰ্মাণ কৰি উলিওৱাত কেন্দ্ৰটো আজি আনুষ্ঠানিকভাৱে মুকলি কৰে বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক দিগন্ত বৰ্মনে। আজি বিয়লিৰ ভাগত অঞ্চলটোৰ বহু গণ্য মান্য ব্যক্তি আৰু শতাধিক ৰাইজৰ উপস্থিতিত মহিলাৰ মংগলধ্বনিৰে ৰঙা ফিতা কাটি কেন্দ্ৰটো মুকলি কৰে বিধায়ক দিগন্ত বৰ্মনে। ইয়াৰ পাছতেই উদ্বোধনী সভা এখনত অংশগ্ৰহণ কৰে বিধায়ক দিগন্ত বৰ্মনে। মুগদি মণ্ডল কংগ্ৰেছৰ সভাপতি অশোক কুমাৰ কলিতাই আঁত ধৰা সভাখনৰ সভাপতিত্ব কৰে মুগদি মিলন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ মালাৰাম বড়োই। সভাত বিধায়ক দিগন্ত বৰ্মনে ভাষণ প্ৰদান কৰি ৰাজহুৱা অনুষ্ঠানসমূহ জীয়াই ৰাখিবলৈ ৰাইজক উদ্যোগ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। ৰাজহুৱা অনুষ্ঠান জীয়াই ৰাখিবলৈ হ'লে ব্যক্তিগত খণ্ডলৈ যোৱা প্ৰৱণতা হ্ৰাস কৰিব লাগিব বুলিও কয় বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক দিগন্ত বৰ্মনে। বিধায়ক বৰ্মনে বিধায়ক কাৰ্যকালৰ খাতিয়ান দাঙি ধৰি বিগত পাঁচ বছৰত এটকাও দুৰ্নীতি নকৰাকৈ সমষ্টিবাসীৰ সেৱা কৰা বুলিও মন্তব্য কৰে। উদ্বোধনী সভাখনত বৰক্ষেত্ৰী ব্লক কংগ্ৰেছৰ সভাপতি পৰীক্ষিত দাস, দৌলাশাল জিলা পৰিষদৰ প্ৰাক্তন সদস্যা বৰ্ণালী বৰ্মন কলিতা, মুগদি (বড়ো চুপা) গাঁও উন্নয়ন সমিতিৰ সভাপতি নগেন চন্দ্ৰ বড়ো, সমাজকৰ্মী কামেশ্বৰ বড়ো, বৰক্ষেত্ৰী মহিলা কংগ্ৰেছৰ সভানেত্ৰী ৰীণা বড়োকে প্ৰমুখ্য কৰি অঞ্চলটোৰ শতাধিক লোক উপস্থিত থাকে।

## সৃজনগ্ৰাম সমষ্টিত SOPD আঁচনিৰ ৫টাকৈ ৰাস্তাৰ কামৰ আধাৰশিলা স্থাপন

**অসম বাৰ্তা, লেংটিছিঙা, ১২ মাৰ্চ ঃ** বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম সমষ্টিৰ বিধায়ক আব্দুল বাতিন খন্দকাৰে SOPDআঁচনিৰ ৫ টাকৈ ৰাস্তাৰ কামৰ আধাৰশিলা স্থাপন কৰে। আমবাৰীত এটা, নাৰাৰভিটাত এটা আৰু কোকিলাত তিনিটা ৰাস্তাৰ বাবদ মুঠ ৫ শ ২৫ কোটি টকা ব্যয় হ'ব বুলি কয় বিধায়কজনে। ২০২৫-২৬ বৰ্ষৰ SOPD আঁচনিৰ ৫ টাকৈ কামৰ আধাৰশিলা স্থাপন কৰি বিগত ৫ বছৰত ৪টাকৈ পকী দলং, আইনদীৰ ওপৰত ৩২ কোটি টকা ব্যয়ৰে এপ্ৰোছৰ কাম, ১৪০ কিলোমিটাৰ পকী পৰাস্তাৰ কাম কৰাৰ লগতে বহুত উন্নয়ন মূলক কাম কৰাৰ খতিয়ান দাঙি ধৰাৰ লগতে চাকলা-কোকিলা ৰাজ্যিক চিকিৎসালয়খন ৩০খন বিছনাযুক্ত চিকিৎসালয় কৰিবলৈ সক্ষম হৈছে বুলি কয়। আনহাতে ফখৰুদ্দিন আলি আহমেদ মেডিকেল কলেজৰ নাম সলনি কৰাক লৈ চৰকাৰক বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰি ২০২৬ৰ নিৰ্বাচনত সাম্প্ৰদায়িক চৰকাৰৰ পৰিৱৰ্তন হ'ব বুলি বিধায়াক আব্দুল বাতিন খন্দকাৰে কয়।

### স্বাভিমানী গামোচাৰে দৃষ্টি আকৰ্ষণ

# ৰিস্কাৰে অসম ভ্ৰমণ কৰি মাজুলীত বিদেশী পৰ্যটক



**অসম বাৰ্তা, উজনী মাজুলী, ১২ মাৰ্চ ঃ** মাজুলীৰ ৰাজপথত কালি এক অনন্য দৃশ্যই স্থানীয় ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰে। সুদূৰ বিদেশৰ চাৰিগৰাকী পৰ্যটকে ৰিস্কাৰে অসমৰ বিভিন্ন স্থান পৰিভ্ৰমণ কৰি অৱশেষত সত্ৰভূমি মাজুলীত উপস্থিত হয়। এই সকল পৰ্যটকৰ ভিতৰত তিনিগৰাকী নিউজিলেণ্ডৰ আৰু এগৰাকী আয়াৰলেণ্ডৰ বাসিন্দা বুলি জানিব পৰা গৈছে। জানিব পৰা মতে, পৰ্যটক চাৰিগৰাকী যোৰহাটৰ পৰা নিমাতী ঘাট হৈ নাওপথে মাজুলীত উপস্থিত হয়। মাজুলীত উপস্থিত হোৱাৰ পিছতে তেওঁলোকক মূৰত অসমীয়াৰ স্বাভিমানৰ প্ৰতীক ফুলাম গামোচা লৈ ৰিস্কাৰে ভ্ৰমণ কৰা দেখা যায়, যি দৃশ্যই স্থানীয় লোকসকলৰ মাজত বিশেষ কৌতূহলৰ সৃষ্টি কৰে। যান্ত্ৰিক জীৱনৰ পৰা বহু দূৰত অৱস্থিত মাজুলীৰ নিভাঁজ গ্ৰাম্য পৰিৱেশ, প্ৰাকৃতিক সৌন্দৰ্য আৰু সহজ-সৰল জীৱনশৈলীয়ে বিদেশী পৰ্যটকসকলক গভীৰভাৱে আকৰ্ষণ কৰিছে। বিলাসী বাহন ব্যৱহাৰ কৰাৰ বিপৰীতে তেওঁলোকে নিজে ৰিস্কা চলাই মাজুলীৰ সৌন্দৰ্য উপভোগ কৰাৰ এক অনন্য অভিজ্ঞতা লাভ কৰিছে। মূৰত অসমীয়া গামোচা মাৰি ৰিস্কাৰে মাজুলীৰ পথত ঘূৰি ফুৰা এইসকল বিদেশী পৰ্যটকৰ দৃশ্যই প্ৰমাণ কৰে যে মাজুলীৰ প্ৰাকৃতিক সৌন্দৰ্য আৰু সংস্কৃতিয়ে বিশ্বৰ বিভিন্ন প্ৰান্তৰ মানুহকো সমানে মোহিত কৰে।

# শিৱসাগৰত ছাত্ৰ-ছাত্ৰীৰ স্বাস্থ্য পৰীক্ষা আৰু সজাগতা শিবিৰ সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ১২ মাৰ্চ ঃ** শিৱসাগৰৰ দৰবাৰ ফিল্ড প্ৰশিক্ষণ কেন্দ্ৰৰ উদ্যোগত কালি শিৱসাগৰ নগৰৰ ৩৯৩ নং প্ৰাথমিক বিদ্যালয়ত এখনি স্বাস্থ্য পৰীক্ষা শিবিৰ আৰু সজাগতা সভা অনুষ্ঠিত হয়। খেলুৱা শিক্ষাখণ্ডৰ শিক্ষা সেৱিকা ৰূপজ্যোতি নেওগ দত্ত আৰু অতিৰিক্ত শিক্ষা সেৱিকা ৰীতা দেৱী বৰদলৈৰ তত্ত্বাৱধানত অনুষ্ঠিত এই স্বাস্থ্য পৰীক্ষা আৰু সজাগতা শিবিৰত ৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন হোমিওপেথিক চিকিৎসক ডাঃ কবিতা শৰ্মাই ছাত্ৰ ছাত্ৰী সকলক বিনামূলীয়া চিকিৎসা সেৱা আগবঢ়ায়। বিশেষকৈ সমগ্ৰ অঞ্চলটোৰ দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত বসবাস কৰা গৰিষ্ঠ সংখ্যক পৰিয়ালৰ ছাত্ৰ-ছাত্ৰী সকলক কবিতা শৰ্মাই স্বাস্থ্য পৰীক্ষা কৰি বিনামূলীয়াকৈ ঔষধ বিতৰণ কৰে। উল্লেখযোগ্য যে, কবিতা শৰ্মা নামৰ এইগৰাকী মানৱদৰদী চিকিৎসকে অসমৰ উপৰিও ঝাৰখণ্ডকে ধৰি দেশৰ আগশাৰীৰ বহুকেইখন ৰাজ্যৰ কেইবাশতাধিক ৰোগীক অতি জটিল ৰোগৰ চমকপ্ৰদ চিকিৎসা পদ্ধতিৰে অতি কমদিনৰ ভিতৰতে আৰোগ্য কৰি তোলাৰ বাবে কেইবাটাও চিকিৎসা সংস্থাই হোমিওপেথিক চিকিৎসা বিজ্ঞানৰ ডাঃ হেনিমেন আৰু এক্সিলেন্স আদি সৰ্বোচ্চ বঁটাৰে সন্মানিত কৰিছে। বিশেষকৈ আৰ্থিক দুৰৱস্থাৰ বাবে জটিল ৰোগৰ ব্যয়বহুল চিকিৎসা কৰোৱাৰ বাবে অপাৰগতা প্ৰকাশ কৰা কেইবাহাজাৰ দৰিদ্ৰ পৰিয়ালৰ ৰোগীক ডাঃ কবিতা শৰ্মাই সূক্ষ্মভাৱে ৰোগ নিৰ্ণয় কৰি কমদিনৰ ভিতৰতে আৰোগ্য কৰি তুলিবলৈ সক্ষম হৈছে। কালি এই চিকিৎসা শিবিৰৰ পাছত অনুষ্ঠিত হোৱা সজাগতা শিবিৰত কণ কণ ছাত্ৰ ছাত্ৰী সকলক কেনে পৰিবেশত থাকি কেনেদৰে নিজৰ স্বাস্থ্যৰ যত্ন ল'লে সকলো ধৰণৰ ৰোগৰ পৰা নিজকে ৰক্ষা কৰিব পাৰি সেই সম্পৰ্কতো ডাঃ কবিতা শৰ্মাই বিস্তৃত ভাৱে ব্যাখ্যা দাঙি ধৰে। এই বিনামূলীয়া চিকিৎসা শিবিৰত বিদ্যালয়ৰ শিক্ষক শিক্ষয়িত্ৰী, অভিভাৱক সকলেও অংশগ্ৰহণ কৰি যথেষ্ট পৰিমাণে উপকৃত হোৱা বুলি মন্তব্য কৰে।

# অসম আন্দোলনৰ সক্ৰিয় নেতা বকোৰ সমাজ সংগঠক কালিয়াবড়ীৰ নৰেন বড়োৰ মৃত্যুত অঞ্চলজুৰি শোকৰ ছাঁ

**অসম বাৰ্তা, বকো, ১২ মাৰ্চ ঃ** "মৃত্যু চিৰন্তন সত্য" কথাষাৰৰ সত্যতা প্ৰমাণ কৰি চিৰবিদায় মাগিলে কামৰূপ জিলাৰ বকো কালিয়াবড়ী গাঁৱৰ ৰাজাবাৰী চুবাৰ নৰেন বড়ো। যোৱা নিশা মৃত্যুবৰণ কৰা নৰেন বড়ো আছিল অসমৰ অস্তিত্ব ৰক্ষা সংগ্ৰামৰ অগ্ৰণী নেতা। অসমৰ জাতীয় স্বাৰ্থত গঠিত অসম গণ পৰিষদৰ এগৰাকী নিষ্ঠাবান কৰ্মী। বকো আঞ্চলিক যুৱক সংঘৰ প্ৰাক্তন সভাপতি। কালিয়াবড়ী গাঁৱৰ ৰাজাবাৰী চুবা গাওঁ উন্নয়ন সমিতিৰ উপ সভাপতি তথা অঞ্চলটোৰ নিষ্ঠাবান সমাজ তথা ক্ৰীড়া সংগঠক। বৃহত্তৰ অঞ্চলটোৰ বহু অনুষ্ঠান প্ৰতিষ্ঠানৰ গুৰি ধৰোঁতা এই গৰাকী নৰেন বড়োৰ যোৱা নিশা পৰলোক গমন হয়। ইফালে আজি মৃতকৰ গৃহত অঞ্চলটোৰ বহু সংখ্যক গঞা গিয়াতি সহ অসম গণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ উপ সভাপতি জ্যোতিপ্ৰসাদ দাস, সাংগঠনিক সম্পাদক পৰাণজ্যোতি দাস; বকো আঞ্চলিক যুৱক সংঘৰ সাধাৰণ সম্পাদক পৱন কলিতা; বকো বজাৰ সমিতিৰ সভাপতি ৰঞ্জিত দলৈৰ উপৰিও বহু গুণমুগ্ধই সমবেত হৈ মৃতকক শেষ শ্ৰদ্ধা নিবেদন কৰে আৰু মৃতকৰ পৰিয়ালৰ শোঁকৰ সমভাগী হয়। প্ৰাপ্ত তথ্য অনুসৰি কালিয়াবড়ী গাঁৱৰ প্ৰয়াত মজিন বড়োৰ দ্বিতীয় পুত্ৰ নৰেন বড়োৰ ৭৭ বছৰ বয়সত মৃত্যু হয়। মৃত্যুৰ সময়ত পত্নী সহ দুই পুত্ৰ জীয়ৰী, নাতি-নাতিনী ইহসংসাৰত এৰি যায়। ইফালে আজি দিনৰ ভাগত শতাধিক গুণমুগ্ধৰ উপস্থিতিত গাঁৱৰ ৰাজহুৱা শ্মশানত শেষকৃত্য সম্পন্ন কৰা হয়।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☏ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন